# বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়

## আলোচনী

4
1987-88

Estd 1977
Naga...



B. Chaliha College Library
Estd 1972
Nagarbera

# বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

নগৰবেৰা

কামৰূপ ঃ অসম

বছৰ ঃ ১৯৮৭-৮৮ ইং

চতুৰ্থ সংখ্যা

সম্পাদকদ্বয়

কুলেন তালুকদাৰ

ৰঘুদেৱ দাস [ ৰূপম ]

তত্ত্বাৱধায়ক

অধ্যাপক ঃ বীৰেন্দ্ৰ কুমাৰ দাস

B. P. Chaliha College Library
Estd 1972
Nagarbera

# বেটুপাতৰ ওৰণি গুচাই

শ্ৰীপবিত্ৰ কুমাৰ নাথ
প্ৰাক্তন ছাত্ৰ

চকুহাল মেলি দেখিলো
বেটুপাতৰ ওৰণি গুচাই
কলিটো বিকশি প্ৰকাশি উঠিছে।
আঃ·········   সুকুমমুখী,
কি মোহনীয় সৌন্দৰ্য্যৰ ৰূপৰেখা.
কোকিল কাকলি ধ্বনিত
এটি যেন প্ৰতিশ্ৰুত
উজ্বল সুন্দৰ প্ৰভাত,
আমেজতে চকুহাল মুদি দিলো
সুগন্ধ সুবাসত প্ৰাণ ভৰি গ'ল।
আ:·· ················ ······
কি সুখ শান্তিময় পৃথিৱী !
অনাগত দিনবোৰো যদি
এনেকুৱাই হ'লহেঁতেন····· !!
বতাহত ভাঁহি অহা গোন্ধটো
ক্ৰমে ক্ৰমে প্ৰকট্ হৈ আহিছে
········ উস্, কি উৎকট গোন্ধ !
উদ্‌যান, হিলিয়াম, আনৱিক
বোমা-বাৰুদৰ গোন্ধ ;

নিউক্লিয়াৰ মিশ্ৰিত বতাহজাকে
ধুমুহা বেগেৰে আহি
পৃথিৱীৰ পৰা ভৰিদুখন
এৰুৱাই নিব খুজিছে,
অস্ত্ৰৰ ঝন্-ঝন্
আৰু প্ৰাণাৰ্ত্ত পৃথিৱীৰ কোলাহল,
ভূমিকম্প, আগ্নেয়গিৰি,
বোমা-বাৰুদৰ বিস্ফোৰণে
বুকুখনত
মহাপ্ৰলয়ৰ কঁপনি তুলিছে,
পৃথিৱীখন যেন
চুৰ্ণ-বিচুৰ্ণ হব ধৰিছে,
উস্······, কি বিভীষিকা !!
চকুহাল মেলি দেখিলো
কাষৰ কোবাল বতাহৰ হিংস্ৰতাত
কোমল ফুলৰ পাপৰিবোৰ
বিচ্ছিন্ন প্ৰায়।
এয়া দৃষ্টিবিভ্ৰম নহয়নো ?
এয়া মাথোঁ স্বপ্নও নহয় !!

B. P. Chal[illegible] College Library Estd 1972

# শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত বিমলা প্ৰসাদ চলিহাৰ পুত্ৰ শ্ৰীঅনল চলিহাৰ মাত্ৰ ৪৬ বছৰ বয়সতে জীৱন শলিতা যোৱা ইং ২৩ মে তাৰিখে নুমাই গ'ল। বহু আশা, বহু প্ৰতিশ্ৰুতি, বহু সপোন অকালতে মৰহি গ'ল। সৌ সিদিনা ইং ২৬।২।৮৫ তাৰিখে মাতৃ শ্ৰীযুতা অময়া চলিহাৰ লগত আহি তেখেতৰ পিতৃৰ নামেৰে নামকৰণ কৰা আমাৰ বিমলা প্ৰসাদ চলিহা মহা-বিদ্যালয়ৰ নতুনকৈ প্ৰৱৰ্ত্তন কৰা উচ্চতৰ মাধ্যমিক আৰু স্নাতক শ্ৰেণীৰ বিজ্ঞান শাখাৰ প্ৰয়োগশালাৰ বাবে প্ৰয়োজনীয় সামগ্ৰীসমূহ দান কৰি এই মহাবিদ্যালয়ৰ প্ৰতি থকা তেখেতসকলৰ স্নেহৰ স্বীকৃতি দিয়ে। মহবিদ্যা-লয়ৰ উন্নয়ণমূলক কামৰ বুজলোৱা প্ৰয়াত চলিহা দেৱৰ বিয়োগত মহাবিদ্যালয়ে এজন শুভাকাংখী হেৰুৱালে। তেখেতৰ বিদেহী আত্মাই চিৰ শান্তি লাভ কৰক এয়ে আমাৰ কামনা।

সম্পাদকদ্বয়—

# যি মৃত্যুৱে আমাক ভবাই তুলিলে

দেশৰ স্বাধীনতা সংগ্ৰামী—এন. ছি. আৰ নামবিয়াৰ
পৰমাণু বিজ্ঞানী— এছ. এন. শেষাদ্ৰী
স্বনাম ধন্য সাংবাদিক— কে. এছ. ভৰদ্বাজ
বৰফৰ বাঘ— টেনজিং নৰকে
ৰাষ্ট্ৰীয় নেতা — বাবু জগজীৱন ৰাম
পাম আস বিমানৰ বীৰাঙ্গনা সেৱিকা — নীৰজা মিশ্ৰ
প্ৰাক্তন জেনেৰেল - এ. এছ. বৈদ্য
সমাজবাদী নেতা - ৰাজনাৰায়ণ
বোলছবি নায়িকা - স্মিতা পাতিল
ভাৰতীয় গণনাট্য সংঘৰ প্ৰতিষ্ঠাপক—হেমাঙ্গ বিশ্বাস
যশস্বী চেতাৰ বাদক— মহম্মদ আখতাৰ খান
তামিল নাডুৰ মুখ্যমন্ত্ৰী তথা
সফল চলচিত্ৰ অভিনেতা - এম. জি. ৰামচন্দ্ৰন
প্ৰবীণ সাংবাদিক — চি. এল. ছুৱী
বোলছবি অভিনেতা, গায়ক — কিশোৰ কুমাৰ
ছলচিত্ৰ অভিনেতা— আনোৱাৰ হুচেইন
বিদগ্ধ সংস্কৃত পণ্ডিত
সাহিত্যিক — আচাৰ্য্য মনোৰঞ্জন শাস্ত্ৰী
পাকথুন নেতা, সীমান্ত গান্ধী—
খান আব্দুল গফুৰ খান
জ্ঞানপীঠ বঁটা বিজয়ী— আকিলান
বিহাৰৰ প্ৰাক্তন মুখ্য মন্ত্ৰী — কৰ্পূৰী ঠাকুৰ
প্ৰখ্যাত বীণা বাদক— ইমানী শঙ্কৰ শাস্ত্ৰী
মাৰ্ক্সবাদী নেতা -- পি. ৰামামূৰ্ত্তি
ফৰাচী লেখক— মাৰ্গুইৰিট জাৰচেনাৰ
ভিয়েট প্ৰধান মন্ত্ৰী— ফামহংগৰ
পঞ্জাবৰ সন্ত্ৰাসবাদীয়ে গুলিয়াই
হত্যা কৰা প্ৰসিদ্ধ পাঞ্জাবী কবি— অৱতাৰ সিং
পেলেষ্টাইন মুক্তি সংগঠনৰ
মিলিটাৰী ডেপুটি— খলিল এল-ৱা
পি, এল অঃ নেতা— আবুজি
বিহাৰৰ প্ৰাক্তন মুখ্য মন্ত্ৰী - হৰিহৰ
সাহিত্য একাডেমি বঁটা
বিজয়ী লেখক — সমৰেশ
কৰ্ণাটকৰ প্ৰখ্যাত সঙ্গীতজ্ঞ — চিৰকাজাই গোবিন্দ
প্ৰখ্যাত সংগীত পৰিচালক— এচ, এম, ছিং
বিখ্যাত কাশ্মিৰি কবি — দীননাথ না
প্ৰসিদ্ধ দাৰ্শনিক পণ্ডিত— ডঃ কালিচৰণ
অপহৃত কুৱেইটি বিমানৰ অপহৰণকাৰীয়ে
হত্যাকৰা— দুৰ্ভগীয়া যাত্ৰী দু
সাহিত্যাচাৰ্য্য— অতুল চন্দ্ৰ হাজৰি
অসম সাহিত্য সভাৰ প্ৰাক্তন
সভাপতি, পণ্ডিত - তীৰ্থ নাথ শ
সু সাহিত্যিক, পদ্মশ্ৰী— আব্দুছ ছা
সত্ৰীয়া সংস্কৃতিৰ একান্ত সাধিকা—আৰতি বৰঠা
প্ৰখ্যাত চলচিত্ৰ পৰিচালক,
প্ৰযোজক অভিনেতা— ৰাজকা
প্ৰগতিশীল সাহিত্যিক— নধি ম
নবীন চিত্ৰ পৰিচালক - মনজ্যোতি ব
প্ৰগতিশীল শিল্পী, লেখক— কমল
অসমীয়া চলচিত্ৰ অভিনেতা — বিভূতি ভট্টা
অসমীয়া চলচিত্ৰ প্ৰযোজক - এম, পি, নায়া
প্ৰবীণ চিত্ৰাভিনেত্ৰী — লিলা
আইনজ্ঞ—
জয় চন্দ্ৰ চৌ
সু-সাহিত্যিক— ত্ৰৈলোক্য নাথ গো
গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞানৰ
অৱসৰ প্ৰাপ্ত মুৰব্বী অধ্যাপক ডঃ পৱন চন্দ্ৰ ম
অসমৰ ডেকা বিজ্ঞানী - মুকুল গো

প্ৰকৃতীশ বৰুৱা

বনা প্ৰাণী বিশেষজ্ঞ—

ৱসম ছাত্ৰ সন্থাৰ কাৰ্য্য

দিনেশ কলিতা

ক্তৰ প্ৰাক্তন সদস্য —

ৱালৈ যোৱাৰ পথত

ীয়া দলংত দুৰ্দশাগ্ৰস্ত—

পদমাৱতী পৰিবহণৰ মৃত তীৰ্থযাত্ৰীসকল

ী উচ্চতৰ মাধ্যমিক

মিজানুৰ ৰহমান।

ৰৰ অধ্যক্ষ—

বিভূতি পাঠক

ালয়ৰ প্ৰক্তান ছাত্ৰ—

কটন কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক সাহিত্যিক— ৰামমল ঠাকুৰীয়া

পক্ষী বিজ্ঞানী— ডঃ চালিম আলি

অসমীয়া বোলছবি অভিনেত্ৰী— ইভা আচাও

বিখ্যাত হিন্দী কবি মহাদেবী বৰ্মা


জ্ঞানপীঠ বটা বিজয়ীহিন্দী কবি—এচ, এইচ, ভি, আজ্ঞায়

হিন্দি গীতৰ সুৰকাৰ— শঙ্কৰ

হিন্দী গীতৰ সুৰকাৰ— জয়দেৱ

## মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্য্যনিৰ্বাহক সমিতি।

### বছৰঃ ১৯৮৭-৮৮ ইংৰাজী



বাওঁফালৰ পৰা ( বহি ) ঃ- মঃ জাকিৰ হুচেইন ( উপ-সভাপতি ) অধ্যাপক স্বাহ আলম ( তত্ত্বাবধায়ক, তৰ্কবিভাগ ) অধ্যাপক বীৰেন্দ্ৰ কুমাৰ দাস, ( তত্ত্বাবধায়ক, সমাজসেৱা আৰু আলোচনী বিভাগ ) অধ্যক্ষ দেৱ প্ৰসাদ শইকীয়া ( সভাপতি ) অধ্যাপক ৰঞ্জিত কুমাৰ বৰা ( তত্ত্বাবধায়ক, সাংস্কৃতিক বিভাগ ) অধ্যাপক নীলকমল বৰদলৈ ( তত্ত্বাবধায়ক, সংগীত বিভাগ ) অধ্যাপক কল্যাণী দাস ( তত্ত্বাবধায়ক, ছোৱালী জিৰণি কোঠা )।

বাওঁফালৰ পৰা ( থিয় হৈ ): মঃ ৰাহিজ উদ্দিন মণ্ডল ( সম্পাদক, ছাত্ৰ জিৰণি কোঠা ), মঃ ইজ্জত আলী আহমেদ ( সম্পাদক সমাজ সেৱা বিভাগ ) মঃ আব্দুল হুচেইন ( সম্পাদক, তৰ্ক বিভাগ ) ৰণদীপ তালুকদাৰ ( সম্পাদক, গুৰু খেল বিভাগ ), উত্তম সাহা ( সম্পাদক সংগীত বিভাগ ), মহঃ আব্দুল কালাম আজাদ ( সম্পাদক, সাহিত্য বিভাগ ) উৎপল দাস ( সম্পাদক, সাংস্কৃতিক বিভাগ), ধীৰাজ বৰ্মন ( সম্পাদক লঘু খেল বিভাগ ) ৰঘুদেৱ দাস ( আলোচনী সম্পাদক )।

**( আলোক চিত্ৰত নথকা সকল )**

**তত্ত্বাবধায়ক অধ্যাপক** ঃ-সৰ্ব্বশ্ৰী উমেশ চন্দ্ৰ দাস, উৎসৱানন্দ দাস, নৱবাহাদুৰ ছেত্ৰী, উমেশ শৰ্মা আৰু আব্দুল হাকিম।

**ছাত্ৰ-ছাত্ৰী বিষয়ববীয়া** ঃ- সৰ্ব্বশ্ৰী নজৰুল ইছলাম, কুলেন তালুকদাৰ আৰু জয়ন্ত ঠাকুৰীয়া।

# সূচী পত্ৰ


| নাম | | লেখক | | পৃষ্ঠা |
|---|---|---|---|---|
| **প্ৰবন্ধমালা :** | | | | |
| গোৱাল পৰীয়া লোকগীত | ... | শ্ৰীবিনোদ পাঠক | ... | ১ |
| কম্পিউটাৰ বৈজ্ঞানিক আৱিষ্কাৰৰ এটি সফল প্ৰজন্ম | ... | অধ্যাপক প্ৰভাত চক্ৰৱৰ্ত্তী | ... | ৫ |
| সময়ৰ মূল্য | ... | হানিফ উদ্দিন আহমেদ | ... | ৯ |
| আহোম সকল আৰু তেওঁলোকৰ শাসন ব্যৱস্থা | ... | অধ্যাপক আব্দুছ ছামাদ আলী | ... | ১২ |
| সংগ্ৰাম | ... | এম, আবুল কালাম আজাদ | ... | ১৮ |
| **কবিতা কৰণি :** | | | | |
| ৰঙাফুল | ... | ৰহমত আলী মণ্ডল | ... | ২১ |
| কেইটিমান অন্তৰংগ ক্ষণ | ... | অধ্যাপিকা কল্যাণী দাস | ... | ২২ |
| প্ৰতিদান | ... | মধু দাস | ... | ২৩ |
| অধীৰ অপেক্ষা | ... | ধৰ্ম কান্ত ঠাকুৰীয়া | ... | ২৩ |
| জোন বাই এ | ... | আব্দুল মান্নাফ আহমেদ | ... | ২৭ |
| প্ৰেমৰ স্তবক | ... | নমিতা দাস | ... | ২৪ |
| ব্যস্ততা | ... | তীৰ্থলোচন মেধি | ... | ২৫ |
| এটি শিশু | ... | এম. কে. এ. মণ্ডল | ... | ২৬ |
| আমি স্বদেশৰ নবসত্তা | ... | বিপুল প্ৰসাদ চৌধুৰী | ... | ২৭ |
| এতিয়া সিহঁতে চিনি পালেনে ? | ... | প্ৰতিভা ৰাণী গোস্বামী | ... | ২৭ |
| স্বহীদ | ... | ৰজিত পাটোৱাৰী | ... | ২৮ |
| তেতিয়াৰ হলেও যেন এতিয়াৰ | ... | আব্দুল হক আহমেদ | ... | ২৮ |
| চানেকি | ... | গীতাশ্ৰী দাস | ... | ২৯ |
| বিপ্লবীৰ আহ্বাহন | ... | ধৰিত্ৰী মেধি | ... | ৩০ |
| **গল্প গুচ্ছ :** | | | | |
| আশা | ... | নমিতা দাস | ... | ৩৩ |
| পৰিবৰ্তন | ... | অমিতাভ দাস | ... | ৩৮ |
| বিদুৰ | ... | অধ্যাপক বীৰেন্দ্ৰ কুমাৰ দাস | ... | ৪২ |
| স্বীকাৰোক্তি | ... | দিলীপ কুমাৰ শৰ্মা | ... | ৪৮ |
| বিকল্প | ... | অৱনী কুমাৰ কলিতা | ... | ৫৩ |

| নাম | লেখক | পৃষ্ঠা |
|---|---|---|
| **সাক্ষাৎকাৰ ঃ** | | |
| অভিনেতা প্ৰাঞ্জল শইকীয়াৰ সৈতে সাক্ষাৎকাৰ। | সাক্ষাৎ গ্ৰহণত ৰঘুদেৱ দাস আৰু কুলেন তালুকদাৰ | ৬১ |
| সুসাংবাদিক তিলক হাজাৰিকা দেৱৰ লগত এখন্তেক। | সাক্ষাৎ গ্ৰহণত অধ্যাপক ফণীধৰ তালুকদাৰ আৰু সম্পাদকদ্বয় | ৬৫ |
| **সম্পাদকীয় প্ৰতিবেদন সমূহ** | | |
| সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | জয়ন্ত ঠাকুৰীয়া | ৭১ |
| সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | নজৰুল ইছলাম | ৭৩ |
| সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | এম. আবুল কালাম আজাদ | ৭৪ |
| সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | উত্তম কুমাৰ সাহা | ৭৫ |
| সাংস্কৃতিক আৰু সুকুমাৰ কলা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | উৎপল দাস | ৭৬ |
| গুৰু খেল বিভাগন সম্পাদকৰ প্ৰতিবেদন | ৰণদীপ তালুকদাৰ | ৭৭ |
| লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | ধীৰাজ কুমাৰ বৰ্মণ | ৭৮ |
| সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | ইজ্জত আলি মণ্ডল | ৭৯ |
| ছাত্ৰ জিৰণী কোঠা সম্পাদকৰ প্ৰতিবেদন | ৰাহাজ উদ্দিন মণ্ডল | ৮০ |
| মহাবিদ্যালয় সপ্তাহ সমাৰোহৰ বিভিন্ন বিভাগৰ প্ৰতিযোগিতাৰ ফলাফল সমূহ | | ৮১ |

# সম্পাদকীয়

বিংশ শতিকা শেষ হওঁ হওঁ। একৈশ শতিকাক আদৰিবলৈ কৰা অবিৰত প্ৰচেষ্টা। সময়ে দিয়া লাভ লোকচানৰ এক দুৰ্বোধ্য সমীকৰণ। কম্পিউটাৰ, চেটেলাইট, স্পেছচাটল আদি যন্ত্ৰ-সৰ্বস্ব সৃষ্টিশীল সভ্যতাৰ খদমদম। আনহাতে টেংক, মিছাইল, গোলাবাৰুদ জাতীয় ধ্বংসাত্মক মাৰণাস্ত্ৰৰ দানবীয় কছৰৎ। অধিকাৰ সাব্যস্ত কৰিবলৈ ৰাজপথত জনতাৰ মিছিল। ছ্যান'মিল, ভুপাল আদি ঠাইত সংঘটিত হোৱা মানৱ সৃষ্ট বিভীষিকা। সংকীৰ্ণমনা ৰাজনীতিৰ প্ৰাদুৰ্ভাৱ। দুৰ্নীতিৰ 'লিউকেমিয়া'। মূৰৰ ওপৰত এক ভয়াবহ বিপদৰ আগজাননী য'ত মানৱৰ স্থিতি হয়তো মুহূৰ্ত্ততে বিপদাপন্ন হোৱাৰ আশংকা।

মানবীয় প্ৰমূল্যবোধসমূহ লোপ পাবৰ উপক্ৰম। হিংসা-হিংসি, খিয়ালা-খিয়ালী আদি অপগুণবোৰৰ পৰা মানুহ মুক্ত হব পৰা নাই। নৈতিকতাৰ বান্ধোন ঢিলা হব ধৰিছে। আধুনিক যুক্তিৰে নৈতিকতাকো মোহাৰি পেলোৱা হৈছে। কৰুণা, দয়া, মমতা আদি মানবীয় সৎ গুণবোৰ আহৰণ কৰা মানুহৰ সংখ্যা ক্ৰমাগতভাৱে কমি যাব লাগিছে। ন্যায় বিচাৰ পাবলৈ নিৰ্দোষী জনেও দুখ ভোগ কৰিব লাগিছে। কোনো কাৰণ নোহোৱাকৈয়ে মানুহে মানুহক হত্যা কৰিব লাগিছে। সংকীৰ্ণতাৰ ঠেক গণ্ডীৰ ভিতৰত আবদ্ধ হৈ থকা চৰকাৰী যন্ত্ৰই তাক ৰোধ কৰিব পৰা নাই। শান্তি ৰক্ষাৰ নামত হত্যা, লুণ্ঠন, ধৰ্ষণ চলাইছে শান্তি ৰক্ষকেই নিশাৰ এন্ধাৰৰ সুযোগলৈ। চাৰিওফালে এক বিস্ফোৰণমুখী আবহাৱা বৰ্ত্তমান।

সমগ্ৰ ৰাজনৈতিক আকাশ ভণ্ডামীৰে ভৰি পৰিছে। চোৰ, ডকাইত আদিও ডাঙৰ ডাঙৰ নেতা হৈছে। দেশৰ কৰ্ণধাৰ সকল দুৰ্নীতিত লিপ্ত হৈছে। দেশৰ টকা বিদেশী বেংকত নিজৰ একাউন্টত জমা থৈছে। এনে এটা বিভাগ নাই য'ত 'কৰাপচন' হোৱা নাই। মানুহৰ শিৰাই শিৰাই দুৰ্নীতিৰ কণা বিয়পিছে। সাম্প্ৰদায়িক সংঘৰ্ষই পোখা মেলিছে। দেশৰ মানুহ ধৰ্মৰ নামত, আঞ্চলিকতাবাদৰ নামত ভাগ ভাগ হৈছে। দেশৰ স্বাৰ্থতকৈ গোষ্ঠীগত স্বাৰ্থই আগস্থান পাইছে। দেশ ভ্ৰমণৰ নামত দেশৰ কোটি কোটি টকা বিনা কাৰণত পানীত পেলাইছে। অথচ দেশৰ গৰিষ্ঠ সংখ্যক জনতাই এটুকুৰা ৰুটিৰ বাবে হাহাকাৰ কৰিব লগা হৈছে।

দেশীয় সংস্কৃতিত কৰ্কট ৰোগৰ বীজাণু বিয়পিছে। সংস্কৃতিৰ নামত অপ সংস্কৃতিয়ে বেঢ়ি ধৰিছে। আজিৰ মানুহে ঘৰৰ ভিতৰত সোমাই থাকিও 'ডিস্ক' সংস্কৃতি কৰিছে। পশ্চিমীয়া ঢং আয়ত্ত কৰিবলৈ দেহে-দেহে লাগিছে। মহাত্মা গান্ধীৰ 'বিদেশী বস্ত্ৰ বৰ্জন' জাতীয় কথাক ভৰিৰে গুচিয়াইছে।

অৰ্থনৈতিক দিশত জনসাধাৰণ জুৰুলা হৈছে। মুষ্টিমেয় লোক ক্ৰমাত ধনী হৈ গৈ আছে। বস্তুৰ দাম দিনে দিনে অভাবনীয়ভাৱে বাঢ়ি গৈ আছে। নিবনুৱাৰ সংখ্যা দিনে বৰ্দ্ধিত হাৰত

বাঢ়িছে। আমি তথাকথিত 'কম্পিউটাৰৰ যুগ'ত প্ৰবেশ কৰিছো বুলি নিতৌ নতুন নতুন শ্লʼগান ৰচিত হব ধৰিছে।

নতুন শিক্ষানীতি বলবৎ হৈছে 'নব'দয়' বিদ্যালয় স্থাপন হৈছে। অথচ সাধাৰণ গাওঁলীয়া বিদ্যালয়বোৰ জহি-খহি যাব ধৰিছে। বতাহ বৰষুণৰ কাৰণে স্কুল বন্ধ দিয়া হৈছে।

ইয়াৰ নিৰাময়ৰ উপায় নাই নে? নিশ্চয় আছে। প্ৰতিকাৰৰ চাবি কাঠি আমাৰ হাততেই। উন্নত মগজু সমৃদ্ধ মানুহ নামৰ যন্ত্ৰটোৰ দ্বাৰাই ইয়াৰ সফল 'অস্ত্ৰোপচাৰ' সম্ভৱ। মাথো হব লাগিব মানবীয় মূল্য বোধৰ সৃষ্টিশীল বিশ্লেষণ। হিংসা, কপটতা, অন্যায়ৰ সমাধিত সিচিব লাগিব নৈতিকতা, মহানুভৱতাৰ সইচ। সাম্য, মৈত্ৰী আৰু বিশ্ব ভাতৃত্বৰ মহান বাণীৰে উৎবুদ্ধ হব লাগিব দেশৰ জনসাধাৰণ। শোষিত নিৰ্যাতিত আৰু নিষ্পেষিত সকলোকো মানবীয় প্ৰমূল্যৰে তেওঁলোকৰ সমান অধিকাৰৰ বাবে মাত মাতিব লাগিব। দেশৰ সকলোৱে অন্ততঃ দুবেলা দুমুঠি অন্ন, এটুকুৰা বস্ত্ৰ পাব লাগিব। ধ্বংস মুখৰ পৃথিৱীখনৰ শান্তিৰ কপৌজুৰীক আদৰিব লাগিব ; ছাত্ৰ সকলেও অন্ততঃ পঢ়াৰ শেষত কিবা এটা সংস্থান পাবই লাগিব। শ্ৰমৰ অধিকাৰ মৌলিক অধিকাৰ হব লাগিব। সংস্কৃতি হব লাগিব উন্মুক্ত য'ত বিচাৰি পাব লাগিব বিশ্ব সংস্কৃতিৰ সামগ্ৰীক মূল্যায়ন। কৰ্মক্ষেত্ৰত নিয়োজিত সকলে সেৱাৰ মনোভাৱক বিসৰ্জন দিব নালাগিব। এখন শোষণ বিহীন সমাজ গঢ়াৰ বাবে আমি সকলোৱে বদ্ধ পৰিকৰ হব লাগিব।

উপৰুক্ত শব্দবোৰ, অনুভূতিবোৰ বিষাক্ত খাদ্য বুলি ধৰি নললে মানুহ নামৰ উচ্চ স্তৰৰ প্ৰাণী বিধৰ মস্তিষ্কত দেখা দিয়া "ব্ৰেইনটিউমাৰ"ৰ উপসৰ্গ আৰ্তৰাবলৈ আন মহৌষধৰ প্ৰয়োজন নিশ্চয় নহব। "দেশ খন গ'ল কিবা এটা কৰ' বুলি চিঞৰিলেই সমস্যাৰ সমাধান নহয়। তেনেকৈ চিঞৰাৰ আগতে সেই "কিবা" খিনি কৰি যোৱাটোহে জ্ঞানীজনৰ কাম হব। মূঠৰ উপৰত আজিৰ নতুন পুৰুষে আওঁপুৰণি ভেটি খহাই নতুনকৈ বান্ধিবৰ হ'ল। এক নতুন প্ৰজন্মৰ নতুন বিশ্লেষণাত্মক মনোভাবৰ জন্ম দিবৰ হ'ল। পুৰণি ধাৰণাক বুকুত সাৱতি লৈ সংশোধিত ধ্যান ধাৰণাক আকোঁৱালি নললে আমি কেবা শতিকাও পিছুৱাই যাব লাগিব।

সদৌ শেষত ক্ষোভৰ ফিৰিঙতিবোৰ দমাই ৰাখিব নোৱাৰাৰ অপৰাধত দোষী সাব্যস্ত হৈ আপোনালোকৰ পৰা ক্ষমা বিচাৰিছো। লগতে এই অভাজন দ্বয়ৰ হাতত 'আলোচনী সম্পাদক'ৰ দৰে মহান তথা গধুৰ দায়িত্ব দিয়া বাবে আমাৰ কলেজৰ মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা গুৰুসকল আৰু ছাত্ৰ-ছাত্ৰীসকললৈ আমাৰ ফালৰ পৰা ধন্যবাদ যাচিছো।

## আলোচনী সম্পৰ্কে দুআষাৰ ঃ

মহাবিদ্যালয় এখনৰ আলোচনী এখন সৰ্বাঙ্গ সুন্দৰ কৰি তুলিবলৈ হলে বাচকবনীয়া গল্প, কবিতা, আৰু চিন্তা গধুৰ মৌলিক প্ৰবন্ধ পাতিৰে ৰমক জমক হোৱাটো সকলোৰে কাম্য। কিন্তু দুখৰ বিষয় আমি এই ক্ষেত্ৰত যিমানখিনি সফল কাম হব লাগিছিল সিমানখিনি হব পৰা

নাই। অৱশ্যে সেই দোষ আমাৰ ইচ্ছাকৃত নহয়। আমি বিভিন্ন সময়ত কেবা বাৰো জাননী যোগে মহাবিদ্যালয়ৰ, শিক্ষক, ছাত্ৰ-ছাত্ৰীসকলৰ পৰা লেখা বিচাৰিও সময়ৰ মূৰত হতাশ হব লগীয়া হৈছিলোঁ। যিখিনি পাইছিলোঁ তাৰো কিছু সংখ্যক উপযুক্ত মানদণ্ডৰ বিবেচিত নোহোৱাত আলোচনীখন প্ৰকাশৰ পথেই রুদ্ধ হোৱাৰ উপক্ৰম হৈছিল। সি যিকি নহওঁক তাৰেই গোটা-চেৰেক বাচি সময়মতে উলিয়াবৰ যৎপৰোনাস্তি চেষ্টাৰ ফলত আমাৰ প্ৰয়াস সফল হ'ল। আলোচনীখন প্ৰকাশৰ গধুৰ দায়িত্বত থকা তত্বাবধায়ক চাৰ শ্ৰীফণীধৰ তালুকদাৰৰ দিহা পৰামৰ্শ অনস্বীকাৰ্য্য। তেখেত হঠাতে এই মহাবিদ্যালয় এৰি যোৱাত শ্ৰদ্ধেয় শ্ৰীবীৰেন্দ্ৰ কুমাৰ দাস চাৰে বাকীখিনি কাম সম্পাদন কৰাত আমাক যথোচিত সহায় কৰে। তেখেতলৈ আমাৰ কৃতজ্ঞতা থাকিল।

আলোচনীখন প্ৰকাশৰ বিভিন্ন দিশত দিহা পৰামৰ্শ আগবঢ়োৱাৰ বাবে অধ্যাপক ৰঞ্জিত কুমাৰ বৰা, অধ্যাপক উমেশ চন্দ্ৰ কৰ, অধ্যাপক হবিব উল্লাহ, আমাৰ বন্ধু খনীন্দ্ৰ, ছাহিদুল, অৱনী আৰু বান্ধৱী গীতা, উযালৈ আমাৰ আন্তৰিক কৃতজ্ঞতা তথা ধন্যবাদ জনাইছোঁ। বহু-মূলীয়া সময় নষ্ট কৰি প্ৰবন্ধ পাতি চাই দিয়া বাবে অধ্যাপক ভাৰত কলিতা, অধ্যাপক অমূল্য শইকীয়া, অধ্যাপিকা দীপ্তি ৰেখা পাঠক আৰু অধ্যাপিকা কল্যাণী দাসৰ শলাগ লৈছোঁ।

আমাৰ সকলোৰে দাদাসম ক্ষীৰেন দাই চৌতে খৰমাৰি হলেও আলোচনীখনৰ পাণ্ডুলিপিটো প্ৰস্তুত কৰি দিয়া বাবে তেওঁকো মনত পেলাইছো এই খিনিতেই।

"জয়তু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়"

॥ **জয়হিন্দ** ॥

ধন্যবাদেৰে
শ্ৰীকুলেন তালুকদাৰ
শ্ৰীৰঘু দেৱ দাস।
সম্পাদকদ্বয়

# ॥ সুচী পত্ৰ ॥

## প্ৰবন্ধমালা ঃ


গোৱালপৰীয়া লোক গীত।

কম্পিউটাৰ ঃ বৈজ্ঞানিক আৱিষ্কাৰৰ এটি সফল প্ৰজন্ম।

সময়ৰ মূল্য।

আহোম সকল আৰু তেওঁলোকৰ শাসন ব্যৱস্থা।

সংগ্ৰাম

শ্ৰী বিনোদ পাঠক

অধ্যাপক প্ৰভাত চক্ৰৱৰ্তী।

হানিফ উদ্দিন আহমেদ।

অধ্যাপক আব্দুহ হামাদ আলী

এম, আবুল কালাম আজাদ।

# গোৱালপৰীয়া লোকগীত

শ্ৰীবিনোদ পাঠক
স্নাতক প্ৰথম বাৰ্ষিক

ডঃ বাণীকান্ত কাকতিয়ে অসমীয়া কথিত ভাষাক উজনি অসমৰ ভাষা আৰু নামনি অসমৰ ভাষা—এই দুটা ভাগত ভগাইছে। কিন্তু প্ৰকৃততে গোৱালপৰীয়া ভাষাৰ, কামৰূপী ভাষাৰ লগত যথেষ্ট পাৰ্থক্য আছে। গোৱালপৰীয়া ভাষাৰ নিজস্ব বৈশিষ্ট্য আছে। কামৰূপী উপভাষা আৰু ৰাজবংশী ভাষাৰ সম্মিলত গঢ়ি উঠা গোৱালপৰীয়া ভাষা এটি সুকীয়া উপভাষা। এই ভাষাত ৰাভা, বড়ো, গাৰো, লালুং, হাজং আদি জন-জাতীয় ভাষা আৰু কিছুপৰিমাণে বঙলা ভাষাৰো প্ৰভাৱ পৰিছে। তথাপিতো গোৱালপৰীয়া উপভাষা অসমীয়া ভাষাৰেই অন্তৰ্গত। অতিজৰ পৰাই গোৱালপাৰা জিলাই অসমীয়া সংস্কৃতিৰ ক্ষেত্ৰত আগভাগ লৈ আহিছে। ইয়াত প্ৰচলিত লোকগীতবোৰে তাকেই সূচায়। অসমৰ লোকগীতসমূহক সাংগীতিক দিশৰ পৰা কোমল গান্ধাৰ আৰু শুদ্ধ গান্ধাৰ এই দুটা মুখ্য ভাগত ভাগ কৰিব পাৰি। শুদ্ধ গান্ধাৰৰ শ্ৰেণীত পৰে-গোৱালপৰীয়া লোকগীত, কামৰূপী লোকগীত, নাওখেলাৰ গীত, বিহুগীত, কামৰূপী ওজাপালি, কামৰূপৰ ৰামধুন পিতাগীত, বড়োগীত, দেহবিচাৰৰ গীত আদি। তাৰ ভিতৰত সবাতোকৈ শুদ্ধ গান্ধাৰৰ অসমীয়া লোকগীত হ'ল গোৱালপৰীয়া লোকগীত। তদুপৰি অসমীয়া লোকগীতবোৰৰ ভিতৰত গোৱালপৰীয়া লোকগীতেই বেছি জনপ্ৰিয় আৰু পুৰণি। এই লোকগীতবোৰত গোৱালপৰীয়ালোকৰ জীৱনৰ এটি সুন্দৰ ছবি প্ৰতিফলিত হয়। এই লোকগীতবোৰত গোৱালপাৰাৰ বেপাৰী, খৰিকটীয়া, মাছমৰীয়া গাড়ীয়াল, মৈষাল (মহৰখীয়া) মাহুত (মাউত) আদি সাধাৰণ মানুহৰ জীৱনৰ কথাই ভৰি আছে। এই লোকগীতবোৰ গৌৰীপুৰৰ কথিত ভাষাত ৰচিত যদিও গোৱালপাৰা জিলাৰ সকলো অঞ্চলতে এইবোৰৰ প্ৰচলন আছে।

গোৱালপৰীয়া লোকগীতবোৰক প্ৰধানকৈ চাৰিটা ভাগত ভগাব পাৰি — ১। দেহতত্ব ২। নৰন্যাস গীত ৩। ভাৱায়া আৰু ৪। চটকা।

দেহতত্বমূলক গীতবোৰত আধ্যাত্মিকতা আৰু আন তেনে তত্ত্ব কিছুমানৰ অপূৰ্ব সমন্বয় দেখা যায়। এইবোৰ গীত সাধাৰণতে টোকাৰী বজাই বৈৰাগীসকলে গাঁৱে-ভুঞে গাই গাই জন সমাজত আধ্যাত্মিক জ্ঞান প্ৰচাৰ কৰে। এইবোৰ গীতৰ মাজেৰে এই ভৱ সংসাৰৰ প্ৰতি বিৰূপ ভাৱ প্ৰকাশিত হয়। যেনে—

একবাৰ হৰিবলো মন ৰসনা।
মানৱ দেহেৰ গৈৰৱ কৰোনা ॥
মানৱ দেহা মাটিৰ ভাণ্ড
ভাঙিলে হৈব খণ্ডোৰো খণ্ড,
ভাঙিলে দেহা জোৰা নিবে না ॥

প্ৰকৃতি লোকগীতৰ বিচিত্ৰ উপাদান। সেয়েহে

বোধকৰো নিৰক্ষৰ গাঁওলীয়াই ৰচি যোৱা এইবোৰ গীতক কোনো কোনোৱে প্ৰকৃতিৰ প্ৰতি সজাগী বুলিও বৰ্ণনা কৰিছে। গছ-গছনি, ফুল-ফুল, চৰাই-চিৰিকতি আদিৰ লগত নিবিড়তম সম্বন্ধ থকা এই লোকগীতবোৰক নৰন্যাসগীতি বোলে। যেনে —

গাছেৰ বসন্ত কালেৰে ভৰিয়া উঠে পাতা।
নাৰীৰ বসন্ত কালে হাসিঁয়া কয় কথা ॥

ভাৱায়া গীতৰ দীঘলীয়া সুৰ উদাস আৰু কৰুণ, প্ৰধানতঃ প্ৰণয়মূলক। এই গীতবোৰত পোৱাৰ বাসনা আৰু নোপোৱাৰ বেদনা ফুটি উঠিছে। বিশেষত নাৰী মনৰ গোপন হতাশীভাৱ এই গীতবোৰত প্ৰকাশ পায়। যৌৱনৰ উদ্দাম বাসনা, মিলনৰ তীব্ৰ আকাংক্ষা, বিৰহৰ উত্তাপ, প্ৰেমৰ আকুতি আৰু কমোৱা তুলাৰ দৰে উৰি ফুৰা মনৰ সম্যক প্ৰকাশ—এইবোৰ ভাৱায়া গীতত পৰিলক্ষিত হয়। এইবোৰ গীতৰ নায়ক সাধাৰণ মহৰখীয়া ( মৈষাল ), গাড়ীচালক (গাড়ীয়াল), নাৱৰীয়া (নায়া), মাউত (মাহুত) আদি নায়ক নায়িকা। যেনে—

১। মৈষ চাৰাণ মোৰ মৈষাল বন্ধু
ৰৌদ্ৰেৰ তাপে ফুৰে।
তোৰ দুখ দেখিয়া আমাৰ বন্ধু

২। অৰে ছাৰিয়া নাযাইস অৰে কন্যা
মোৰ বুকে শেল দিয়া ॥
পাগল গাণ্ডে ছৰিয়া গেইলে
মৰিম বুকে শেল দিয়া ॥

৩। হস্তী নৰান হস্তী ছৰান
হস্তীৰ গলাই দৰি
অৰে সত্য কৰিয়া কইলাম কন্যা
বিয়া নাহি কৰি ॥

৪। আমাৰ বাৰীতে যাইস মাহুতৰে
খাইতে দিম চিকন চিৰা
মাহুতৰে বসতে দিব পীৰা।
আৰো দিব গোৱালপাৰাৰ টেঙা দৈ
গৌৰীপুৰেৰ মালভোগ কলাৰে।

৫। লামদিনি পামাচু ৰাঙ্গাৰি গ্ৰোংয়া।
লাত্তি খুৰাং নাদংবে দেহা গন্নি ৰেংয়া।
( ৰাভাগীত )

চটকা গীতৰ ভাব আৰু বিষয় বস্তু যেনেকৈ লঘু তাৰ ছন্দ আৰু সুৰতো পৰম্পৰতা দেখা যায়। এই গীতৰ ভিতৰত এক শ্ৰেণীৰ খুহতীয়া গীত প্ৰভুতভাৱে জনপ্ৰিয়। মাইকী মানুহৰ মাজত বিশেষকৈ ইছলাম সমাজত বিবাহ উৎসৱত নৃত্যৰ সহযোগত গোৱা এবিধ সৰু সৰু গীতো চটকা গীতৰ ভিতৰত পৰে। যেনে –

অ কন্যা ছাদীত নাই যদি
তোৰ বসিবাৰ মন
তবে আমি কি কৰি।
বাইগান গাছে উঠিয়া কন্যা
গলায় নাগান দৰি ॥

অসমৰ অন্যান্য ঠাইৰ দৰে গোৱালপাৰাতো বিহুগীত আৰু বনগীতৰ প্ৰচলন আছে। ৰঙালী বিহুত গোৱালপৰীয়াসকলে গৰুক গা ধুৱতে নিজা সুৰত "দীঘলতি দীঘল পাত···" গায়। বিভিন্ন অঞ্চলত আজিকালি বিহুগীতৰ পূৰ্ণ প্ৰচলন দেখা যায়। দক্ষিণ গোৱালপাৰাৰ দুধনৈ, আমজোঙা, দৰংগিৰি, খাৰুসুতা আদি অঞ্চলত ৰাভা আৰু বড়োসকলে তেওঁলোকৰ নিজা ভাষাৰ উপৰিও অসমীয়াতে গোৱা বিহুগীতৰ প্ৰচলন অতি জনপ্ৰিয়। ডুবাপাৰা, অভয়াপুৰী, শিমলীতোলা, কামাৰপোতা আদি অঞ্চল বিহুগীতত বিখ্যাত। কামৰূপ আৰু দৰঙৰ দৰে গোৱালপাৰা জিলাতো মহোহো বা মহ খেদোৱা উৎসৱ আঘোন মাহত অনুষ্ঠিত হয়। হিন্দুসকলে আঘোন মাহৰ পূৰ্ণীমাত আৰু মুছলমান সকলে কৃষ্ণপক্ষত বিভিন্ন গীত গাই ঘৰেঘৰে মহ খেদি ফুৰে আৰু সিইঁতক চাউল নাইবা পইচা

াদ বিদায় কৰে। মহোহোৰ গীতৰ উদাহৰণ —

১। অৰে গিৰিঘৰীয়া
আমি হৈছো কামাৰ পতীয়া
কামাৰ পতীয়াৰ তেলে মমবাতি জ্বলে···

মুছলমান সকলে মহোহো গোৱা গীতৰ উদাহৰণ—

১। কান কান কান কুকুৰ কান
ছাগল বান্ধা দৰি আন
ছাগল নিলে শিয়ালে,
বুঢ়ি কান্দে বিহানে······।

ইয়াৰ উপৰিও গৃহস্থক নানা আশীৰ্বাদ দিয়ে। যেনে—

১। কুশল হওঁক,
আয়ু শ্ৰী হওঁক।
গোহালিত গৰু হওঁক
ভাখৰিত ধান হওঁক
বেটা বেটি হওঁক
জয় কৃষ্ণক স্মৰণ কৰি
হৰি বলা বলা।

গোৱালপাৰা জিলাত কমলা কুৱৰী, মনিকোঁৱৰ, ফুলকোঁৱৰ আদিৰ গীতো প্ৰচলিত। উদাহৰণ স্বৰূপে কমলা কুৱৰীৰ -

কমলা কুৱৰী মোৰ প্ৰাণেশ্বৰী এ—
পানী কিমান হ'ল।
মোৰ প্ৰাণেশ্বৰ ৰাজা এ
পানী খাবে গাঠি হ'ল।

১। নাও খেলাৰ গীত :
ও সাধেৰ কানাই কানাইৰে
পাৰ কৰি দে মথুৰাত যাই।

২। সনাই যাত্ৰাৰ গীত :
যাও বৰ ধনেৰে সনাই যাও মোৰ ধন
যাৰ ঘৰে নাও বাই তাৰ জীৱন নিস্ফল।

৩। সোনাৰায় গীত ( বড়ো ) :
মৌছা ৰাজা আৰু নায় নাঙা
নৈজা হাগ্ৰা আৰু নয় নাঙা
ভাওন তিমন্দা হৰবলা।

৪। নয়নামতীৰ গীত :
আনেৰ মাও বইন বলে বেটা ভালে থাউক
তোমাৰ ঘৰেৰে নিৰমি বুঢ়ি কম সদায়
বৈৰাগ হউক।

৫। কুশান গীত :
হৰিশ্চন্দ্ৰ ছাৰি দিলা কন্যা পাঞ্চজন।
হৰিশ্চন্দ্ৰ নিকট মনি কৰিলা গমন॥

৬। ভাসনা যাত্ৰাৰ গীত :
চান্দ বোলে শুনা লেংগা আমাৰ উত্তৰ।
সৰ ভাসাইয়া সেও গুঞ্জৰী সাগৰ॥

৭। নয়ণ শাড়ি গীত :
যমুনাত নৌকা যায় বলাই মোহন
বৈঠাত পঞ্জনি কাজে জুৰায় শ্ৰৱণ।

৮। বিয়া নাম : হৰিহে চালেৰে কোমোৰা বৰটো
(অসমীয়া) ধুমুৰা
কইনাটো আকাশৰ তৰা বাপু ৰামেশ্বৰ
কথালৈ কান কৰ।

৯। আইনাম : নাম ধৰে নামতী
নামত কেনে হেলা।
উঠিয়া উঠিয়া ককাল বান্ধে
প্ৰসাদ খাবৰ বেলা॥

১০। হাউখেলাৰ গীত :
ঐ তলে নাযাবি ঔ সৰিব,
বাতৰ মানুহক নজকাবি
জেঙা লাগিব।

গোৱালপৰীয়া লোকগীতৰ বিষয়ে ইমান ক্ষুদ্ৰ পৰিসৰৰ প্ৰবন্ধ এটাতে বিস্তৃত আলোচনা সম্ভৱ নহয়। ইয়াৰ বাবে বহল আলোচনাৰ আৰু

গবেষণাৰ প্ৰয়োজন। এই বিষয়ত ডঃ বীৰেন্দ্ৰ নাথ দত্তৰ গোৱালপৰীয়া ভাষা সংস্কৃতিৰ উন্নতিত প্ৰচেষ্টা চলাই ভাষা সংস্কৃতিৰ ভঁৰাল চহকী কৰাত তেওঁৰ আদৰ্শ শলাগ লবলগীয়া।

আশা ৰাখিছোঁ অদূৰ ভৱিষ্যতে স্থানীয় গোৱাল-পৰীয়া তথা অসমৰ অন্যান্য ঠাইৰ বিদ্বান পণ্ডিত সকলে গোৱালপৰীয়া লোকগীতৰ বিষয়ে অধ্যয়ন তথা গবেষণা কৰিবলৈ আগবাঢ়ি আহিব, গোৱাল-পৰীয়া লোকগীত চিৰদিনেই অসমীয়া সংস্কৃতিৰ বেদীলৈ পুষ্পাঞ্জলী দি থকাৰ সুবিধা পাব।

আমাৰ দেশত আজি যে সাহিত্যাই গা কৰিব পৰা নাই, মোৰ মনেৰে তাৰ ঘাই কাৰণ হৈছে আমি জাতীয় চৰিত্ৰৰ বিষয়ে কোনো কথা নভবাকৈ সাহিত্যৰ উন্নতি কৰিব খোজোহঁক। এনে কৰা কিন্তু অসম্ভৱ। সাহিত্যাই যেনেকৈ জাতীয় চৰিত্ৰ ৰক্ষা আৰু বিকাশ কৰে সেইদৰে জাতীয় চৰিত্ৰইহে আকৌ সাহিত্যৰ জন্মক্ষেত্ৰ ৰচনা কৰে।

হেমচন্দ্ৰ গোস্বামী
সভাপতি, অসম সাহিত্যসভা
চতুৰ্থ অধিবেশন ১৯২০ তেজপুৰ

# কম্পিউটাৰ

## বৈজ্ঞানিক আবিষ্কাৰৰ এটি সফল প্ৰজন্ম

অধ্যাপক প্ৰভাত চক্ৰবৰ্ত্তী

বিশ্বত যিদিনা প্ৰাণীৰ সৃষ্টি হৈছিল সিদিনাৰে পৰাই এই প্ৰাণীসমূহৰ প্ৰয়োজনবোধ গঢ়ি উঠিছিল আৰু মানুহ নামৰ প্ৰাণীটোৰ বাবে এই প্ৰয়োজন-বোধেই যুগে যুগে মানুহক নতুন নতুন সমস্যাৰ সন্মুখীন হবলৈ বাধ্য কৰিছে আৰু কোনো প্ৰকাৰে তাৰ সমাধান নিৰ্ণয় হৈছেগৈ। বিভিন্ন সমস্যাৰ সমাধানৰ মাজেৰেই মানৱ সভ্যতাৰ ধাৰাই একো-একোটা বিকাশৰ স্তৰলৈ আগবাঢ়িছে আৰু কোনোবা এটা বিশেষ স্তৰত মানুহৰ বাবে হিচাপ ৰক্ষণৰ প্ৰয়োজনবোধ গা কৰি উঠিছে। সম্ভৱতঃ এই সমস্যাৰ প্ৰাথমিক সমাধানৰ উদ্দেশ্যে তেওঁলোকে শিলগুটি নাইবা গছৰ পাত নাইবা কড়ি নামৰ এক প্ৰকাৰৰ সাগৰীয় প্ৰাণীৰ খোল ব্যৱহাৰ কৰিছিল। সময়বোৰ অতীত হৈ হৈ এনে এটা যুগ আহিল যেতিয়ানেকি মানুহে গণনাৰ বাবে সংখ্যা আৱিষ্কাৰৰ প্ৰয়োজনবোধ কৰিলে আৰু কিছুমান সাংকেতিক চিনেৰে এই সমস্যাৰ সমাধানৰ চেষ্টা কৰা হ'ল। এনেতে প্ৰয়োজন হৈ পৰিল এটা সুপ্ৰতিষ্ঠিত পদ্ধতি যাৰ সহায়ত সাংখ্যিকভাৱে হিচাপসমূহ প্ৰকাশ কৰিব পাৰি আৰু তাৰ লগতে কিছুমান প্ৰক্ৰিয়া-যোগ-বিয়োগ-পূৰণ-হৰণ আদিৰে এই সংখ্যাসমূহক ব্যৱ-হাৰিক ক্ষেত্ৰত যাতে সুনিপুণভাৱে প্ৰয়োগ কৰিব পাৰি তাৰ এটা সুস্থ মৌলিক চিন্তাও কৰিব লগা হ'ল। আমিও জানি সুখী হ'ম—এই সুপ্ৰতিষ্ঠিত সংখ্যা পদ্ধতিৰ মৌলিক তত্বৰ প্ৰাথমিক চিন্তাৰ পূৰ্ণাংগ বিকাশ আমাৰ দেশ, এইখন ভাৰতবৰ্ষতে হৈছিল। একৰ পৰা নলৈ অংক ৰাশিসমূহে প্ৰাচীন ভাৰতীয় অংকশাস্ত্ৰৰ এটা উজ্জ্বল দৃষ্টান্তকেই প্ৰকাশ কৰে। তেতিয়া আন এটা বিশেষ আৰু জটিল সমস্যাৰ সন্মুখীন হবলগীয়া হ'ল—এটা ধনৰাশি আৰু একেবিধৰ ঋণৰাশিৰ যোগ-প্ৰক্ৰিয়াৰ ফলটোনো কি, বাৰু? তাৰ নাম দিয়া হ'ল—খঃ অৰ্থাৎ আকাশ আৰু পিছলৈ সেয়ে শূন্য নাম পালেগৈ। ইয়াৰ বাবেও প্ৰাপ্য গৌৰৱৰ অধিকাৰী ভাৰতবৰ্ষ। এইদৰেই পূৰ্ণ হৈছিলহি দশমিক পদ্ধতি।

অতি আধুনিক কালত আন এটা প্ৰয়োজনবোধে পণ্ডিত সকলক নতুনকৈ আন এটা সমস্যাৰ সন্মুখীন কৰিলে। আজিৰ অংকশাস্ত্ৰৰ পৰিসৰ বিশাল, কিন্তু সময়বোৰ নিচেই কম। আজি অংকশাস্ত্ৰৰ জটিল

সমস্যাসমূহৰ সমাধান কিমান সহজে আৰু কিমান কম সময় খৰচ কৰি কৰিব পাৰি তাৰ এটা বিশেষ পৰিকল্পনা কৰিব লগা হৈছে। আনহাতে বিজ্ঞানৰ ন-ন আৱিষ্কাৰে আমাক 'আজিৰ যুগ বিজ্ঞানৰ যুগ' বুলি খোৱতে কবলৈ বাধ্য কৰিছে। বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে সুধীসমাজৰ বিবেকত আন এটা বিশেষ আৱিষ্কাৰৰ কথা খেলিলে—বাৰু এনে এটা যন্ত্ৰ সাজি উলিয়াব পাৰিনে - যাৰ সহায়ত যোগ-বিয়োগ পূৰণ-হৰণ আদি সাংখ্যিক প্ৰক্ৰিয়াসমূহ ত্বৰান্বিত কৰিব পাৰি? এই নতুন চিন্তাৰ পূৰ্ণ ৰূপটোৱেই হ'ল 'কম্পিউটাৰ' এটি বিশেষ বৈজ্ঞানিক আৱিষ্কাৰ।

কম্পিউটাৰ সম্পৰ্কে জানিবলৈ হলে পোনে পোনেই আজিৰ সৰ্ব-কৰ্ম-বিশাৰদ আধুনিক কম্পিউটাৰটোক নেপাওঁহক। ইয়াৰো এটা বুৰঞ্জী আছে। এই সম্পৰ্কে কিছু জানি লোৱা যাওক। যন্ত্ৰৰ সহায়েৰে গাণিতিক হিচাপ কৰাৰ কথা পোনতে সম্ভৱতঃ চীনদেশত আজিৰ পৰা প্ৰায় পাঁচ হাজাৰ বছৰ আগতেই চিন্তা কৰা হৈছিল। তাত সেই যুগতে 'abacus' বা 'abax' বা 'abakos' (গ্ৰীক্‌শব্দ অৰ্থ—গণনাৰ বাবে ব্যৱহৃত ফলি) নামৰ এবিধ গণকযন্ত্ৰৰ ব্যৱহাৰৰ প্ৰমাণ পোৱা যায়। আধুনিক কালৰ গণকযন্ত্ৰ বুলিলে আমি 'ক্যালকুলেটৰ' নামৰ ইলেকট্ৰ'নিক যন্ত্ৰটোকহে প্ৰথমতে পাওঁহক্। ফৰাচী পণ্ডিত পাস্কেলে ১৬৪২ খ্ৰীষ্টাব্দত 'ডিজিটেল ক্যালকুলেটিং মেচিন' নামৰ এটি বিশেষ যন্ত্ৰ সাজি উলিয়ায়। তাৰ পিছত প্ৰায় ২০০ বছৰ এই বিষয়ে কোনো তু পোৱা নাযায়। ১৮১২ খ্ৰীষ্টাব্দত চাৰ্লচ ব্যাবেজ নামৰ ইংৰাজ এজনে আন এটা যন্ত্ৰৰ পৰিকল্পনা কৰে—যিয়ে (ক) স্বয়ংক্ৰিয়ভাৱে গাণিতিক হিচাপ আৰু সিদ্ধান্ত লব আৰু (খ) স্মৃতিশক্তিৰ সহায়েৰে অন্তৰ্বৰ্তী আৰু অন্তিম ফলাফল আৰু লগতে সূত্ৰ আৰু পদ্ধতি বিষয়ক নিৰ্দ্দেশসমূহ ধৰি ৰাখিব পাৰিব। এই পৰিকল্পনা অনুসৰি ১৮২২ চনত তেওঁ ১৮৩৩ চনত এনালা-লিকাৰেন্‌চিয়েল ইঞ্জিন আৰু ১৮৩৩ চনত এনালা-ইটিকেল ইঞ্জিন নামৰ দুটা গণকযন্ত্ৰ সাজি উলিয়ায়। দুৰ্ভাগ্যক্ৰমে এই যন্ত্ৰ দুটাই ব্যৱহাৰিক দিশত কাৰ্য্যকৰী ফল দেখুৱাব নোৱাৰিলে। ১৮৩৭ চনত হাৰ্ভাৰ্ড বিশ্ব-হাওৱাৰ্ড এইচ. আইকেন নামৰ হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ বিজ্ঞানী এজনে অ'ট'মেটিক চিকোৱেন্স কন্ট্ৰোলড্ ক্যালকুলেটৰ নামৰ এটি গণকযন্ত্ৰ সাজি উলিয়ায় আৰু নাম দিয়ে মাৰ্ক ওৱান। পিছলৈ তেওঁৱেই মাৰ্ক টু নামেৰে চিলেক্টেদ চিকোৱেন্স ইলেকট্ৰ'নিক্স কম্পিউটাৰ এটা তৈয়াৰ কৰে। দৰাচলতে এই যন্ত্ৰটোও এটা ক্যালকুলেটৰহে আছিল। যি কি নহওক, এই যন্ত্ৰ দুটাৰ বিশেষত্ব এয়ে যে প্ৰথমটোৱে প্ৰতি চেকেণ্ডত তিনিটা যোগ/বিয়োগ আৰু দ্বিতীয়টোৱে প্ৰতি চেকেণ্ডত ১০ টা যোগ/বিয়োগ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ পিছত জন ডব্লিউ মচলি আৰু জে. প্ৰেসপাৰ নামৰ পেনচিলভেনিয়া বিশ্ববিদ্যালয়ৰ দুজনা বিজ্ঞানীয়ে এনিয়াক নামৰ আন এটা যন্ত্ৰ সাজি উলিয়ায়, যাৰ সহায়েৰে প্ৰতি চেকেণ্ডত প্ৰায় ৫০০ টা যোগ/বিয়োগ আৰু ৩০০ টা পূৰণ কৰা সম্ভৱ হয়। যি কি নহওক, উক্ত যন্ত্ৰসমূহক আমি এতিয়ালৈকে কম্পিউটাৰ নামেৰে বিভূষিত কৰিব নোৱাৰোঁ। কিন্তু কম্পিউটাৰৰ বংশগতিৰ বিৱৰ্তনৰ ইতিহাসত উক্ত যন্ত্ৰসমূহৰ আৱিষ্কাৰৰ অৱদানক আমি মানি লবই লাগিব। যিহেতু এই যন্ত্ৰসমূহত স্মৃতিশক্তিৰ সংযোজন কৰা হোৱা নাছিল—সেয়েহে এই সমূহক পূৰ্ণাংগ কম্পিউটাৰ বুলি স্বীকৃতি দিব নোৱাৰি।

ন-আৱিষ্কাৰৰ চিন্তাই বিজ্ঞানীসকলৰ মগজুত অহৰ্নিশে খেল খেলি থাকে। আমেৰিকাৰ এজন বিজ্ঞানী জন ভন নিউমান এ স্মৃতিশক্তি

সংযোজনৰ দ্বাৰা এটা অতি আধুনিক যন্ত্রৰ পৰিকল্পনা কৰে। তেওঁৰ পৰিকল্পনা মতে ১৯৫২ চনত আমেৰিকাত ইলেক্ট্ৰ'নিক দিলেভেৰিয়েবুল্ অ'ট'-মেটিক ক্যালকুলেটৰ আৱিষ্কাৰ কৰা হয়। বিশেষকৈ এইজনা বিজ্ঞানীৰ পৰিকল্পনা অনুসৰি ১৯৫৪ চনৰ পৰা ১৯৬১ চনৰ অন্তৰ্বৰ্তী কালছোৱাত কম্পিউটাৰৰ আধুনিকীকৰণ আৰম্ভ হয়। ইয়াৰ ঠিক পূৰ্ববৰ্তী সময়ত অৰ্থাৎ ১৯৪৯ চনত কেম-ব্ৰিজ বিশ্ববিদ্যালয়ৰ মৰিচ উইক্‌চ্ নামৰ বিজ্ঞানী এজনে ইলেক্ট্ৰিক ষ্টোৰেজ অ'ট'মেটিক ক্যালকু-লেটৰ আৱিষ্কাৰ কৰে আৰু ১৯৫১ চনত আমেৰিকাতেই আৱিষ্কাৰ কৰা হয় ইউনিভাৰ্চাল অ'ট'মেটিক কম্পিউটাৰ। এইদৰেই স্মৃতিশক্তি সংযোজিত আধুনিকতম কম্পিউটাৰৰ আৱিষ্কাৰ হ'ল। ক্যালকুলেটৰৰ পৰা কম্পিউটাৰলৈ গণক-যন্ত্রৰ ই এটি বিশেষ সন্ধিক্ষণ।

ইলেকট্ৰ'নিক্‌চ্‌ৰ বিশেষ বিশেষ কিছুমান আৱিষ্কাৰে কম্পিউটাৰ প্ৰযুক্তিৰ প্ৰগতিত কেবাটাও পৰিবৰ্তন ঘটাইছে। ভালভৰ পৰা ট্ৰেন্‌জিষ্টৰ, ট্ৰেন্‌জিষ্টৰৰ পৰা ইন্টিগ্ৰেটেড্ চাকিড্, ইন্টিগ্ৰেটেচ্ চাকিডৰ পৰা মাইক্ৰ'প্ৰচেচৰ—এইদৰেই কম্পিউটাৰে চতুৰ্থ পৰ্য্যায় ( Fourth generation ) লৈ আহিছে আৰু গবেষণা চলিছে ইয়াৰ পঞ্চম পৰ্য্যায়লৈ উন্নতি কৰাবলৈ।

কম্পিউটাৰ বুৰঞ্জীৰ থুলমূল আভাস এটি ওপৰত আগবঢ়োৱা হ'ল। এতিয়া কম্পিউটাৰৰ বিভিন্ন কাৰ্য্যকৰী বিভাগসমূহ আৰু ইয়াৰ কাৰ্য্যা-বলী সম্পৰ্কে দুই এটা কথা জনা যাওঁক। এটা আধুনিক কম্পিউটাৰত বিশেষকৈ পাচঁটা কাৰ্য্য-কৰী বিভাগ পোৱা যায়—( ক ) নিৰ্দ্দেশ আৰু তথ্য সংগ্ৰাহক যন্ত্ৰ ( INPUT ), ( খ ) নিৰ্দ্দেশ আৰু তথ্য সংগ্ৰাহক স্মৃতিশক্তি ( MEMORY ) ( গ ) গাণিতিক হিচাপ কৰা যন্ত্ৰ ( C.P.U ) ( ঘ ) নিৰ্দ্দেশ আৰু ফলাফল বাহিৰলৈ প্ৰেৰণ কৰা যন্ত্ৰ ( OUTPUT ) আৰু ( ঙ ) উক্ত বিভাগ-সমূহৰ নিয়ন্ত্রক যন্ত্র ( CONTROL UNIT )। সাধাৰণতে C.P.U ক কম্পিউটাৰৰ ব্ৰেইন বা মগজু বুলি কোৱা হয়। কিন্তু ইয়াৰ মগজুৰ কাৰ্যকৰী সক্ৰিয়তা নিৰ্ভৰ কৰে মানুহৰ ওপৰত অৰ্থাৎ ই নিজে কাৰ্যক্ষম যদিও সেই ক্ষমতা তাক মানুহে দিব লাগে। আমি আমাৰ ভাষাৰ অভি-ধানত বহুতো বৰ্ণ আৰু শব্দ সংযোজন কৰি লৈছোঁ কিন্তু কম্পিউটাৰে মাথো দুটা বৰ্ণহে ব্যৱহাৰ কৰে আৰু সেই দুটা বৰ্ণৰ দ্বাৰাই কম্পিউটাৰে আমাৰ ভাষা বুজি লয়, নিজেও বুজে আৰু আনকো বুজায়—তেওঁ যি ভাষাত বুজিবলৈ বিচাৰে। উদাহৰণ স্বৰূপে, গাণিতিক হিচাপ এটা কৰিবলৈ হ'লে কম্পিউটাৰ এটাই পোনে পোনে দশমিক পদ্ধতি ব্যৱহাৰ কৰিব নোৱাৰে - দ্বিপদ পদ্ধতিহে ব্যৱহাৰ কৰে। দ্বিপদ পদ্ধতিত 0 আৰু 1 এই দুটা মাথো অংক থাকে আৰু দশমিক পদ্ধতিত তথ্য আৰু নিৰ্দ্দেশ কম্পিউটাৰক দিলে ই দ্বিপদ পদ্ধতিলৈ পৰিবৰ্ত্তন কৰি লয়। আকৌ গাণিতিক হিচাপ সমাধা কৰি উঠি আমালৈ দশমিক পদ্ধতিত ঘূৰাইহে ফলাফল আগবঢ়াই দিয়েহি। কোনো এটা গাণিতিক হিচাপ কম্পিউটাৰৰ দ্বাৰা কৰোৱাই লবলৈ হ'লে পোনতে তথ্য আৰু নিৰ্দ্দেশাৱলীৰ এটা পৰিপাটী প্ৰগ্ৰেম কৰা হয় আৰু কম্পিউটাৰক এই প্ৰগ্ৰেমটো দিয়া হয়। কম্পিউটাৰ বৰ অভিমানী — প্ৰগ্ৰেমটো দিওঁতে কিবা আসোঁৱাহ থাকিলে সি তাক গ্ৰহণ নকৰিব। ত্ৰুটি-বিচ্যুতি সি কেতিয়াও সহিব নোৱাৰে।

যি কি নহওঁক, কম্পিউটাৰৰ আৱিষ্কাৰে আমাক বহুদূৰ আগবঢ়াই আনিছে—সময়কো নিঃস্ব কৰি পেলাইছে। বেংক, বীমা, উদ্যোগ, ৰেলওৱে, বিজ্ঞানাগাৰ সকলোতেই আজি কম্পিউটাৰৰ ব্যৱহাৰ হৈছে। বিমান পৰিচালনা, মহাকাশযান পৰিচা-লনা, আনকি যুদ্ধ পৰিচালনাতো ইয়াৰ ব্যৱহাৰ

হৈছে। চিকিৎসা বিজ্ঞানত, শিক্ষাদানত, যানবাহন নিয়ন্ত্রণত আজি সকলোতে কম্পিউটাৰ। পৃথিৱীৰ ৰন্ধনশালাতো কম্পিউটাৰ—আচৰিত হ'বলগীয়া একো নাই।

পৃথিৱীৰ উন্নত দেশসমূহে আজি কম্পিউটাৰ আৱিষ্কাৰ কৰিয়েই মনে মনে থকা নাই; তেওঁ-লোকে সুপাৰ কম্পিউটাৰও সাজি উলিয়াইছে। আমাৰ এইখন দেশ-ভাৰতবৰ্ষইও কম্পিউটাৰ প্ৰযুক্তিত হাত নিদিয়াকৈ থকা নাই। আমিও বিচাৰিছোঁ তীব্ৰগতিত আগবাঢ়ি যাবলৈ—খোজত খোজ মিলাই উন্নত দেশৰ সহগামী হ'বলৈ আমিও বিচাৰিছোঁ। দেশৰ জনসমস্যা, অৰ্থনৈতিক সমস্যা, নিবনুৱা সমস্যা আদি নানাবোৰ সমস্যা, আওকাণ কৰি কম্পিউটাৰ প্ৰযুক্তিৰ প্ৰগতি সাধন বহুতো সমালোচকৰ দৃষ্টিত অশোভনীয় যেন লাগিছে। সমালোচনাৰ ঊৰ্দ্ধত থাকি কম্পিউটাৰ আৰু ছাত্ৰ ছাত্ৰী, ভাই-ভনীসকললৈ মোৰ এই নিঃস্ব লিখনি আগবঢ়ালোঁ।

---

বিঃ দ্ৰঃ আনন্দ বাজাৰ পত্ৰিকা লিমিটেডৰ 'দেশ' নামৰ সাপ্তাহিক সাহিত্য আলোচনীৰ ১৮ জুলাই ১৯৮৭ সংখ্যাৰ পৰা কম্পিউটাৰৰ বুৰঞ্জী অংশৰ অৱতাৰণা কৰা হৈছে।

# সময়ৰ মূল্য

হানিফ উদ্দিন আহমেদ
এইচ, এচ ১ম বাৰ্ষিক
(কলা বিভাগ)

সময় বুলিলে প্ৰথমে আমাৰ মনত এটা প্ৰশ্নৰ উদয় হয় যে সময় নো কি? সময় এনেকুৱা এটা বস্তু যাক আমি এই পৃথিৱীত অইন অইন বস্তুৰ দৰে মূল্যৰে কিনিব নোৱাৰোঁ। গতিকে সময়ক অমূল্য ধন বুলি ক'লে ভুল কৰা নহয়। মানৱ জীৱনক পৰিচালনা কৰা আৰু মানৱ জীৱনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত যিমান বিলাক পাৰ্থিৱ সামগ্ৰী আছে এইবোৰৰ লগত সময়ক তুলনা কৰিব নোৱাৰি। ই এটা বেলেগ বস্তু; কিন্তু ইয়াক বাদ দি মানৱ সমাজে কোনো মতে চলিব নোৱাৰে। সময়ক বাদ দি মানৱ জীৱনৰ কথাই তুলিব নোৱাৰি। য'তে জীৱন ত'তে সময়। সময়ে জীৱন গঢ়ি তোলে। গতিকে সময়ক আমি এক কথাত জীৱন বুলি কব পাৰো।

সময় অতি মূল্যবান বস্তু; কিন্তু ইয়াৰ মূল্য সকলোৱে বুজি নাপায়। যি সকলে সময় নষ্ট কৰে তেওঁলোকে নিজৰ জীৱনলৈ নিজে ধ্বংস টানি অনা হয়। যি সকলে এই সময়ৰ মূল্য বুজি পাই ইয়াৰ সৎব্যৱহাৰ কৰে তেওঁলোকে জীৱনত সফলতা লাভ কৰিব পাৰে। শেক্সপিয়াৰে লিখিছে আগতে মই সময়ক নষ্ট কৰিছোঁ আৰু এতিয়া সময়ে মোক নষ্ট কৰি আছে। কালি কালি কৰি কোনো কাম কৰাৰ কাৰণে প্ৰতীক্ষা কৰি থাকিলে হয়তো এনেকুৱা এটা মুহূৰ্ত আহিব যেতিয়া ব্যক্তিজনৰ জীৱনত বহুতো দুৰ্যোগে আহি দেখা দিব আৰু অৱশেষত দেখা যাব কামটো হৈ নুঠাৰ ফলত তেওঁৰ অপকাৰ হ'ব পাৰে। এই সময়ৰ প্ৰতি আমি সাৱধান হৈ ইয়াৰ প্ৰতিটো মুহূৰ্তকে উপযুক্ত ব্যৱহাৰ কৰি চলিব লাগে।

"Time and tide wait for none" সময় আৰু জোঁৱাৰ কাৰো কাৰণে ৰৈ নাথাকে। ই ইয়াৰ বিশাল মজবুত পাখিৰ সহায়ত বতাহত উৰি গৈ অদৃশ্য হৈ আছে, এই বিশাল সংসাৰত অসংখ্য প্ৰাণীয়ে ক'ত কি কৰিছে একো ভ্ৰূক্ষেপ নকৰা কৈ। সময় কেতিয়াও কাৰো কাৰণে উভতি নাহে। সেয়ে কবিয়ে লিখিছে –

> "পল পল দণ্ড কৰি সময় গৈছে উৰি
> পাখীলগা কাড়ৰ সোঁতত অবিৰাম,
> বহুদূৰ আছে গতি সময় তাকৰ অতি
> কৰিব লগীয়া আমি আছে বহু কাম।"

নিজৰ জীৱন গঢ়ি তোলাৰ কাৰণে প্ৰতিজন মানুহে যাতে সময়ৰ প্ৰতিটো মুহূৰ্ত উপযুক্ত ব্যৱহাৰ

কৰিব পাৰে তাৰ কাৰণে সময়ক ক্ষণ, পল, মিনিট, ঘণ্টা, দিন, মাহ, বছৰ আদিত ভাগ কৰা হৈছে। এটা এটা মিনিট নষ্ট কৰা মানে গোটেই জীৱনৰ সময়খিনিক ধ্বংস কৰা। জীৱনত প্ৰতিটো মিনিটৰ মূল্য কিমান তাক ভালদৰে অনুভৱ কৰি চলিব লাগে।

ৱাটাৰ্লুৰ যুদ্ধত নেপোলিয়নৰ এজন সেনাপতিয়ে মাথোন কেই মিনিটমান পলম কৈ যুদ্ধক্ষেত্ৰলৈ আহিছিল কাৰণে নেপোলিয়নৰ নিচিনা এজন ডাঙৰ বীৰে যুদ্ধত হাৰিব লগীয়া হয় আৰু ইংৰাজৰ হাতত বন্দী হয়। ইয়াৰ পৰা আমি ভালকৈ বুজিব পাঁৰো যে সময় বাৰে বাৰে হাতলৈ নাহে। গতিকে হাতত থকা সময়খিনিক উপযুক্ত ব্যৱহাৰ কৰিব নোৱাৰিলে মানৱ ইতিহাসৰ দৌৰ প্ৰতিযোগিতাত বহুদূৰ পিছপৰি থাকিব লাগিব।

আমি দেখিবলৈ পাওঁ বহুতো মানুহে বন্ধু বান্ধৱৰ লগত অযথা গল্প, হাঁহি, তামচা কৰি বহুত সময় কটাই দিয়ে। এনেবোৰ মানুহে সময়ৰ মূল্য বুজি নোপোৱাৰ হেতুকেই জীৱনত উন্নতি কৰিব নোৱাৰে। কিন্তু ছাত্ৰ হিচাপে জীৱনত কৰিব লগীয়া বহুখিনি আছে। গতিকে এইদৰে সময় নষ্ট কৰা আমাৰ কাৰণে উচিত নহয়। সুখী মানুহে কয়

'সময় অমূল্য ধন মানৱ জীৱনত
নকৰিবা ব্যয় ইয়াৰ কোনো কাৰণত।'

মহাত্মা গান্ধী, লোকমান্য তিলক, চৰদাৰ পেটেল আদি ডাঙৰ ডাঙৰ নেতাসকলে সময়ৰ মূল্য বুজি পাইছিল। গতিকে তেওঁলোকে এক মিনিট সময় অযথা নষ্ট কৰা নাছিল। তেনেকৈ ৰাজেন্দ্ৰ প্ৰসাদ, জৱাহৰলাল নেহৰু আদিয়ে সময়ৰ প্ৰতিটো মুহূৰ্ত্তকে উপযুক্তভাৱে ব্যৱহাৰ কৰিছিল। তেওঁলোকে নিচেই ৰাতিপুৱা টোপনিৰ পৰা উঠিছিল আৰু গোটেই দিনটো নিজৰ নিজৰ কামত জড়িত আছিল। সময়ৰ উপযুক্ত ব্যৱহাৰৰ বলত মানুহে মহান হব পাৰে। নেপোলিয়নে মাথোন চাৰি ঘণ্টা টোপনি মাৰিছিল। তেওঁৰ সময়ৰ এনেকুৱা উপযুক্ত ব্যৱহাৰৰ কাৰণে এজন সাধাৰণ দুখীয়া পৰিয়ালৰ ল'ৰা হৈ বিশাল দেশৰ সম্ৰাট হব পাৰিছিল।

আমি আজিৰ কামটো কালি কৰিম বুলি পেলাই থোৱা উচিত নহয়। কাৰণ কালি শব্দটো শয়তানৰ দূত বুলি অভিহিত কৰিব পাৰি। ইতিহাসত দেখিবলৈ পোৱা যায় 'কালি' শব্দটোৰ লগত জড়িত থকাৰ কাৰণে বহুতো মানুহৰ জীৱন পৰ্যন্ত নাশ হয় আৰু বহুতো মানুহে উন্নতিৰ চৰম সীমাৰ পৰা উভতি আহি ধ্বংসৰ পথত খোজ দিব লগীয়া হয়। এনেহুৱাৰ কাৰণে আমি বহুতো সময় নষ্ট কৰোঁ। এনাহ সময়ৰ শত্ৰু। এনেহুৱা হৈ আমি আজিৰ কাম কালি কৰিম বুলি পেলাই থোৱা উচিত নহয়।

যিবিলাক মানুহে সময়ৰ মূল্য বুজি পায়, তেওঁলোকে সময়ৰ উপযুক্ত ব্যৱহাৰ কৰে। কোনো কামতে আমি অৱহেলা কৰি সময়ৰ অপব্যৱহাৰ কৰিব নালাগে। অফিচ, আদালত, স্কুল, পঢ়াশালী আদিত নিৰ্দিষ্ট সময়ত উপস্থিত হব লাগে। অফিচ, আদালতত নিৰ্দিষ্ট সময়ত উপস্থিত নোহোৱাৰ ফলত বহুতো মানুহ বিভিন্ন 'সাক্ষাৎকাৰত' অকৃতকাৰ্য্য হোৱাও দেখা যায়। কোনো কামত পলম কৰিব নালাগে। সৰু সৰু কামৰ প্ৰতি যিয়ে অৱহেলা নকৰি সময়ৰ উপযুক্ত ব্যৱহাৰ কৰি যায় তেওঁলোকৰ ভৱিষ্যত জীৱন মহত্বপূৰ্ণ হৈ পৰিব। ৰেলৰ কোনো যাত্ৰীয়ে হয়তো টিকত কিনোতে ১ মিনিট পলম কৰাৰ কাৰণে ৰেল ফেইল কৰিব পাৰে। ৰেলৰ চালকে ৰেল চলোৱাত ১ মিনিট পলম হোৱাত ৰেলখন দুৰ্ঘটনা হৈ বহুতো মানুহৰ জীৱন নাশ হব পাৰে। গতিকে সময়ৰ প্ৰতি অৱহেলা কৰিলে আমি জীৱনত কৃতকাৰ্য্য লভিব নোৱাৰিম।

ইংৰাজীত এষাৰ কথা আছে— "Time is

money' অৰ্থাৎ সময়েই সম্পত্তি, সময়েই ধন দৌলত। আমি সাধাৰণতে ধন সম্পত্তিক জীৱনৰ আটাইতকৈ বেছি দৰকাৰী বস্তু বুলি ধৰি লওঁ। ধন-সম্পত্তিকে আটাইতকৈ মূল্যবান বস্তু বুলি ভাবোঁ। কিন্তু দকৈ ভাবিবলৈ গ'লে দেখা যায় ধন সম্পত্তি-তকৈ সময় অধিক মূল্যবান। কাৰণ সময় এবাৰ হাতৰ পৰা গুচি গ'লে তাক আৰু পুনৰাই ঘূৰাই নেপাওঁ কিন্তু ধন সম্পত্তি পোৱা যায়। যদি সময়ক ঠিকমতে কামত খটুৱাওঁ বা যদি ইয়াৰ কোনো অপব্যৱহাৰ নকৰোঁ তেনেহ'লে সময়ৰ জড়িয়তে জীৱনত বহুতো ধন অৰ্জন কৰিব পাৰোঁ। গতিকে ইংৰাজীত কোৱা হয় "Time is money". সময়ৰ উপযুক্ত ব্যৱহাৰ কৰিলে আমি জীৱনত সফলতা লাভ কৰিব পাৰোঁ। সময়ৰ হেৰফেৰ কৰাৰ কাৰণে দেখা যায় এই পৃথিৱীত বহুতো ডাঙৰ ডাঙৰ যোদ্ধা নাইবা ডাঙৰ ডাঙৰ মহাপুৰুষ বহুতো ক্ষেত্ৰত পৰাজয় বৰণ কৰিব লগীয়া হৈছে। সময় অনুযায়ী কাম কৰা আৰু আলস্যতাৰ পৰা দূৰত থকা মানৱ জীৱনৰ প্ৰধান কৰ্ত্তব্য হোৱা উচিত। ছাত্ৰ-ছাত্ৰী বিলাকৰ কাৰণে বিশেষকৈ সময়ৰ মূল্য অধিক গুৰুত্বপূৰ্ণ। গতিকে সকলো পৰা ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ ভৱিষ্যত জীৱন নিৰ্ম্মাণ কৰাৰ কাৰণে বা জীৱনত সফলতা লাভ কৰাৰ কাৰণে সদায় সময়ৰ গতিত খোজ মিলাই চলিব লাগে।

ৰাতি যিমান কঠিন হব, প্ৰভাত সিমান উজ্বল হব। চাৰিও-ফালৰপৰা আন্ধাৰে আবৰি ধৰিলেও ভয় নকৰিবা প্ৰভাত হবই।

—জ্যোতিপ্ৰসাদ

# আহোম সকল আৰু তেওঁলোকৰ শাসন ব্যৱস্থা

অধ্যাপক আব্দুছ চামাদ আলী

আহোমসকল বিখ্যাত বুৰঞ্জীবিদ গেইটৰ মতে প্ৰসিদ্ধ টাই বা শান জাতিৰ মানুহ আছিল। প্ৰথমে তেওঁলোক চীনৰ য়ুনান প্ৰদেশত বাস কৰিছিল। টাইসকল মঙ্গোলীয় গোষ্ঠীৰ লোক আছিল। খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰ আগভাগত উত্তৰ বৰ্মাৰ মাওলং নামৰ ৰাজ্যখনৰ পৰা টাই সকল চুকাফাৰ মহান নেতৃত্বত পাটকাই পাহাৰ অতিক্ৰম কৰি আহি অসমত প্ৰবেশ কৰে। বৰ্তমান শিৱসাগৰ জিলাৰ দক্ষিণ পূৱ অঞ্চলত তেওঁলোকে এখন নতুন ৰাজ্য প্ৰতিষ্ঠা কৰে। তেওঁলোকক অসমীয়াসকলে আহোম আৰু অন্যান্য টাইসকলে মাওশান বুলি অভিহিত কৰে। এওঁলোকৰ নাম অনুসৰি তেওঁলোকে স্থাপন কৰা ৰাজ্যৰ নাম আহোম বুলি জনাজাত। আহোমসকল অসমলৈ অহাৰ পৰাই অসমত ধাৰাবাহিক ৰূপে বুৰঞ্জী লিখাৰ প্ৰচলন হয়। আহোম সকলৰ মতে বুৰঞ্জীৰ অৰ্থ 'বু' মানে মূৰ্খ, 'ৰণ' মানে জনোৱা আৰু 'জী' মানে ভঁড়াল অৰ্থাৎ কথা জনোৱাৰ ভঁড়াল। আহোম ৰজাসকলক স্বৰ্গৰ দেৱতা ইন্দ্ৰৰ বংশধৰ বুলি কোৱা হয়। আহোমসকলে অসমত ১২২৮ খ্ৰীষ্টাব্দৰ পৰা ১৮২৬ খ্ৰীষ্টাব্দলৈকে ৰাজত্ব কৰে। আহোমসকলৰ শাসন প্ৰণালীৰ এটি থূলমূল আলোচনা আগবঢ়োৱা হ'ল।

ৰজাই আছিল ৰাজ্যৰ প্ৰধান গৰাকী। ৰজা আছিল সৰ্বেসৰ্বা। তেঁৱেই আছিল ৰাজ্যৰ আটাইতকৈ ক্ষমতাশালী সৰ্বোচ্চ ব্যক্তি। ৰজা একচত্ৰী আছিল। ৰজা অসীম ক্ষমতাৰ অধিকাৰী আছিল। তেওঁ এহাতে স্বেচ্ছাচাৰী আৰু আনহাতে প্ৰজাহিতৈষী The Ahom King was the Chief executive, Chief legisletive, Chief Commander—in Chief and also Chief judicial head of the State. (আহোম ৰজা আছিল ৰাজ্যৰ প্ৰধান ,কাৰ্য্যবাহী প্ৰধান আইন প্ৰণেতা, প্ৰধান সেনাপতি আৰু প্ৰধান বিচাৰপতি) তেওঁ বিশ্বজনীন, দয়া কৰুণা, প্ৰেম আৰু শান্তিৰ প্ৰতীক স্বৰূপ আছিল। ৰজাই ৰাজ্যৰ মন্ত্ৰী, বৰুৱা, ফুকন আদি বিষয়াসকলক নিযুক্তি দিছিল। তেওঁ আইন প্ৰণয়ন কৰিছিল। যুদ্ধ-বিগ্ৰহ পৰিচালনাও কৰিছিল। ৰাজ্যৰ প্ৰধান বিচাৰপতি হিচাপে তেওঁ দোষীক ক্ষমা বা দণ্ড বিহিব পাৰিছিল।

ৰজাই ৰাজ্যৰ শাসন কাৰ্য্য সুকলমে পৰিচালনা কৰিছিল। ৰাজ্যৰ শাসন সম্পৰ্কীয় সকলো কাৰ্য্যত সহায় আৰু দিহা-পৰামৰ্শৰ বাবে আহোম ৰজাৰ তিনিজনা মন্ত্ৰী আছিল। তেওঁলোকৰ উপাধি

আছিল— বুঢ়া গোহাঁই, বৰ গোহাঁই, আৰু বৰ পাত্ৰ গোহাঁই। তেওঁলোক ৰজাৰ সৌহাৰ্দ্যস্বৰূপ আছিল। ৰাজ্যত কোনো জৰুৰী অৱস্থাৰ উদ্ভাৱন হ'লে ৰজাই মন্ত্ৰী তিনিজনৰ পৰা পৰামৰ্শ লৈছিল বা বিচাৰিছিল। কিন্তু তেওঁলোকৰ পৰামৰ্শ গ্ৰহণ কৰা বা নকৰা সম্পূৰ্ণৰূপে ৰজাৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰিছিল। আনহাতে উক্ত মন্ত্ৰী তিনিজনাৰ ক্ষমতাও অসীম আছিল। তেওঁলোক ৰাজ্যৰ একোটি অংশৰ শাসনকৰ্ত্তা আছিল। ইয়াৰোপৰি তিনিজন মন্ত্ৰী একেলগ হ'লে, ৰজাক ভঙা পতা কৰিব পাৰিছিল। So they were called king makers কিন্তু এইটো কথা চিৰসত্য যে সকলো দেশত আৰু সকলো যুগত প্ৰতাপশালী আৰু বাহুবলী ৰজাই মন্ত্ৰী বৰ্গক উপেক্ষা কৰি চলাৰ অলেখ জ্বলন্ত নজিৰ বিদ্যমান আছে। উল্লেখ আছে যে প্ৰতাপশালী স্বৰ্গদেৱ প্ৰতাপ সিংহ, গদাধৰ সিংহ, ৰুদ্ৰসিংহ প্ৰভৃতি অতি সুদক্ষ আৰু বিচক্ষণ আহোম-সকলে নিজৰ ইচ্ছামতে ৰাজ্য শাসন কৰিছিল। আনহাতে দেখা যায় যে দুৰ্ব্বল আহোম ৰজাসকল যেনে লৰা ৰজা, লক্ষ্মীসিংহ, গোৰীনাথ সিংহ আদি ক্ষমতাশালী মন্ত্ৰীসকলৰ হাতৰ পুতলা স্বৰূপ আছিল।

ৰাজপদ বংশানুক্ৰমিক আছিল। আহোম ৰজা এজনৰ মৃত্যু হ'লে জ্যেষ্ঠ পুতেক উত্তৰাধিকাৰ সূত্ৰে ৰাজপাটত বহিছিল। পিছলৈ এই প্ৰচলিত নিয়মৰ সলনি হোৱা দেখা যায়। কেতিয়াবা ৰজাৰ ভতিজা বা কোনো দূৰ সম্পৰ্কীয় ব্যক্তিয়ে ক্ষমতাশালী মন্ত্ৰী বা বিষয়াৰ সহায়ত সিংহাসন লাভ কৰিছিল। আকৌ বহুতো নিদৰ্শন আছে যে আহোম ৰজাসকলৰ ভিতৰত স্বৰ্গদেৱ লৰা ৰজাই সিংহাসন নিষ্কণ্টক কৰিবলৈ উপযুক্ত ৰাজকোঁৱৰসকলক ধৰি আনি অঙ্গক্ষত কৰাৰ অমানবীয় মহাযজ্ঞৰ আয়োজন কৰিছিল।

তাৰোপৰি সিংহাসনৰ বাবে নিৰ্বাচনৰ জৰিয়তে প্ৰাৰ্থী নিৰ্বাচন কৰাৰ নিয়ম প্ৰচলন আছিল, কিন্তু এইটো মন কৰিবলগীয়া যে প্ৰাৰ্থীজন ৰাজপৰিয়ালৰ লোক হোৱাটো একান্ত বাঞ্চনীয় আছিল।

আৰু লগতে এইটো উল্লেখ কৰা নিশ্চয় সমীচিন হ'ব যে সম্ৰাট অশোকৰ নিচিনা আহোম ৰজাসকল সিমান প্ৰজাবৎসল নাছিল। The emperor, Asoka looked his subjects like his own children. "সব মনসি পজা সমা" সকলো মানুহেই মোৰ সন্তান, সম্ৰাট অশোকে কৈছিল — কিন্তু আহোম ৰজাসকলে প্ৰজা সকলক নিজৰ সন্তানৰ দৰে গণ্য কৰা নাছিল। প্ৰজাৰ সুখত সুখী আৰু দুখত দুখী নাছিল। আহোম ৰজাসকল আৰু প্ৰজা সকলৰ মাজত সম্পৰ্ক সম্ৰাট অশোকৰ নিচিনা সিমান নিবিড় আৰু সৌহাৰ্দ্যপূৰ্ণ নাছিল। প্ৰজাবৎসল সম্বন্ধৰ অভাৱ আছিল। আহোম ৰজাসকলে শিঙৰি ঘৰত উঠাৰ সময়ত মানুহ এজন কটাৰ নিয়ম আছিল। কিন্তু স্বৰ্গদেৱ ৰুদ্ৰসিংহই এই অমানবীয় মানুহ কটা নিয়মটো বন্ধ কৰি দিয়ে। ইয়াৰোপৰি লৰা ৰজা, লক্ষ্মীসিংহ আৰু স্বৰ্গদেৱ গৌৰীনাথ সিংহ অত্যাচাৰী ৰজা আছিল বুলি কলেও বোধহয় অতিৰঞ্জিত কৰা নহ'ব। আকৌ এইটো কোৱা যুক্তি সংগত হ'ব যে আহোম ৰজাসকল জন-হিতৈষী আছিল। প্ৰজাসকলৰ জীৱন, ধন-সম্পত্তি আৰু ধৰ্ম ৰক্ষা কৰাটো ৰজাসকলৰ মহান আৰু প্ৰধান দায়িত্ব আছিল। তাৰোপৰি তেওঁলোক প্ৰজাৰ নিৰাপত্তা আৰু শান্তিৰ বাবেও দায়ী আছিল। অৱশিষ্ট আটাইবোৰ কৰ্ত্তব্য কৰলৈ গলে গৌণহে আছিল।

ৰাজ অভিষেকৰ সময়ত প্ৰধান পুৰোহিতজনে ৰজাই পালন কৰিবলগীয়া প্ৰধান কৰ্ত্তব্য সম্পৰ্কে উপদেশ বাণী পাঠ কৰি শুনাই দিছিল।

টাই বা আহোম সকলৰ মতে ৰজাসকলে সিংহাসনত উঠা আৰু "শিঙৰি ঘৰত উঠি ৰজা

হোৱা" প্ৰত্যেকেই একোটা সুকীয়া কাৰ্য্য। বহু দৃষ্টান্ত আছে যে ৰজাসকলে পোন প্ৰথমে সিংহাসনত উঠে আৰু তাৰ পিছত শিঙৰি ঘৰত উঠে আৰু সম্পূৰ্ণ ৰূপে অভিষিক্ত হয়। কাৰণ ৰজা সকলে ৰাজপাটত উঠিও "শিঙৰি ঘৰত" নুঠে মানে তেওঁবিলাকৰ অভিষেক পূৰ্ণ নহৈছিল।

তাহানি যুগত 'শিঙৰি ঘৰ'ত উঠা পুৰণিকলীয়া প্ৰথা প্ৰচলিত আছিল। ৰজাসকল শিঙৰি ঘৰত উঠা এটি প্ৰধান উৎসৱ আছিল। দৰাচলতে চৰাইদেও পৰ্ব্বতত বা আন কামৰৰ ঠাইত ৰজাৰ বাহৰ সজা হয়। সততে এই বাহৰ চৰাইদেওতহে পতা হয়। কাৰণ আহোমসকলৰ বিশ্বাস যে তেওঁলোকৰ পূৰ্ব পুৰুষ খুনলুঙ আৰু খুনলাই ক্ৰমে সেই ঠাইতে আবিৰ্ভূত হৈছিল। নতুনকৈ সজোৱা বাহৰত শিঙৰি কাঠৰ চাৰিটা ওখ চাংঘৰ ৰখা হয়, তাৰ নামেই "শিঙৰ ঘৰ," "পাটঘৰ" "হোলোংঘৰ" আৰু "পানীঘৰ"।

ৰাজপদৰ বাবে নিৰ্বাচিত হোৱা কোঁৱৰজনে শিঙৰি ঘৰত উঠা উৎসৱ পালন কৰিব লাগিছিল। চোমদেওক ডিঙিত আৰি, হাতত হেঙ্গদান লৈ, মুৰত দেও কুকুৰাৰ পাখীৰে সুশোভিত পাগুৰি মাৰি, ৰাজ্যৰ প্ৰধান প্ৰধান ডাঙৰীয়া বিষয়া, অধিকাংশ সেনা, অলেখ প্ৰজাৰে সৈতে স্বৰ্গদেও এটা মতা হাতীত আৰু বৰকুঁৱৰী এজনী মাখুন্দী হাতীত উঠি স্বৰ্গদেও চুকাফাই নিৰ্মাণ কৰা ৰাজধানীলৈ যাত্ৰা কৰিব লাগিছিল, তাত গৈ এডাল আহত গছ ৰুই পাট ঘৰলৈ যাব লাগিছিল, তাতে পুৰোহিত জনে দেওধাই বাইলুং সকলে ৰজা আৰু বৰজনা কুঁৱৰীৰ গাত মন্ত্ৰপানী ছটিয়াই দিছিল, ইয়াৰ লগতে ভিন্ ভিন্ মাঙ্গলিক উৎসৱ পালন কৰা হৈছিল। ইয়াৰ পিছত ৰজা আৰু ৰাণী চাং ঘৰত বহেগৈ। তেওঁলোকৰ গাত মন্ত্ৰপুত পানী ঢালি দিয়া হৈছিল। ৰজা-ৰাণী:য় ভালকৈ গা ধুই উৎকৃষ্ট সাজ-পোছাক পৰিধান কৰি শিঙৰি ঘৰত উঠি সোণৰ সিংহাসনত বহিছিল। সিংহাসনত বহাৰ পিছত বাইলুংসকলে আহোম প্ৰথামতে পূজা ও স্তুতি পাঠ কৰি ৰজা-ৰাণীক আশীৰ্বাদ প্ৰদান কৰিছিল। শিঙৰি ঘৰত উঠা ৰাজ অভিষেকৰ অন্তত ৰজাৰ নামত সোণ-ৰূপৰ মোহৰ ছপা কৰিব পাৰিছিল। এই মহান উৎসৱত ডাঙৰীয়া, প্ৰধান বিষয়া আৰু ধাৰ্মিক ব্যক্তিসকলক ভোজন কৰাই মৰ্য্যাদা অনুসাৰে বস্ত্ৰালঙ্কাৰ উপহাৰ দিয়াৰ ব্যৱস্থা কৰা হৈছিল। উক্ত উৎসৱটোক শিঙৰি ঘৰত উঠা উৎসৱ বুলি অসম বুৰঞ্জীত উল্লেখ আছে। এই উৎসৱত এমাহৰ ভিতৰত যোগদান নকৰা কৰতলীয়া ৰজা আৰু বিষয়াসকলে আহি ৰজাক উপহাৰ প্ৰদান কৰি প্ৰণাম কৰিব লাগিছিল। উল্লেখ আছে যে স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ দিনলৈকে অসমত এই অদ্ভুত উৎসৱ চলি আছিল। এইটো এটা অমানবীয় কাৰ্য্য আছিল যে শিঙৰি ঘৰত উঠাৰ সময়ত ৰজাই হেংদাঙেৰে এজন মানুহ কাটিব লাগিছিল। স্বৰ্গদেৱ ৰুদ্ৰসিংহই মানুহ নাকাটি ম'হ এটা কাটিছিল। তেতিয়াৰ পৰা ম'হ কটা নিয়ম প্ৰচলিত হৈছিল।

অসমত তিনিজনা গোহাইৰ পদ বংশানুক্ৰমে চলি আছিল। চিৰাচৰিত নিয়মমতে পিতাকৰ মৃত্যুৰ পিছত উক্ত পদত ডাঙৰ পুতেকে নিযুক্তি পাইছিল। কিন্তু ৰজাই ইচ্ছা কৰিলে অইন উপযুক্ত লোকক উক্ত পদত নিয়োগ কৰিব পাৰিছিল। অসম ৰাজ্যৰ আয়তন বা সীমা বাঢ়ি যোৱাত কৰ্মচাৰীৰ সংখ্যাও বাঢ়ি গৈছিল, কিন্তু এইটো মন কৰিবলগীয়া যে নতুন কৰ্মচাৰীসকলৰ ভিতৰত বৰবৰুৱা আৰু বৰফুকন আটাইতকৈ ক্ষমতাশালী বিষয়া আছিল। উল্লেখ আছে যে মহামান্য স্বৰ্গদেৱ প্ৰতাপ সিংহৰ ৰাজত্ব কালত উক্ত পদদুটা সৃষ্টি কৰা হৈছিল। শদিয়া আৰু নগাঁৱৰ কলিয়াবৰৰ মাজত গোঁহাই তিনিজনাই শাসন নকৰা অঞ্চলৰ বাবে বৰবৰুৱাক শাসনকৰ্ত্তা পতা হৈছিল। তাত বৰবৰুৱা শাসক

আৰু বিচাৰ সংক্ৰান্তীয় যাই বিষয়া আছিল। বৰফুকন আছিল নামনি অসমৰ শাসনকৰ্ত্তা। তেওঁৰ সদৰ ঠাই আছিল কলিয়াবৰ। কালক্ৰমে আহোম ৰাজ্য পশ্চিমৰ ফালে বাঢ়ি যোৱাত কলিয়াবৰৰ পৰা গোৱালপাৰালৈকে এই গোটেই অঞ্চল বৰফুকনে শাসন কৰিছিল। গুৱাহাটী তেওঁৰ সদৰঠাই আৰু বিচাৰালয় আছিল। মুঠতে তিনিজনা গোঁহাই, বৰবৰুৱা আৰু বৰফুকন মিলি পাঁচজনীয়া মন্ত্ৰী পৰিষদ আছিল। যাক আজিৰ যুগত কেবিনেট বা মন্ত্ৰীসভা বুলি কোৱা হয়। বৰ্ত্তমান যুগৰ মন্ত্ৰী সভাৰ নিচিনা তেওঁলোকৰ সমূহীয়া দায়িত্ব নাছিল, কেৱল পাইগুটীয়া দায়িত্বহে আছিল।

আকৌ বৰবৰুৱা আৰু বৰফুকনতকৈ বহুতো নিম্নখাপৰ গৱৰ্ণৰ আছিল। এই প্ৰসঙ্গত শদিয়াত শদিয়া খোৱা গোঁহাই মৰঙ্গীত মৰঙ্গীখোৱা গোঁহাই, সলালত সলাল গোঁহাই আৰু ৰহাত ৰহিয়াল গোঁহাই আদিৰ কথা উল্লেখযোগ্য। এই গৱৰ্ণৰসকলে জনজাতিসকলৰ লগত এক সুমধুৰ নিবিড় সম্পৰ্ক ৰাখি দেশ শাসন কৰিছিল। ১৫২৩ খৃঃত চুতিয়া ৰাজ্য আহোম ৰজাৰ অধীনস্থ হোৱাত সীমান্ত অঞ্চল ৰক্ষা কৰিবলৈ শদিয়াত এজন শদিয়া খোৱা গোঁহাই নিয়োগ কৰা হৈছিল। উল্লেখিত আটাইবোৰ বিষয়াক তিনিজন গোঁহাইৰ বংশৰ পৰা নিৰ্বাচন কৰাৰ ধৰাবন্ধা নিয়ম আছিল।

ইয়াৰোপৰি আহোম ৰাজত্ব কালত আহোম ৰজাৰ বশ্যতা স্বীকাৰ কৰি লোৱা কিছুমান সৰু সৰু ৰাজ্য আছিল। সেইবোৰৰ ভিতৰত ৰাণী, দৰঙ্গ, ডিমৰু, বৰদুৱাৰ, বেলতলা, লুকী, ডোলাগাওঁ, পান্তান, বনগাওঁ মৈৰাপুৰ, নেলী, গোভা, খলা, চহৰী, বাৰপুজীয়া, টোপাকুছিয়া, পাণবাৰী, মায়ং, খিং, তেতেলীয়া, শালমৰা, গৰখীয়া, বাঘৰ গাওঁ, ছুৰবন্ধা ইত্যাদি বিশেষ উল্লেখযোগ্য আছিল। এই ৰাজ্যবোৰৰ শাসনকৰ্ত্তাসকলে আহোম ৰজাৰ কৰতলীয়া হিচাপে বংশানুক্ৰমে নিজ ৰাজ্যবোৰ শাসন কৰিছিল। এওঁলোক স্থানীয় বিচাৰপতিও আছিল কিন্তু তেওঁলোকৰ বিচাৰত সন্তুষ্ট নহলে, প্ৰজাবোৰে বৰফুকন বা ৰজাৰ ওচৰত আপীল কৰিব পাৰিছিল। আনহাতে ৰজাৰ বিৰুদ্ধে অপৰাধ কৰা শাসনকৰ্ত্তা সকলক পদচ্যুত কৰা হৈছিল।

শাসন কাৰ্য্যত ছজন ফুকনে বৰবৰুৱাক দিহা পৰামৰ্শ দিছিল। প্ৰত্যেকজন ফুকনৰ নিজা দায়িত্বও আছিল। নাওবৈছা ফুকনে ৰাজকীয় নৌবাহিনীৰ দায়িত্ব বহন কৰিছিল। পানী ফুকন, ভেকা ফুকন, নেওগ ফুকন, দিহিঙ্গীয়া ফুকন আৰু চেতিয়া ফুকন, —এই ছজন ফুকনে গুৱাহাটীৰ বৰফুকনলৈ পৰামৰ্শ আগবঢ়াইছিল। বৰফুকনে সকলো লাগতিয়াল কামত তেওঁলোকৰ পৰামৰ্শ লোৱাটো বাঞ্চনীয় আছিল। ইয়াৰোপৰি আৰু বহুতো ফুকনৰ কথা উল্লেখ আছে। তেওঁলোকে ভিন ভিন কাম সমাধা কৰিছিল। খাৰঘৰীয়া ফুকন খাৰ বাৰুদ, গুলি ৰখা খাৰঘৰৰ গৰাকী আছিল। চোলাধৰা ফুকনে ৰজাক কাপোৰ আৰু অলংকাৰ পিন্ধোৱা কাম সমাধা কৰিছিল। চাংৰং ফুকনে ৰণস্থলীত ভিন ভিন ঠাইত ঘৰ নিৰ্মাণ কৰিছিল। গাজীয়া ফুকনে যুদ্ধৰ বা খাৰ বাৰুদ তৈয়াৰ কৰা ক্ষেত্ৰত গন্ধক মিলোৱা কামত লিপ্ত আছিল।

ফুকনৰ উপৰিও প্ৰায় কুৰিজনৰ অধিক বৰুৱা আছিল। তেওঁলোক হ'ল ভাণ্ডাৰী বৰুৱা, চাওদাঙ্গীয়া বৰুৱা, দুলনা বৰুৱা বা বেজবৰুৱা, হাতীবৰুৱা, ঘোৰা বৰুৱা। বেজবৰুৱা ৰজাৰ চিকিৎসক আছিল। ৰাজখোৱা, কটকী, কাকতি, দলৈ আদি অসংখ্য পদবী আছিল।

বাছিয়াৰ নিচিনা আহোম ৰাজত্ব কালত প্ৰজা সকলে মাজে মাজে ৰজাঘৰীয়া কাম কৰি দিয়াৰ প্ৰথা আছিল। কথিত আছে যে বিষয়া, পুৰোহিত, উচ্চ জাতীয় মানুহ আৰু তেওঁলোকৰ নিজা

বন্দী-বেটিবোৰৰ বাদে যোল্ল বছৰীয়া ডেকা-গাভৰুৰ পৰা পঞ্চাশ বছৰীয়া সকলো প্ৰজাৰ ওপৰত ৰাজঘৰৰ হাত আছিল। তেওঁলোকে ৰজা আৰু ৰাজ্যৰ কাম কৰি দিব লাগিছিল। এই বনুৱা সকলক দৰাচলতে পাইক বোলা হৈছিল। প্ৰত্যেক পাইকে এপোৱা হয়। চাৰিটা পাইক মিলি এটা গোট হৈছিল। শান্তিৰ সময়ত ৰাজহুৱা কামত পাইকবোৰক নিযুক্ত কৰাৰ প্ৰথা আছিল। আহোম ৰজাসকলে অতি কম খৰচতে এই পাইকসকলৰ দ্বাৰা আলি, পুখুৰী আদি নিৰ্মাণ কৰাইছিল। যেতিয়াই ৰজাঘৰীয়া কামৰ প্ৰয়োজন হৈছিল তেতিয়াই প্ৰত্যেক গোটৰ পৰা একোজনকৈ পাইকে পাল পাতি কাম কৰিছিল। পাইকবোৰক কিছু-মান ভাগত ভাগ কৰা হৈছিল। তেনে ভাগক খেল বোলা হৈছিল। প্ৰতি খেলত একে জাতিৰ বা একে ব্যৱসায়ৰ মানুহ এহেজাৰৰ পৰা পাৰ্চ হেজাৰলৈকে আছিল। তেওঁলোকে কামৰ বিনিময়ত বিশেষ সুবিধা ভোগ কৰিছিল। তেওঁলোকে বিনা খাজনাই দুপুৰাকৈ মাটি ভোগ কৰিছিল।

দৰাচলতে পাইক সকলৰ সামাজিক পদ মৰ্যাদা নথকা নহয়। তেওঁলোকৰ সামাজিক মৰ্যাদা আছিল। উল্লেখ আছে যে প্ৰতিটো খেলৰ ওপৰত এজন কৰ্মচাৰী আছিল। আকৌ কুৰি গোট পাইকৰ ওপৰত এজন বৰা, এশ গোটৰ ওপৰত এজন শইকীয়া, এহেজাৰ গোটৰ ওপৰত এজন হাজৰিকা, তিনিহেজাৰ গোটৰ ওপৰত এজন ৰাজ-খোৱা আৰু ছ হেজাৰ গোটৰ ওপৰত এজন ফুকন আছিল। আহোমসকলৰ পাইক বা খেল প্ৰথাৰ মোগল আমোলৰ প্ৰচলিত মনচৱদাৰী প্ৰথাৰ লগত ভালেখিনি সাদৃশ্য আছে। আকৌ লগতে এইটো উল্লেখ কৰা ভাল হব যে কিছু সংখ্যক পাইকে কাম কৰি দিয়াৰ ইচ্ছা কৰা নাছিল। সচৰাচৰ কামৰ পৰা ৰেহাই পাবলৈ তেওঁলোকে ৰজাক দুটকাকৈ কৰ দিছিল। এওঁলোকক চমুৱা কোৱা হৈছিল। ঘৰবাৰী সাজিবলৈ পাইকসকলে ৰজা ঘৰৰ পৰা মাটি পাইছিল। ইয়াৰ বাবে প্ৰত্যেকে এটকাকৈ ৰজাক কৰ দিছিল। তদুপৰি তিন ভিন খেতি বাতি কৰাৰ কাৰণে ৰাজহ দিয়াৰ বিধান আছিল কিন্তু শিল্পী আৰু কাৰিকৰসকলে গাইপতি তিনি টকাৰ পৰা পাৰ্চ টকালৈকে কৰ দিব লাগিছিল। সেয়ে তেওঁলোকে পুত্ৰ পুৰুষানু-ক্ৰমে চিৰদিন মাটি ভোগ কৰিব পাৰিছিল। পাইক-সকলে সামাজিক জীৱনত এক- অভিলেখ স্থাপন কৰাৰ উপৰিও এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি-ছিল। আহোম ৰজাসকলে ব্যক্তিগত অনুষ্ঠানৰ উপৰিও ব্ৰাহ্মণ, দল দেৱালয়লৈ মাটি দান দিছিল।

ন্যায় আৰু শান্তিৰ প্ৰতীক হিচাপে আহোম ৰাজত্ব কালত এটা বিচাৰ বিভাগ আছিল। উল্লেখ আছে যে তিনিজনা মন্ত্ৰী, বৰবৰুৱা, ফুকন, নিজ নিজ এলাকাধীন বিচাৰৰ দায়িত্ব বহন কৰিছিল। তেওঁলোকে গোচৰ লৈছিল আৰু বিচাৰ কৰিছিল। এওঁলোকৰ বিচাৰত সন্তুষ্ট নহলে প্ৰজা বা কৰ্মচাৰী সকলে ডাঙৰীয়াসকলৰ ওচৰত আপীল কৰাৰ সুযোগ পাইছিল। জনসাধাৰণে বৰবৰুৱা আৰু বৰ-ফুকনৰ ৰায়ৰ বিৰুদ্ধে ৰজাৰ ওচৰত আপীল কৰিব পাৰিছিল। এইটো ধৰাবন্ধা নিয়ম আছিল যে প্ৰত্যেক বিচাৰপতিয়ে গণক, কাকতি আৰু পণ্ডিত-সকলৰ মতামতলৈহে বিচাৰ কৰিব লাগিছিল।

আহোম ৰজাৰ বিচাৰ বৰ কঠোৰ আছিল। ৰজা, বালিচাহীৰ পৰা গজহস্তীলৈকে ৰাজ্যৰ ভিতৰত সকলোৰে অধিকাৰী। স্বৰ্গদেৱে অপৰাধীক নিজ ইচ্ছামতে জেৰেঙাত দিয়া, শূলত দিয়া, হাতীৰ ঠেঙত দিয়া, বৰশীত দিয়া, কোৰমাৰি কটা, চকু কঢ়া, আঠুৰ মিলা কঢ়া, নাক-কাণ কটা আদি দণ্ড কোনো নিয়মৰ বা Law Regulation ৰ বশ নোহোৱাকৈ কৰিব পাৰিছিল। পৰৱৰ্তী হৰন আৰু

সতীত্ব নাশৰ শাস্তি প্ৰাণদণ্ড আছিল। সেই কালত প্ৰাণদণ্ডৰ ভিতৰত ফাঁচী দি প্ৰাণ হত্যা কৰাটোৱেই বেছি সন্মানসূচক বুলি বিবেচিত হৈছিল।

ফৌজদাৰী মোকৰ্দমাৰ কোনো বিৱৰণ ৰখা নহৈছিল। মাটিবাৰীৰ বিচাৰ পুৰণি স্মৃতিশাস্ত্ৰ মতে হৈছিল।

আহোম ৰজাসকলে অসমতে তেওঁলোকৰ ৰাজ্য নিগাজিকৈ সুদৃঢ়ভাৱে সুপ্ৰতিষ্ঠিত কৰিয়েই ৰাজ্যৰ শাসন পদ্ধতিৰ পিনে বিশেষকৈ মনোনিবেশ কৰিছিল। আহোম সকলৰ শাসন পদ্ধতিয়ে অসম বুৰঞ্জীত এক নতুন গৌৰৱময় অধ্যায়ৰ সূচনা কৰিছিল। তেওঁলোকৰ শাসন প্ৰণালী কবলৈ গলে অতি সুশৃংখল আৰু উচ্চখাপৰ আছিল। আহোম ৰজাসকল বৰ প্ৰতাপী, ক্ষমতাশালী ৰজাৰূপে নিজকে প্ৰতিষ্ঠা কৰি ইতিহাসত এক উচ্চ স্থান অধিকাৰ কৰিছিল। তেওঁলোক প্ৰজাহিতৈষী আছিল, প্ৰজাৰ জীৱন, ধন সম্পত্তি আৰু ধৰ্ম ৰক্ষা কৰাটো আহোম ৰজাসকলৰ প্ৰধান কৰ্ত্তব্য আৰু দায়িত্ব আছিল।

ৰজাই আছিল সকলো ক্ষমতাৰ অধিকাৰী আৰু ৰাজ্য শাসনৰ প্ৰাণকেন্দ্ৰ। এই সকলোখিনি চালি-জাৰি চালে দেখা যায় যে আহোম ৰজাসকল তিনিজনা মহামান্য মন্ত্ৰীৰ উপৰিও অসংখ্যক কাৰ্য্যদক্ষ বিষয়া ৰাজ্যৰ ভিন ভিন প্ৰান্তত নিয়োজিত আছিল কাৰণ প্ৰতাপী, বাহুবলী আৰু যুদ্ধপ্ৰেমী আহোম ৰজা সকলৰ ৰাজত্ব কালত ৰাজ্যৰ আয়তন অভাৱনীয়ভাৱে সুদূৰ শদিয়াৰ পৰা গোৱালপাৰালৈকে বৰ্দ্ধিত হৈছিল। পৰম সৌভাগ্যৰ কথা যে পৰাক্ৰমী চুটিয়াসকল, কছাৰীসকল আৰু জয়ন্তীয়াসকলে আহোম ৰজাসকলৰ বশ্যতা স্বীকাৰ কৰিছিল। তদুপৰি আহোম ৰাজত্ব কালত জনজাতিসকলৰ লগত এক সুমধুৰ সম্পৰ্ক স্থাপন হৈছিল। গতিকে আহোম ৰজাসকল এক বিশাল ৰাজ্যৰ গৰাকী আছিল।

আহোম ৰজাসকল ন্যায় আৰু শান্তিৰ প্ৰতীক আছিল। ৰাজ্যত সুবিচাৰ সুপ্ৰতিষ্ঠিত হৈছিল। দণ্ডবিধি বৰ কঠোৰ আছিল। দোষীক কেতিয়াও ক্ষমা কৰা হোৱা নাছিল। ৰাজ্যত শান্তি শৃংখলা বিৰাজ কৰিছিল। কথিত আছে যে আহোম ৰাজত্ব কালত বাঘে ছাগে একে ঘাটত পানী খাইছিল।

কবলৈ গলে আহোম শাসন পদ্ধতি অতি উচ্চ আৰু চমকপ্ৰদ আছিল। সমগ্ৰ দেশৰ অৱস্থা সকলো দিশত জয়-জয় ময়-ময় হৈ উঠিছিল। মুঠৰ ওপৰত সচাঁকৈ আহোম শাসন প্ৰণালী গৌৰৱমণ্ডিত আৰু উজ্জ্বল চানেকীৰ এক আহি স্বৰূপ আছিল।

# সংগ্ৰাম

এম আবুল কালাম আজাদ
স্নাতক ১ম বাৰ্ষিক (কলা)

জগৎ সংগ্ৰামশীল। মানুহ সংগ্ৰামী। সংগ্ৰামৰ মাজতে আমাৰ জন্ম; জীৱন কালতো আমি সংগ্ৰাম কৰিব লাগে সুখে শান্তিৰে জীৱন নিৰ্ব্বাহ কৰিবলৈ। মৃত্যুৰ সময়তো আমাৰ সংগ্ৰাম নিয়তিৰ সৈতে। হৃদয়ৰ আবেগ অনুভূতিৰে সমৃদ্ধ চিন্তাশীল আৰু বুদ্ধিজীৱী মানুহ বিধাতাৰ সৃষ্টিৰ সৰ্ব্বশ্ৰেষ্ঠ জীৱ। মানুহৰ আকাশলংঘী কল্পনা আছে, সৌন্দৰ্য্যৰ মোহ আছে আৰু আছে জীয়াই থকাৰ দুৰ্ব্বাৰ আকাংক্ষা। আনহাতে দেহধাৰী মানুহৰ জীৱনৰ ক্ৰমবৰ্দ্ধনৰ এক গতি আছে। সেইবাবে আছে ভোগ-পিয়াহ; তাৰো ভিতৰত আছে ৰোগ-ব্যাধি, বিপদ-আপদ, বাধা-বিঘিনি—এই সকলোবোৰৰ বাবেই জীৱন ব্যাপী মানুহৰ অক্ষয় সংগ্ৰাম। কবিৰ ভাষাত—

"সৃষ্টিৰ দিনৰে পৰা নিয়তিৰ স'তে হৈছ
মানুহৰ সংগ্ৰাম অক্ষয়;
আমি তাৰ স্মৃতি স্তম্ভ, সোঁৱৰাই মানুহৰ
বীৰ্য্য আৰু নিয়তিৰ জয়।"

নিয়তিৰ জয় চিৰদিন। কিন্তু মানুহৰ সংগ্ৰামৰ যি অসীম বীৰ্য্য তাৰ স্তম্ভ যুগ যুগ ধৰি ধৰাৰ বুকুত অক্ষয়-অব্যয় হৈ ৰৈছে। তাৰ কাৰণে লাগে মানুহৰ সুস্থ সবল দেহ আৰু মন। শৰীৰেই সুখ শৰীৰেই সম্পদ শৰীৰ আৰু মন সুস্থ সবল থাকিলে মানুহৰ কৰ্ম্মশক্তি আৰু প্ৰেৰণাৰ আগত কোনো ৰোগ-ব্যাধি বা বিপদ-বিঘিনিয়ে মানুহক পৰাভূত কৰিব নোৱাৰে।

সংসাৰ যাত্ৰাত আমি কামনা কৰোঁ স্বচ্ছন্দতা, আনন্দ মুখৰতা আৰু নিৰংকুশ পৰমায়ু। তাৰ মূলধন হ'ল স্বাস্থ্য। স্বাস্থ্য লাভৰ উপায় হৈছে শাৰীৰিক শিক্ষা বা শৰীৰ চৰ্চ্চা; জীৱন সাফল্যময় কৰি তুলিবলৈ আমি কৰিবলগীয়া হওঁ অক্লান্ত পৰিশ্ৰম। সু-স্বাস্থ্য বিনে এই পৰিশ্ৰম অসম্ভৱ। সংসাৰীৰ বাবে সু-স্বাস্থ্যৰ যেনে প্ৰয়োজন, সংসাৰ ত্যাগী সন্ন্যাসীৰ বাবেও সু-স্বাস্থ্যৰ তেনে প্ৰয়োজন। সুন্দৰৰ পূজাৰী মানুহ নিজেই স্বাস্থ্য হানি হৈ অসুন্দৰ হ'লে আমি কেনেকৈ কম যে, "সুন্দৰৰ আৰাধনা জীৱনৰ খেলা।"

নিয়তিৰ কৰাল গ্ৰাসৰ পৰা মানুহৰ পৰিত্ৰাণৰ উপায় নাই। কিন্তু মানুহৰ কৰ্ম্মশক্তিৰে জীৱন সংগ্ৰামত বীৰদৰ্পে যুঁজি পৌৰুষৰ পৰিচয় দিব পৰাটোহে জীৱনৰ সাৰ্থকতা। কবিৰ ভাষাত -

"সংসাৰ যুঁজৰ ঠাই গুৱৰ সকাম নাই
কাচি-পাৰি যুঁজাসৰে কৰি প্ৰাণ পণ।"

জীৱন গোলাপৰ শয্যা নহয়। সংসাৰো শীতল পাটী নহয়। এই কথা উপলব্ধি কৰি অন্তৰৰ উদ্যম, প্ৰেৰণা আৰু উৎসাহ বুকুত বান্ধি কৰ্ম্মক্ষেত্ৰত মানুহ জপিয়াই পৰিলে; নিশ্চয় জীৱন সংগ্ৰামত আমাৰ জয় অনিবাৰ্য্য—চিৰ সত্য॥

# কবিতা করণি

## সূচী-পত্র


ৰঙাফুল ॥
কেইটিমান অন্তৰংগ ক্ষণ ॥
প্ৰতিদান ॥
অধীৰ অপেক্ষা ॥
জোন বাই এ ॥
প্ৰেমৰ স্তৱক ॥
ব্যস্ততা ॥
এটি শিশু ॥
আমি স্বদেশৰ নৱসত্তা ॥
এতিয়া সিহঁতে চিনি পালেনে ?
স্বহীদ ॥
তেতিয়াৰ হলেও যেন এতিয়াৰ ॥
চানেকি ॥
বিপ্লবীৰ আহ্বান ॥

ৰহমত আলী মণ্ডল।
অধ্যাপিকা কল্যাণী দাস।
মধু দাস।
ধৰ্ম কান্ত ঠাকুৰীয়া।
আব্দুল মান্নাফ আহমেদ।
নমিতা দাস।
তীৰ্থলোচন মেধি।
এম. কে. এ. মণ্ডল।
বিপুল প্ৰসাদ চৌধুৰী।
প্ৰতিভাৰাণী গোস্বামী।
ৰঞ্জিত পাটোৱাৰী।
আব্দুলহক আহমেদ।
গীতাশ্ৰী দাস।
ধৰিত্ৰী মেধি।

# ৰঙা ফুল



ৰহমত আলী মণ্ডল
স্নাতক ২য় বাৰ্ষিক

ৰঙা ৰঙা ফুল
দেখিলে আজিও
তোমালৈ মনত পৰে,
কিয় জানা ??
মোৰ এই হৃদয় ৰক্তৰঙীন
তোমাৰ মৰমেৰে ॥
তোমাৰ কুঞ্জবনত
যেতিয়া গোলাপে
প্ৰথম পাহি মেলে,
বহাগী পুৱাত
নিজানে যেতিয়া
কৃষ্ণচূড়া ফুলে।
তোমালৈ মোৰ মনাই মনত পৰে
মোৰ এই হৃদয় ৰক্তৰঙীন
তোমাৰ মৰমেৰে
দূৰৰ বনত শিমলু পলাশ
উঠিছিল যে ফুলি
তোমাৰে মোৰে
চিনাকি সেই
ফাগুনৰ পধুলি।
দুটি মন এটি হৈছিল
প্ৰীতিৰ দোলেৰে
ৰঙা ৰঙা ফুল
দেখিলে আজিও
তোমালৈ মনত পৰে ॥

---

(১৯৮৭-৮৮ চনৰ মহাবিদ্যালয় সপ্তাহ সমাৰোহৰ সাহিত্য প্ৰতিযোগিতাত পুৰস্কাৰ প্ৰাপ্ত (২য়) কবিতা)

# কেইটিমান অন্তৰঙ্গ ক্ষণ

অধ্যাপিকা কল্যাণী দাস

১

দাপোনৰ কাষত
যেতিয়া বহোঁ মই
ধূলিৰে ঢাক খাই থাকে
গোটেই দাপোনখন
আজি কৰিছোঁ মন
নুগুচা, গুচাব নোৱাৰা
সেই ধূলি মোৰ নিজৰ মাজৰ।

২

ভাবিছিলোঁ মনে মনে
হাত মেলি দিলে
চুকি পাম বহল আকাশ
হৃদয়ৰ হেজাৰ বেজাৰ তেতিয়া
নিমিষতে হব নাইকিয়া।
এনাহতে উটি গ'ল সোণালী সময়
নিজকে দিলো মাথো ফাকি
আকাশ আঁতৰত নাপাও চুকি
পথৰ সম্বল এতিয়া
হতাশাৰ অন্তৰ্দাহী জ্বালা।

৩

বহুদিন শুনা নাই
গান মোৰ নিজৰ মাজৰ
আনে কৰা অনাদৰ
সহা পাহৰা সহজ
নিজৰ সৰু সৰু অভিযোগ
নিজৰ সৰু সৰু দুখ
কৰি অৱহেলা
কৰিলোঁ নিজকে অনাদৰ
সেই বাবে সৰু বীণখনি
হ'ল চুৰমাৰ
নাবাজে নাবাজে কেতিয়াও
গান মোৰ বুকুৰ মাজৰ।

xxx

# প্ৰতিদান

শ্ৰীমধু দাস
স্নাতক তৃতীয় বাৰ্ষিক

তোমাৰ কথা মনত পৰিলেই
মোৰ কপালৰ ঘাম মাটিত পেলাই
হাড়ভগা পৰিশ্ৰম কৰিবৰ মন যায়
দুখীয়াক তুমি ঘিণ কৰা
সেই বাবেই মই আজি
অৱহেলিত।
তাৰবাবে দোষ মই কাকোৱেই নিদিওঁ
ভাল বস্তুৰ আদৰ সদায়েই
সেয়েহে—
স্বাচ্ছন্দ্য মানুহৰ চিৰকাম্য;
দুখ মই কৰা নাই কেতিয়াও
কেৱল একান্ত মনে ভগৱানক খাটিছোঁ।
তুমি মোক একেবাৰে নগ্ন কৰি
মোৰ সকলো লৈ যোৱা
মাথো মোৰ ভালপোৱা, মোক ঘূৰাই দিয়া।
বোধহয় সেয়ে—
মোৰ হৃদয়ত তুমি আজিও বিদ্যমান
নিস্বলা মই কেতিয়াবাই হলোঁ।

# অধীৰ অপেক্ষা

শ্ৰীধৰ্মকান্ত ঠাকুৰীয়া
উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক
(কলা বিভাগ)

মোলৈ যদি মৰম আছে
তুমি আহিবা,
আহিবা—
এই শৰততে কিম্বা বহাগতে
শৰতৰ শেৱালীৰ সতে
কিম্বা বহাগৰ বৰদৈচিলাৰ সতে
সখি পাতি
নিয়ৰ মুকুতাৰ সতে নাচি-বাগি
মোৰ ফুলনিলে পুৱতি ধৰাত বগা ৰং চটিয়াই
কিম্বা সূৰুজৰ হেঙুলী কিৰণ তোৰ গাতে সানি।
উজলাবা মোৰ সেই সোণালী পুৱা মিঠা আভাৰে
তুমি আহিবা! আহিবা তুমি!
আঘোণ বা ফাগুনতে
শীতৰ সতে কথা পাতি পাতি
উমলগা মোৰ বিছনাৰ কাষতে ৰবাহি নীৰবে
পুৱতি সপোনত দেখা দিবাহি
নাইবা তুমি আহিবা পচোৱাৰ সতে হিলদল ভাঙি
ঠৰঙা গছৰ বুঢ়া পাত সাৰি পৃথিৱীক নিকা কৰি
পলাশ, শিমলু মদাৰৰ ৰঙা ৰঙেৰে
আকাশত ফাকু খেলি খেলি।

# জোন বাই এ

আব্দুল মান্নাফ আহমেদ
উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক
( বিজ্ঞান শাখা )

নিচেই সৰু আছিলোঁ
তেতিয়া মই।
মোক কোলাত সাৱটি
জোন বাইক হেনো
বেজি এটি খুজিছিল
আইতাই মোলৈ বুলি
নিতৌ জোনাকত বহি
জোন বাই এ বেজি এটি দিয়া .....
হাতী কিনিবলৈ
ধনৰ মোনা সীবলৈ
আয়েও খুজিছিল এদিন
জোন বাইক বেজি এটি ;
আৰু দেউতাইও।
এৰা,
বেজি এটি মোৰ বৰ প্ৰয়োজন এতিয়া
পিছে,
মোৰ উৰলা কামিজটো
সীবলৈ হে বুলি,
ধনৰ মোনা সীবলৈ নহয়
জোন বাই এ বেজি এটি দিয়া.......

# প্ৰেমৰ স্তৱক

শ্ৰীনমিতা দাস
উচ্চতম মাধ্যমিক ২য় বাৰ্ষিক ( কলা)

ভালপোৱা চাগে এনেকুৱাই
কম বুলি ভাবোতেই
লাগিল খোকোজা
কাক কৈ পাতলাঁও
দুখৰ বোজা।
ভাল পোৱাত গা ধুই
নিজৰ স'তেই উমলিলো
বুজিতো নাপালা সখী, ভাল পোৱা বোৰ
তোমাৰ কৰবীত গুজি দিলোঁ।
কম কম বুলি কোৱাতো নহল।
ভাৱবোৰ গোট মাৰি
কবিতা হ'ল,
ভাবিলেই ভাল লাগে
ফুল কোমল
আতোল তোল।

# ব্যস্ততা

কাৰ বাবে বাৰু
আকাশৰ বিশালতা
ধৰাৰ বুকুৰ চেনেহ নিজৰা ?
শাৰদী পুৱাৰ
তল সৰা শেৱালীৰ
নিয়ৰৰ স্নিগ্ধ অনাবিল স্নিগ্ধতা ?

কাৰ বাবে বাৰু
সেউজী ধাননি ভৰাৰ
সোণালী হাঁহিৰ পবিত্ৰতা।

কাৰ বাবে বাৰু
নিয়ৰৰ টোপালৰ
বিলীন মুহূৰ্তৰ ব্যগ্ৰতা ?
হাঁহি হাঁহি মলয়াই মাথো কলে
"তোমাৰ বাবেই প্ৰিয়
তোমাৰ বাবেই
এই ব্যস্ততা।"

শ্ৰীতীৰ্থলোচন মেধি
স্নাতক তৃতীয় বাৰ্ষিক

# এটি শিশু

এম. কে. এ. মণ্ডল
স্নাতক প্ৰথম বাৰ্ষিক

মই !
তেতিয়া নিচেই সৰু
সহায় লৈ অইনৰ ;
থিয় দিব পাৰোঁ ।
আহিছিল প্ৰশ্ন
বহু মনত !

উত্তৰ বিচাৰি
সুধিলো মাক
কোৱা মা,
মহাভাৰত কি ?
আকৌ জোন-বেলি ??
কোৰাণ কি ?
তৰা হাতী পতী ??
মা, কোৱা !
কীৰ্ত্তন কি ?
ৰামায়ণ ৰামৰ কিবা হয় নেকি ?? (?)
এনেদৰে কলে
মায়ে, চোৱা !!
মহাভাৰত ৰস গোল্লা !
কোৰাণ ক'লপাত
জোন-বেলি ত'ৰা
হাতী পতী কীৰ্ত্তন
ৰামৰ ল'ৰা ।
কলেনে মায়ে মিছা ?
নাই কোৱা !!
বৰ্তিয়াকে বুজিছোঁ
মই এতিয়া --
সচায়ে মহাভাৰত ৰসগোল্লা
আৰু......
তেতিয়া আছিলোঁ মই,
সৰু এটি শিশু ।

XXX

(১৯৮৭-৮৮ চনৰ মহাবিদ্যালয় সপ্তাহ সমাৰোহৰ সাহিত্য প্ৰতিযোগিতাৰ পুৰস্কাৰ প্ৰাপ্ত ( স্থান ) কবিতা ।)

# আমি স্বদেশৰ নৱসত্তা

শ্ৰীবিপুল প্ৰসাদ চৌধুৰী
স্নাতক ১ম বাৰ্ষিক

আমি বিপ্লৱী জনতা,
আমি সংগ্ৰাম কৰোঁতা ;
আমি শান্তি ৰচোঁতা ।

অসমীৰ কোলাতে জনম আমাৰ,
আমি ন পোহৰ আনোতা,
আমি স্বদেশৰ বিচাৰোঁ নৱসত্তা ।

মৃত্যুঞ্জয়ী ঐক্য কণ্ঠেৰে আমি
গাওঁ অস্তিত্ব ৰক্ষাৰ গীত,
অহিংসা বাণীৰে জয় কৰোঁ
শত-সহস্ৰ জনৰে চিত ।
আমি এইখন দেশৰে নিৰ্ভীক জনতা,
হাঁহাকাৰ নাশি আনো নিৰাপত্তা ।
কত জাতি উপজাতিৰ সমন্বয়ত
গঢ়ি উঠা এইখন অসমদেশ ;
অপূৰ্ব মিলনৰ সেতু বান্ধোনৰ
এইখন বিশ্ব বৰেণ্য দেশ ।
আমি দুৰ্বাৰ সাহসেৰে অগ্ৰগামী হৈ
স্বদেশৰ বিচাৰোঁ নৱসত্তা ।

# এতিয়া সিহঁতে চিনি পালেনে ?

মিচ প্ৰতিভা ৰাণী গোস্বামী
স্নাতক ১ম বাৰ্ষিক

প্ৰস্তৰ দুৱাৰেৰে আবৃত
নিমাত নিজম
চিৰ আন্ধাৰ এই গহ্বৰত
আমি
মৰা সাপৰ দৰে পৰি আছোঁ ;
আচম্বিতে সাৰ পাই শুনিলো
শব্দ !
প্ৰস্তৰ দুৱাৰ ভঙাৰ,
আৰু !!
বিৰাট জনতাৰ চিঞৰ
সাতাম পুৰুষীয়া চমতাৰ কোবৰ
আমাৰ কেঁচা ঘা আৰু
ক্ষত বিক্ষত কলিজাৰ তেজবোৰ
পুনৰ সতেজ হৈ উঠিল
সুৰুযৰ উদ্দীপ্ত পোহৰত
এতিয়া সিহঁতে চিনি পালেনে !?
হয়তো নাই পোৱা !!

## তেতিয়াৰ হলেও যেন এতিয়াৰ

আব্দুল হক আহমেদ
স্নাতক ১ম বাৰ্ষিক

প্ৰতিখন হৃদয়ত স্পন্দিত হৈ
সোৰৰাই লিয়ে অসংখ্যবাৰ
'৮৩ ৰ যুদ্ধ সেই অসমৰ।

জ্বাহি উঠে চকুত লিলিৰ কথা
জ্বলিব লাগিছে চৌদিশ জুৰি
নোমাৰ টুকুৰা চিটিকি পৰিছে
সাহসী বুকু বিদীৰ্ণ কৰি।

কাৰ্চপুৰি ছাই
নতুন ধ্বংস, কাটা লগা তাঁৰ
মনৰ চকুত জ্বাহি উঠিছে
তেতিয়াৰ হলেও যেন এতিয়াৰ।

## শ্বহীদ

শ্ৰীৰঞ্জিত পাটোৱাৰী
স্নাতক প্ৰথম বাৰ্ষিক

নীলা আকাশৰ তলত আজি
মানুহে চাইছে মানুহৰ ভাওনা সাজি
কত-শত হৈছে মহান শ্বহীদ
দেশৰ কাৰণে বুকুৰ তেজ দি।

লুইত বয় উলাহতে নাচি বাগি
তাকো কৰি দিলে ৰাঙলী
স্বদেশ প্ৰিয় সেই মহান ব্যক্তি
দেশৰ কাৰণে বুকুৰ তেজ দি।

শ্বহীদৰ কলিজাৰ তেজেৰে
দেশ আজি গঢ়ি উঠে
কত-শত জন জ্ঞানীলোকে
দেশ ভঙাৰ ফাং পাতে।

দেশৰ মাজত আজি জুই জ্বলি উঠে,
ৰণ শিঙা, ধ্বংশিঙা ঘনে ঘনে কপে,
সুপ্ত মানুহৰ টোপনি আজি ভাঙে
থলুৱা বনুৱা আৰু নতুন অসমীয়া জাগে।

# চানেকি

মিচ্ গীতাশ্ৰী দাস
স্নাতক ২য় বাৰ্ষিক

যুগান্তকাৰী মঞ্চত নৃত্যৰত
সেয়া কোন উৰ্বশী, মেনকা ?
কিন্তু ! আজিৰ যে সময়
প্ৰতিযোগিতাৰ······ ···
এয়া যে সময় হ'ল
ন-সমাজক আঁকোৱালি লোৱাৰ।
আমাৰ প্ৰগতিৰ গতিত
গাঁথি যাওঁ আঁহা
নতুনৰ মালাধাৰি।
"হে অনাগত" বন্ধু মোৰ,
তোমালোকতো চিন্তগ্ৰস্ত নোহোৱা !
আমাৰ ফছিলত— জন্ম তোমাৰ।
সেয়ে, হে ডেকাদল !
ডেদাডেৰ্দৰ তোৰণ খুলি
গাই যাওঁ আঁহা আমি
একতাৰ জয়গান·········
অন্যায়, অসত্যক পাহৰি
লও আমি সত্যক আদৰি।
লুইতপৰীয়া আমি
নাই যাম লুইতী বঠা।
অসুন্দৰক আঁতৰাই
লম আমি সুন্দৰক আকোঁৱালি।
"হে অনাগত !" তোমালোকলৈ
তাৰেই থৈ যাম
মাথো চানেকি এটি।
কৰোঁ আহাঁ সংগ্ৰাম আমি···।

# বিপ্লৱীৰ আহ্বান

শ্ৰীধৰিত্ৰী মেধি
স্নাতক ২য় বাৰ্ষিক

হেৰৌ, দেশৰ কাল়শত্ৰু !
নিজৰ দেশৰ বায়ুপানী খাই
কৰিছ বিদ্ৰোহ আইৰ বিৰুদ্ধে—
পাহৰিছ নিজৰ অস্তিত্ব কিয় ?
মোৰ সংগ্ৰামী চেতনাত
বাজিছে বিপ্লৱৰ জয়গান।
হেৰৌ দেশৰ কালশত্ৰু !
প্ৰতাৰক, নৰখাদক শোষকৰ দল
দৰিদ্ৰ জনতাক কৰিবি কিমান শোষণ ?
ক্ষুধিক্ষু্ৰ কেঁচা তেজ আইৰ বুকুৰ,
পান আৰু কৰিবি কিমান ?
আইৰ কলিজাৰ ৰক্তেৰে বোলাই
আমোনৰ পথাৰৰ
সোণ গুটিৰে মেটমৰা কৰিলি
তহঁতৰ ধানৰ ভঁৰাল।
আইৰ বুকুৰ মাটিত, পথে পথে আজি
খাদ্যবিহীন এক নৰকংকালৰ শোভাযাত্ৰা !
সংস্থানবিহীন এক জনতাৰ মিছিল।
হেৰৌ, দেশদ্ৰোহী, জাতিদ্ৰোহী,
আইক আৰুনো কৰিবি কিমান শোষণ ?
হে শোষিত, দৰিদ্ৰ জনতা মোৰ !
ওলাই আহ ! বিজয় উল্লাহৰ বিপ্লৱী সাজেৰে
দেশদ্ৰোহী, জাতিদ্ৰোহী, দানৱ ধ্বংসৰ হেতু
ওলাই আহ নতুন সাজেৰে
ৰাঙলী পুৱাৰ ন-সূৰুয হ'ই
ওলাই আহ, ওলাই আহ
এয়া যে আন্ধাৰৰ বিদায় সন্ধিক্ষণ ॥

# ॥ সূচী পত্ৰ ॥

## ঃ গল্প গুচ্ছ ঃ

আশা

পৰিবৰ্ত্তন

বিদুৰ

স্বীকাৰোক্তি

বিকল্প

নমিতা দাস

অমিতাভ দাস

অধ্যাপক বীৰেন্দ্ৰ কুমাৰ দাস

দিলীপ কুমাৰ শৰ্মা

অৰনী কুমাৰ কলিতা

# আশা

শ্ৰীনমিতা দাস
উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক (কলা)

তিতা চুলিখিনি পুৰণি ফিচিকি যোৱা গামোচাখনেৰে মচি মচি, বাঁহৰ বেৰখনৰ মাজত থকা খিৰিকী আকাৰৰ অলপ বহল বাটটোৰে ৰেখাই বাহিৰলৈ চালে। আঘোনৰ ৰাতিপুৱাৰ মিঠা ৰ'দখিনি আহি বাঁহ তলৰ ৰঙা মাটিৰে মিহিকৈ মচি থোৱা পিৰালিটোত পৰিছেহি। কেইদিনমান আগতে পুহিবলৈ অনা পাৰ চৰাই হালে চোতালৰ আগতে দুবৰি বন কেইজোপাৰ মাজত পৰি থকা ধান বুটলি খাই ফুৰিছে।

ৰেখাই চুলিখিনিৰ পানী মচি মূৰটো ফণিয়াই ললে। খোপাটো বান্ধি সেন্দুৰৰ টেমাটোৰ পৰা সেন্দুৰ অলপ উলিয়াই শিৰত দীঘলীয়াকৈ লৈ ওৰণিখন টানি ললে। সৰু আয়নাখন ডাঙিলৈ এবাৰ নিজকে চালে। ওৰণিসহ নিজকে দেখি ৰেখাৰ লাজ লাগিল। বোৱাৰী জীৱনৰ সম্পূৰ্ণ তেৰটা বছৰৰ পিছত পাৰ হৈ যোৱা সময়খিনিত কি পালে, কি নাপালে জুকিয়াই চাবলৈ মন গ'ল ৰেখাৰ। হঠাৎ তাইৰ মনত পৰি গ'ল ৰাতিপুৱাৰ বাহি বন কৰি গা ধুলে হয় – এতিয়ালৈকে তাইতো একো খোৱা নাই ; আনকি গিৰীয়েককো একো খাবলৈ দিয়া নাই আৰু কেচুৱাটোকো গাখীৰ দিয়া নাই।

ৰেখাই কাপোৰখিনি সংযত কৰি কোবাকুবিকৈ ওলাই আহি দুৱাৰ মুখত পৰ্দাৰ নামত আঁৰি থোৱা পাতল কাপোৰখন এঁাতৰাই খোজ দিওঁতেই সম্মুখত গিৰীয়েক ৰাতুলক দেখি তাই একে খোজতে ৰৈ গ'ল। নহলে ৰাতুলৰ গাত খুন্দা খাই গ'লহেতেঁন। ৰাতুলে ৰেখালৈ একেথৰে চাই ৰ'ল।

তাইৰ কি কৰিব কি নকৰিব এনে ভাব হ'ল। হাঁহি এটা মাৰি তাই যাব খোজতেই ৰাতুলে কলে—

'তোমাৰ গা ধুওঁতে ইমান সময় লাগেনে ?' ৰেখাই একো নকলে। 'লৰাটোৱে ভোকত ইমান কান্দিছে—আমনি কৰিছে, তুমি গম পোৱা নাই। মই অন্য কাম নকৰিলে হব জানো ?'

তাই ৰাতুলৰ সম্মুখৰ পৰা আতৰি বেগাবেগিকৈ আগফালে বাৰান্দাত শুৱাই থোৱা কেচুৱাটোৰ ওচৰ পালেগৈ। ৰাতুলেও তাইৰ পাছে পাছে আগফালৰ বাৰান্দা পালেহি।

ৰেখাই কেচুৱাটো কোলাত তুলি নিচুকাই

গাখীৰ খুৱাইছে। আগকালৰ ভাগি-চিগি যোৱা হেঙাৰখনৰ কাষত থকা কোৰখনৰ নালটোত হেচা এটা দি ৰাতুলে ৰেখালৈ চালে। সি যেন কেচু-ৱাটো জন্ম হোৱাৰপৰা আজিহে ৰেখাক গাখীৰ খুৱাই থকা অৱস্থাত দেখিছে। ৰেখাইতো সদায় এনেদৰেই কেচুৱাটো কোলাত লৈ নিচুকাই থাকে। অথচ আজিৰ সৌন্দৰ্য্যখিনি ৰেখাৰ গাত আগতে সি কোনোদিনেই দেখা তাৰ মনত নপৰে, পৰা নাই। যেন তাক তন্ময় কৰি ৰাখিছে দৃশ্যটোৱে।

সি কিমান সময় চাই আছিল নিজেই নেজানে। কেচুৱাটোৱে আপোন মনে হাত-ভৰি জোকাৰি ৰেখাৰ বুকুত মূৰ গুজি গাখীৰ খাইছে। ৰেখাই তাৰ ঘন কিচ্‌কিচিয়া চুলিখিনিৰ মাজত হাত বুলাই কিবা এটা বিচাৰিছে। তাৰ চকুৰ কোণত লাগি থকা ফেচকুৰিখিনি চাদৰৰ আচলৰে মচি দিছে। মুখেদি বৈ যোৱা গাখীৰ খিনিও মাজে মাজে মচি দিছে। ৰাতুলৰ সেই একেই চাৱনি। সি একো নামাতিলে। মনৰ ভিতৰতে আনন্দ মিশ্ৰিত হাঁহি এটা বিৰিঙি উঠিল। ৰাতুলে কোৰ-খন লৈ পাছফালে যাব খোজতেই ৰেখাই ক'লে - 'এতিয়ানো কি কৰে? অলপ সময় মা অহা-লৈকে ইয়াৰ ওচৰতে থাকক। মা আহিলে কি কৰে কৰিব।

ৰেখাই কেচুৱাটো কোলাৰ পৰা নমাই মজিয়াত পাৰি থোৱা ঠৈলাখনৰ ওপৰত শুৱাই ভিতৰলৈ গ'ল। পোনাটোক এৰি যাবলৈ ৰাতুলৰ মনে নকলে। কোৰখন তাতে পেলাই থৈ সি আকৌ কেচুৱাটোৰ ওচৰ পালেহি। বাৰান্দাত থকা পিৰা এখনতে সি বহি পৰিল। মাক এতিয়াও অহাই নাই। গাখীৰ আনিবলৈ গৈ মাকে যথেষ্ট দেৰি কৰিছে। কেচুৱাটোৰ কাৰণে গাখীৰৰ উথনা এটা লৈছে। দিনে আধা পোৱাকৈ। নহলে যে আন উপায় নাই। পইচা পাতিৰো যথেষ্ট অভাব। আৰ্থিক অভাবে তাক জুৰুলা কৰিছে। যোৱা মাহৰ গাখীৰৰ পইচাখিনিকেই সি দিব পৰা নাই। ধান বেচিবলৈও ধান কম। যেনে তেনে সাত মাহমান খাবলৈ জোৰেহে।

কেচুৱাটোলৈ ৰাতুলৰ বহুত আশা। সি তাক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি তুলিব। নিজে নেখাইও তাক খুৱাব। সি আকৌ এবাৰ কেচু-ৱাটোৰ পিনে চালে। মৰাপাতৰ বস্তাৰ ভিতৰত ধানখেৰ অলপ দিয়া আছে। তাৰ ওপৰত ফটা মলিয়ন কাপোৰ দুখন জাপি কোনো ৰকমে তাক বিচনা এখন কৰি দিছে। তাতেই সি পৃথিৱীৰ সমস্ত দুখ যন্ত্ৰণা পাহৰি চকু দুটা বহলকৈ মেলি ওপৰলৈ চাই হাত ভৰি জোকাৰি হাঁহি হাঁহি শুই থাকে। সেই হাঁহিত সি কেতিয়াবা নিজকে পাহৰি পেলায়। সেই হাঁহিত সি আপ্লুত হৈ পৰে। বস্তাৰ ভিতৰত থকা শৌচ প্ৰস্ৰাবেৰে সিক্ত খেৰখিনিৰ মাজেতেই সি খোজ কাঢ়িব নোৱাৰালৈকে আনন্দ মনেৰে ডাঙৰ হব লাগিব।

অকণমানি কেচুৱাটোক জীৱনৰ প্ৰাৰম্ভণিতে দিব নোৱাৰা সুবিধাখিনিলৈ ৰাতুলৰ মনত পৰিল। ৰাতুলৰ পিতৃ নিচেই সৰুতে মৰিছিল। শিশুৰ অন্তৰ্বেদনাখিনি উপলব্ধি কৰি তাৰ বুকুখন বিষাই উঠিল। মনৰ মাজত গুজৰি গুমৰি থকা শোক-খিনি পুনৰ উথলি উঠিল। সি ইফালে সিফালে এবাৰ চালে। কোনোবাই তাক দেখিছেনেকি? নাই কোনো নাই।

সি বহাৰ পৰা উঠি আহি সিহঁতৰ জীৱনৰ প্ৰথম সন্তানটো তুলি ললে। কোলাত তুলি উপৰ্যু-পৰি গালে মুখে চুমা খালে। আনন্দ অথ... বেদনাৰে ভাৰাক্ৰান্ত দৃষ্টিৰে কেচুৱাটোলৈ এক... থৰে চাই থাকিল।

কেচুৱাটোক পুনৰ বিচনাখনত শুৱাই দিওঁতে... ৰেখাই মৰমেৰে সুধিলে—'কিবা আমনি কৰিছে নেকি?

'নাই, কৰা নাই।' ৰাতুলে লাহেকৈ ক'লে... তাৰ অৱস্থাটোৰ বিষয়ে বুজি ৰেখাই ...

একো নকলে। তাই পানী আনিবলৈ বুলি পুখুৰীৰ ঘাট পালেগৈ।

পদুলি মুখেদি ৰাতুলৰ মাকক অহা দেখি ৰেখাই পুখুৰীৰ ঘাটৰ পৰাই মাত লগালে 'মা'! আজি ইমান সময় কৰিলি, কি হ'ল গাখীৰ নাপালি নেকি?' মাকে একো নামাতিলে। বাৰান্দাত ৰাতুলক বহি থকা দেখি ক'লে "যোৱা মাহৰ গাখীৰৰ পইচা দিবলৈ আছে কাৰণে গাখীৰ নিদিলে। মইনো কি কম! জোনালীৰ মাকৰ ওচৰলৈ গলোঁ – সিহঁতৰো নাই।"

ৰাতুলে একো নামাতিলে। ৰেখাই পুখুৰীৰ ঘাটৰ পৰাই সকলো শুনি আছিল। পানী কলহ বুৰাই তাই কালৈকো নোচোৱাকৈ গুচি আহিল। ৰাতুলৰ কাষেৰে ভিতৰলৈ যোৱাৰ সময়ত ৰেখাই কৈ গ'ল 'নাই যেতিয়া নালাগে, আপুনি এতিয়া মূৰ ঘমাই কি কৰিব? পাবনো ক'ত।'

একে উশাহতে কথাখিনি ৰাতুলক উদ্দেশ্য কৰি কৈ তাই ভিতৰ সোমাল। ৰঙা, গাখীৰ নোহোৱা চাহ দুবাতি বাকি আনি তাই মাক আৰু ৰাতুলৰ হাতত দিলে। চাহখিনি খাই ৰাতুলে কোৰখন লৈ পিছফালে থকা কবিতলি পালেহি।

কবি কেইটাৰ গুৰিত কোৰমাৰি থাকোতে সি ভাবিলে - ৰেখাৰ যে তাৰ ওপৰত খং এটা আছে সি ভালকৈ জানে। আঘোন মাহটো শেষ হবলৈ আৰু দুদিন নে তিনিদিন আছে। সিহঁতৰ যি দুই এডৰা ধান আছিল তাকে দাই শেষ হ'ল। ৰেখাই ভাবে নিজৰ নাই যেতিয়া লোকৰ ঘৰত ধান দাই দিলেহে নিজৰ নোহোৱা সময়ত আনে এমুঠি দিবলৈ ভাল পাব।

কিন্তু ৰাতুলে ৰেখাক যাবলৈ দিয়া নাই। আনৰ বোৱাৰী বিয়াৰ পিছত পাঁচছবছৰলৈ পথাৰত নোলায়। তাই যোৱা বছৰ আহিয়েই খেতিত লাগিব লগীয়া হ'ল। আকৌ এতিয়া লোকৰ ঘৰত ধান দাই পইচা বা ধান গোটাবলগীয়া হলে আনে নহলেও সি বৰ লাজ পাব। ৰাতুলে সেইটো কেতিয়াও সহ্য কৰিব নোৱাৰে। সেয়ে ৰাতুলে ভাবিলে যিমান দুখ-কষ্ট কৰিব লাগে সি নিজেই কৰিব। তথাপিও ৰেখাক আনৰ ঘৰত বা পথাৰত কাম কৰিবলৈ যাব দিব নোৱাৰে। কিন্তু ৰেখাৰ যে বৰ ইচ্ছা। ৰেখাৰ মনত আঘাত দিয়াতো জানো ভাল হব!

ৰাতুলৰ আকৌ গাখীৰৰ কথাটো মনত পৰিল। গাখীৰ অকণমান যেনেতেনে কেচুৱাটোৰ কাৰণে যোগাৰ কৰিব পৰা হলে ভাল আছিল। সিহঁত যদি দুয়োটাই আনৰ পথাৰত কাম কৰি দিয়ে...।

ৰাতুলে কথাখিনিৰ মাজতে কোৰ মাৰি থাকিল। এইবাৰ খেৰ অলপ কিনিব নোৱাৰিলে বাৰিষা ঘৰৰ ভিতৰত থকা আৰু বাহিৰত থকা একে কথা হব। সি ভাবিলে যেনে তেনে খেৰ অলপ আনি খোচ মাৰিবই লাগিব। মুধচটো নাই বুলি কলেও ভুল কৰা নহয়। বাৰান্দাৰ খুটা কেইটাও সলাবৰ হ'ল। যেনে তেনে থিয় হৈ আছে বুলিহে।

পাকঘৰ বুলিবলৈ অন্য এটা ঘৰ নাই। একেটা ঘৰতে ৰান্ধিবও লাগে থাকিবও লাগে। ৰেখাৰ দুখনমান কাপোৰৰ প্ৰয়োজন; কিন্তু আনি দিব পৰা নাই। ক'তা আজিলৈকেতো তাই ৰাতুলক এইবোৰৰ বিষয়ে একো কোৱা নাই।

ঘৰটোৰ বেৰ কেইখনো নতুনকৈ দিব পৰা নাই; দিব পৰা হলে ভালেই আছিল। বেৰবোৰৰ মাটিবোৰ কেতিয়াবাই খহি গৈছে। ৰেখাইনো হ'ল বুলি পুৰণিবেৰকেইখন কিমান মচিব। আজি মচিলে পাচ দিনা খহি পৰে। মাজত থকা ইকৰা আৰু বাঁহখিনি কিমান দিন নপচাকৈ থাকিব। বাঁহ দুডাল মানো কিনিব লাগিব। সি ভাবিলে, নহয়, বাঁহৰ আগতেই খেৰ অলপ কিনাটোহে ভাল হব; নহলে বাৰিষা কি অৱস্থা হব আনে কি বুজিব।

যোৱা বাৰিষাটোলৈ মনত পৰিলে ৰাতুলৰ বৰ দুখ লাগে। দিনে ৰাতিয়ে সমানে বৰষুণত তিতি থকাটো সহজ কথা নহয়। কেতিয়াবা

পাখি ভগা চৰাইৰ দৰে তাৰ বুকুখনৰ ভিতৰতো কিবা এটাই ধপধপাই থকাৰ উমান পাই ৰেখাক সাৱটি ধৰি মৰম কৰি দিবলৈ মন যায় তাৰ।

ধনীৰ দুলালী ৰেখাক ৰাতুলে জীৱন সঙ্গিনী কৰি ভাবিছিল যদি ৰেখাই আচল ৰূপটো হেৰুৱাই প্ৰেম ভাল পোৱাক টকা পইচাৰ তুলাচনিত জুখিব বিচাৰে, আৰু ৰাতুল, ৰাতুলৰ বৃদ্ধা বেমাৰী মাকক হেয় জ্ঞান কৰে তেতিয়া কি কৰিব ৰাতুলে? কিন্তু ৰেখাই আজিলৈকে একো বিচৰা নাই। মেট্ৰিকটো পাচ কৰাৰ পাচত ৰাতুলে কলেজৰ সোৱাদ লব নোপালে। তাৰ ইচ্ছা আছিল যদিও ঘৰুৱা অৱস্থাই ৰাতুলক পঢ়াৰ গতিত বাধা দিলে। বেমাৰী মাকৰ দুঃচিন্তাই তাক পঢ়িবলৈ সাহস নজন্মালে। সেই সময়তে অপ্ৰত্যাশিতভাৱে তাৰ জীৱনলৈ আহিল ৰেখা। কিয় জানো ৰেখাক ৰাতুলৰ বৰ মৰম লাগিছিল। কিন্তু ৰেখাই ৰাতুলক এৰি চলিব বিচৰা নাছিল। ৰেখাৰ কথা ভাবি এসাজ খাই এসাজ নাখাই জীৱন নিৰ্বাহ কৰাৰ কথা ভাবি ৰাতুলৰ ভয় লাগিছিল।

সমাজ সচেতনতাই শিক্ষিত ৰেখাক যথেষ্ট উৎসাহী কৰি তুলিছিল। তাই বুজি পাইছিল উচ্চ-নীচ, জাতি, ধৰ্ম-বৰ্ণ এইবোৰ সকলো ভুৱা। এই সমাজ ব্যৱস্থাত মাত্ৰ দুটা শ্ৰেণী—এটা শোষক আৰু আনটো শোষিত। তাৰ বাহিৰে সমাজত অন্য একো শ্ৰেণী থাকিব নোৱাৰে।

বি,এ,টো পাচ কৰাৰ পিছত মাক, দেউতাক আৰু ঘৰৰ সকলোৰে বিৰোধিতা কৰি ৰেখাই এদিন কৰ্টৰ সহায়েৰে ৰাতুলক সাৱতি ললে।

ভাদমহীয়া ৰ'দত ঘামিজামি ৰাতুলৰ মাকৰ লগত প্ৰথম দিনা পথাৰৰ পৰা হাতত পানী খোৱা জাগটো লৈ উলটি আহোঁতে ৰাতুলৰ দুখ লাগিছিল। কোনোদিনে পথাৰত কাম কৰি নোপোৱা ৰেখাই বিনা প্ৰতিবাদে পথাৰলৈ গৈছিল। চুটিকৈ পিন্ধা মেখেলাখনৰ তলেদি ওলাই থকা ভৰিৰ বগা, শকত কলাফুল দুটা জোকে খাই ৰাঙলি কৰিছিল। বোকাতে লুতুৰি-পুতুৰি হোৱা ৰেখাক ৰাতুলৰ জোকাবৰ মন গৈছিল। নাজোকালে। ৰাতুলে কৰিৰ মাজৰ ডাওৰ চপৰাখিনি কোৰখনেৰে ভাঙি সৰু কৰি দিলে।

বাৰিষাটো আহিলেই ৰাতুলৰ বুকুখন ভয়ত কপি উঠে। অকল গৰমৰ দিন কেইটাই জানো— ঠাণ্ডা দিন কেইটালৈও তাৰ ভয় লাগে। ফটা-চিতা কাপোৰ কিছুমান গোটাই মাকে চিলাই কৰি দিছে। ৰাতুলে ভাবিলে বাৰিষাৰ দিন কেইটা অলপ ভালেই। খেৰৰ জুমঠি এটা সাজি জ্বলাই অলপ বিচি দি ওচৰতে মাটিত পৰি থাকিলেই ৰাতি কেইটা পাৰ কৰি দিব পাৰি। মাত্ৰ গৰমৰ দিনলৈহে দিগদাৰ।

হঠাৎ ৰাতুলৰ সেই দিনটোলৈ মনত পৰি গ'ল। পোনাকণৰ জন্মৰ দিনটোৰ কথা। সেই দিনাহে সি ধৰিব পাৰিছিল মাতৃৰ প্ৰসৱ বেদনা কিমান যন্ত্ৰণাদায়ক, কিমান অসহ্যকৰ। এতিয়া মনত পৰিলে তাৰ চকু দুটা অজানিতে ভাত খাই থাকোতে দাঁতত শিলগুটি পৰিলে মুদ খাই যোৱাৰ দৰে সি কব নোৱাৰাকৈয়ে মুদ খাই যায়। তাৰ খুব ভয় লাগিছিল—জানোচা ৰেখাই চিৰদিনৰ বাবে এৰি থৈ যায়। সি ৰেখাৰ যন্ত্ৰণা দেখি স্থিৰ হৈ থাকিব পৰা নাছিল। এফালে পিতৃত্বৰ গৌৰৱ আনফালে ৰেখাৰ চটফটনিয়ে তাক যেনি তেনি ঠেলি লৈ ফুৰিছিল। মাকে গাৱঁৰ মানুহ দুজনী মাতি আনিছিল। সিহঁতেও একো কৰিব নোৱাৰিলে। অৱশেষত ডাক্তৰ আনিবলৈ ৰাতুল গুছি গৈছিল। ডাক্তৰক দিবলৈ টকা? .....

ৰেখাক দিবলৈ থোৱা সোণৰ সম্পত্তিৰ মাজত থকা একমাত্ৰ সোণৰ খুৰীয়াযোৰ মাকে গোলাপীৰ মাকৰ হাতত দিছিল। গাৱঁৰ ধনী মানুহ সিহঁত। গোলাপীৰ মাকৰ হাতত খুৰীয়াযোৰ দি টকা পঞ্চাশটা হাতত লৈ ৰাতুলৰ মাক ঘৰ পালেহি। অৱশেষত ডাক্তৰে ৰেখাক ভাল কৰিলে।

ৰাত্তুলে জানে সোণৰ খুৰীয়াযোৰ আৰু কোনো দিনে ঘূৰাই আনিব নোৱাৰে।

কবি তলিত কোৰ মৰা শেষ হ'লত ৰাতুলে ৰেখাৰ ওচৰ পালেহি। ৰেখাই আযোনৰ ৰ'দত বহি খৰাহী এটাত মূলা শাক অলপ কাটি আছে। ৰেখাৰ ওচৰতে বহি ৰাতুলে কলে—কালিৰ পৰা ধান দাবলৈ যাম ওলাবা। অন্ততঃ পোনাকণৰ পাখীৰৰ খৰচটোকে ওলাব।

ৰেখাই সন্তুষ্টিৰে ৰাতুলৰ মুখৰ পিনে চাই হাঁহিলে আৰু সুধিলে 'সচাঁনে? মিছা কোৱা নাইতো'? ৰাতুলে মাথো ৰেখাৰ আনন্দৰে ভৰা মুখখনলৈ চাই, হাঁহি এটি মাৰি লাহেকৈ কলে 'ওঁ সচাঁ!'

---

"মুঠতে ক'বলৈ গ'লে আমাৰ সমাজ আৰু আমাৰ সাহিত্য বিপৰীত দিশে চলিছে। আমাৰ সাহিত্যত আমাৰ সমাজৰ অভাৱ, আকাংক্ষা আৰু লক্ষ্য প্ৰকাশ কৰিবলৈ পাহৰিছোঁ। তেনেস্থলত সাধাৰণৰ সহানুভূতি ক'ৰ পৰা হব পাৰে?"

—কালিৰাম মেধি

সভাপতি, অসম সাহিত্য সভা, ৩য় অধিৱেশন, ১৯১৮

বৰপেটা

# পৰিবৰ্তন


শ্ৰী অমিতাভ দাস
উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক (কলা)


সন্মুখেৰে পাৰ হৈ যোৱা মানুহবোৰলৈ সি চাই থাকে অপলকনেত্ৰে। কিবা এটা পোৱাৰ আশাত হাত খন আগবঢ়াই দিয়ে। "এটা পইচা দিয়ক দেউতা" তাৰ মুখৰ পৰা ওলাই আহে এক সকৰুণ কণ্ঠস্বৰ। "হেই হেই, ভাগ ভাগ"—পেণ্ট চুট পৰিহিত বাবুহঁতৰ মুখৰপৰা বাহিৰ হয় এক অশ্ৰাব্য ভাষা। আপোনা আপুনি তাৰ হাতখন কোচ খাই আহে। এইবোৰ শুনি সি বেয়া নাপায়, দুখ নকৰে, কাৰণ এইবোৰ শুনি শুনি সি অভ্যস্ত হৈ গৈছে। এইদৰেই চলি থাকে এক নিঠকৰা জীৱন।

কেতিয়াবা তাৰ নিজৰ ওপৰতেই ধিক্কাৰ ওপজে। তেতিয়া সি মাগিবলৈ নাযায়। কিন্তু তাৰ পেটটো ভোকত শব্দ কৰি উঠিলেই সি ওলাই যায় বাহিৰলৈ কাৰণ তাক এমুঠি ভিক্ষা লাগে। কাৰণ সি জীয়াই থাকিব লাগে। দিনৰ দিনটো সি মাগি ফুৰে পেটৰ তাড়ণাত। কিন্তু তাৰ ফালে চকু দিবলৈ এই ব্যস্ত পৃথিৱীত কাৰো সময় নাই। ব্যস্ত মহানগৰী, ব্যস্ত জীৱন, ব্যস্ত যেন সকলো মানুহ। ৰাতিৰ বাসস্থান স্বৰূপে সি আশ্ৰয় লয় ওভাৰ ব্ৰীজৰ তলত নাইবা ৰেল ষ্টেচনৰ প্লেটফৰমত। সি কিন্তু অকলশৰীয়া নহয়। তাৰদৰে এনেকুৱা দুৰ্ভগীয়া বহুত আছে এই মহানগৰীত।

জীৱনৰ ঘাত-প্ৰতিঘাতৰ চাকনৈয়াত দিশহাৰা হৈ পৰা এজন ভিক্ষাৰী। ঘৰ চল্লিশ/পঞ্চাশ কি'ল-মিটাৰ দূৰৈৰ এখন সৰু গাওঁত। মাকে মৰমতে নাম দিছিল 'ৰঘুনাথ। সি গুৱাহাটীত ভিক্ষাৰী হোৱাটোও অন্য এক কাহিনী।

তেতিয়া সি বাৰ বছৰীয়া। মাক দেউতাকৰ একমাত্ৰ সন্তান সি। দেউতাকলৈ সি ভয় কৰে। তাৰ দেউতাক হেনো বৰ নিষ্ঠুৰ। তাৰ মাজে মাজে ঘৃণা ওপজে দেউতাকলৈ। নিশা যেতিয়া ঘৰলৈ আহে তেতিয়া সি দেউতাকৰ মুখত ভেকেটা ভেকেটা গোন্ধটো পায়। চকু দুটা অসম্ভৱভাৱে ৰঙা পৰি থাকে। সেই ৰঙা চকুৰে দেউতাকে যেতিয়া তালৈ চায়, সেই দৃষ্টি তাৰ সহ্য নহয়। ভয়তে সি চকু দুটা মুদি দিয়ে। "হেই চুৱঁৰৰ বাচ্চা —" "উঠ, লাট চাহাবৰ বেটি..."। এইবোৰ তা

দেউতাকৰ মুখৰ সম্ভাষণ। দুৱাৰ খুলি দিয়াত পলম হলে মাকক উত্তম মধ্যম লগাই দিয়ে। অসহায়ভাৱে মাথো সি চাই ৰয় মাকৰ মুখলৈ। কোনো প্ৰতিবাদ নকৰে। প্ৰতিবাদ কৰিব নোৱাৰে। সি মাকৰ বুকুত মুৰ গুজি মাথো কান্দে।

মাকৰ ওপৰত দেউতাকৰ অত্যাচাৰ দিনে দিনে বাঢ়ি গৈছিল। এটা সময়ত তাৰ মাকে বিচনা ললে। ভীষণ জ্বৰ মাকৰ। ওৰে দিনটো সি মাকৰ ওচৰত বহি থাকিল। জন্মৰ দিনৰ পৰা এগৰাকী মানুহৰ পৰাই সি মৰম পাইছে, চুমা পাইছে, ইচ্ছা কৰিলেই খাবলৈ পাইছে, সেই গৰাকীয়েই তাৰ মাক। তাৰ মৰমৰ মাক।

সি মাকক ৰাখিব নোৱাৰিলে! বিনা চিকিৎসাই, বিনা ঔষধে মাক চিৰদিনৰ বাবে হেৰাই গ'ল তাৰ ওচৰৰ পৰা। সি পাৰে মানে কান্দিলে। কান্দি কান্দিয়েই মনক সান্ত্বনা দিব বিচাৰিলে সি।

মাকৰ মৃত্যুৰ পিছত দেউতাকে অন্য এজনী চপাই ললে। মাহীমাকৰ ব্যৱহাৰ আৰু দেউতাকৰ বাঢ়ি অহা অত্যাচাৰত জুৰুলা হৈ সি এদিন ঘৰ এৰিবলৈ বাধ্য হ'ল।

ঘৰখনৰ শেষ স্মৃতি স্বৰূপে মাকৰ ফটোখন বুকুত সাৱতি লৈ সি ঘৰৰ পৰা ওলাই আহিল। তাৰ চকুৰপৰাধাৰাসাৰে চকুলো বৈ আহিল। তাৰ মনলৈ আহিল মাকৰ কথা, আমৰ তলে তলে ফুৰা দিনবোৰৰ কথা, সোনাই নদীত বৰশী বোৱা দিনবোৰৰ কথা। তাৰ দুখত দুখী আৰু সুখত সুখী হব খোজা গোলাপীৰ কথা। গাওঁ এৰি যোৱাৰ কথা সি গোলাপীক জনাইছিল। গোলাপীয়ে তাক সাৱতি ধৰি কান্দিছিল। ৰঘুনাথে চকু পানী মচি দি কৈছিল —"তই কান্দিছ কিয়? মই আকৌ আহিম নহয়।" গোলাপীয়ে তাৰ কোলাত মুৰ গুজি কান্দিছিল। শেষবাৰৰ বাবে সি তাইৰ কপালত এটি চুমা আঁকি দিছিল।

সি ধীৰে ধীৰে যাবলৈ ধৰিলে বাচষ্টেটচন অভিমুখে। গাওঁখনৰ শেষ সীমাত ঠিয় হৈ এবাৰ সি তাৰ মৰমৰ গাওঁখন চাই ললে শেষবাৰৰ বাবে।

ৰঘুনাথে ঠিক কৰিলে সি এখন নগৰলৈ যাব। কিন্তু সি যাব কেনেকৈ? তাৰ হাতত এটি পইচাও নাই। হঠাৎ তাৰ মনত পৰিল গোবিন্দৰ কথা। সিহঁতৰ গাওঁৰে। বাছ এখনৰ ড্ৰাইভাৰ। গোবিন্দই তাক আগৰে পৰাই মৰম কৰিছিল। গাওঁলৈ আহিলে এবাৰ হলেও সি ৰঘুনাথ হঁতৰ ঘৰলৈ গৈছিল।

বাচষ্টেটচনটো কোলাহলপূৰ্ণ। গাড়ীৰ হেণ্ডিমেনবোৰৰ বিশৃংখল চিঞৰ বাখৰবোৰ তাৰ কাণত পৰিল। সি চাৰিওফালে চালে। নাই চিনাকি মুখ দেখোন এখনো তাৰ চকুত নপৰে। বহু দূৰ খোজ কাঢ়ি অহা বাবে তাৰ অলপ ভাগৰো লাগিছিল। সি বৈ আছে সেই নিৰ্দিষ্ট বাছখন অহালৈ। গোবিন্দৰ বাচ খনলৈ। তাৰ দৃষ্টি সমুখৰ ৰাজপথত।

ইমানবোৰ যাত্ৰী কঢ়িয়াই লৈ বাচবোৰ কলৈ যায়? তাৰ মনত অবান্তৰ প্ৰশ্ন। বাচ ষ্টেটচনত কিছু সময় ৰাখে, কিছুমান যাত্ৰী নামে আৰু কিছুমান উঠে। হঠাৎ ধূলি উৰুৱাই গোবিন্দৰ বাচ খন আহি তাৰ কাষতেই ৰ'ল। লৰালৰিকৈ সি উঠি পৰিল বাচখনত।

এটা সময়ত সি এখন নতুন নগৰত ভৰি দিলেহি। তাৰ সেয়া এক নতুন পৃথিৱী। নতুন স্বপ্ন। গোবিন্দৰ পৰাই সি গম পালে সেইখন গুৱাহাটী। গোবিন্দই তাক এটা মটৰ গাড়ীৰ গেৰেজত থকাৰ দিহা কৰি দিলে। তাত নতুন কামত বুৰ গৈ অতীতক পাহৰিবলৈ চেষ্টা কৰিলে ৰঘুনাথে। এনেকৈ সময়বোৰ গৈ থাকিল বছৰৰ পিছত বছৰকৈ। মাজে সময়ে গোবিন্দই তাৰ খবৰ লয়। গোবিন্দৰ ওচৰত সি চিৰকৃতজ্ঞ। সি ভাবে গোবিন্দ অকল এখন গাড়ীৰ ড্ৰাইভাৰেই নহয় তাৰ নিজৰ জীৱনটোৰো ড্ৰাইভাৰ।

এদিন বন্ধৰ দিনা সি এনেয়ে অলপ বাহিৰত বহি আছিল। অতীতৰ নানান স্মৃতি তাৰ মনত ভাহি উঠিল। সাত বছৰ আগতে এৰি অহা তাৰ গাওঁখনৰ কথা, ঘৰখনৰ কথা, গোলাপীৰ কথা। গোলাপী চাগে ...ৰৰ এজনী হ'ল। কত দিনেই বা তাই বিনিদ্ৰ ৰজনী কটাই দিছে তাৰ বাবে অপেক্ষা কৰি কৰি। কোনে জানে? তাৰ মনত পৰিল শুভাকাংক্ষী জেতুকী বুঢ়ীৰ কথা। হয়তো এতিয়া আৰু তাই জীয়াই থকা নাই এই পৃথিৱীত। মৃত্যুৰ কৰাল গ্ৰাসত হয়তো হেৰাই গৈছে।

সি ভাবিলে, সি অন্ততঃ কেইদিনমানৰ বাবে তাৰ নিজৰ গাওঁখনলৈ উভতি যাব। গোলাপীয়ে তাক দেখি আচৰিত হব। তাই হয়তো আনন্দত আত্মহাৰা হৈ পৰিব। আৰু কত যে জল্পনা কল্পনা তাৰ।

পিছ দিনা সি আনন্দেৰে কামত ধৰিলে। বেছিভাগ সময় মন মাৰি থকা ৰঘুনাথৰ মুখত আজি আনন্দ দেখি তাৰ লগৰীয়া শম্ভু, ৰবিহঁতে আচৰিত মানিলে। সিহঁতে কিবা তাক কলেও সি মাথো হাঁহে।

গাড়ী এখনৰ তলত সোমাই সি কাম কৰি আছিল। হঠাৎ গাড়ী খনে তাক হেচাঁমাৰি ধৰিলে। তীব্ৰ চিৎকাৰ কৰি সি অজ্ঞান হৈ ঢলি পৰিল।

যেতিয়া সি জ্ঞান পালে তেতিয়া সি নিজকে আৱিষ্কাৰ কৰিলে মহেন্দ্ৰ মোহন চৌধুৰী হাস্পাতালৰ কোনো এটা অচিনাকি কোঠাত। দেহত এক তীব্ৰ যন্ত্ৰণা। সি চাৰিওফালে চকু ফুৰালে। শম্ভু, ৰবিহঁত কামত থিয় হৈ আছে। কি হ'ল তেতিয়ালৈ সি গম নাপায়। অলপ ভাবিবলৈ চেষ্টা কৰিলে সি। যেতিয়া আগদিনাৰ কথাটো তাৰ মনত পৰিল সি ভয়ত শিয়ঁৰি উঠিল। সি উঠিবলৈ যত্ন কৰিলে। নোৱাৰিলে। তাৰ তলফালে কিহবাত শূন্যতা অনুভব কৰিলে সি। ৰবিয়ে তাক বুজাই দিলে যে তাৰ বাওঁ ভৰিখন বেয়াকৈ থেতেলা খোৱাৰ ফলত কাটি পেলোৱা হয়। 'কি? কি? তাৰ মানে মই পংগু?" সি কবলৈ যত্ন কৰিলে। কিন্তু মাত নোলাল তাৰ।

এমাহ মান পিছত সি কিছু সুস্থ হ'ল যদিও সি ঘূৰি যাব লগা হ'ল এক অসহায় পংগু জীৱনলৈ। সি এতিয়া আশ্ৰয়হীন হৈ পৰিল। গেৰেজতো তাৰ বাবে আৰু কোনো কাম নাই।

একোবাৰ তাৰ আত্মহত্যাৰ কথা মনলৈ আহে। কিন্তু কিবা এক অজান মোহে তাক জীয়াই ৰাখিছে। সি মৰিব নোখোজে। জীয়াই থাকিব বিচাৰে সি কান্দি কান্দি নহয় হাঁহি হাঁহি। এতিয়া জীয়াই থকা একমাত্ৰ পথ তাৰ বাবে ভিক্ষাবৃত্তি। অন্য উপায় একো নাই। প্ৰথম বাৰলৈ সি হাতত ভিক্ষাৰ পাত্ৰলৈ ওলাল ৰাজপথলৈ।

আন আন বছৰৰ দৰে এই বছৰো মহানগৰীত দুৰ্গা পূজাৰ উখল মাখল চৌদিশে। বিভিন্ন মানুহেৰে ভৰি পৰিছে ৰাস্তাবোৰ। বেচেৰা ৰঘুনাথেও পংগু দেহটো লৈ খুপি খুপি আগবাঢ়িল ৰভাতলিলৈ। নানা ৰঙৰ পোচাক পিন্ধি অহা আহিছে যোৱা গৈছে। নিজকলৈয়ে ব্যস্ত সকলো। কাৰো লৈ ঘূৰি চাবৰ সময় নাই।

সৌৱা আমাৰ গাওঁৰ মনেশ্বৰ নহয়নে? সি নিজকে কোৱা দি কলে। অলপ আগবাঢ়ি গ'ল সি। সি তাৰ মৰমৰ গাওঁখনৰ কথা সুধিব তাক। গোলাপীৰ কথা সুধিব। কিন্তু মনেশ্বৰৰ লগত সেই জনী কোন? নগৰীয়া ঢঙৰ ছোৱালী। জানোচা লগৰ জনীয়ে বেয়াই পায়। ভিক্ষাৰী এটাৰ লগত তেওঁৰ কিহৰ সম্পৰ্ক বুলি। তাৰ যোৱা নহ'ল মনেশ্বৰৰ ওচৰলৈ।

সি দেখা পালে এজনী গাভৰু ছোৱালীৰ লগত আদহীয়া তিৰোতা এগৰাকী। সম্ভৱ ছোৱালী জনীৰ মাক। সি লক্ষ্য কৰিলে ছোৱালীজনীতকৈ মাকৰ চখ এখোপ চৰা ওঠ দুটি লিপষ্টিকেৰে বুলোৱা।

সি অলপ আগবাঢ়ি গ'ল। "এটি পইচা

আইদেউ' বুলি তাৰ হাতখন আগবঢ়াই দিলে। 'পুৰণী ওচি আহ' এক কঠোৰ আদেশ তাৰ কাণত পৰিল। কিন্তু ছোৱালীজনীয়ে মাকৰ আদেশ অমান্য কৰি তাৰ ওচৰলৈ আহি দুটকীয়া নোট এখন তাৰ হাতত দি সুধিলে —"কি নাম তোমাৰ?" কিয়বা ছোৱালীজনীৰ তাৰ প্ৰতি অলপ মৰম উপজিল—সি মনতে এবাৰ ভাবিলে। নিশ্চয় পংগু কাৰণে। "ভিক্ষাৰী" "ভিক্ষাৰীৰ আৰু বেলেগ নাম নাথাকে আইদেউ।" এনেতে মাকে তাইক টানি লৈ খোৱা দি লৈ গ'ল। অপলক নেত্ৰে সি মাথো চাই ৰ'ল।

মনেশ্বৰক দেখাৰ লগে লগে আকৌ এবাৰ তাৰ গাওঁখনলৈ মনত পৰি গ'ল। গোলাপীৰ সেই উজ্জ্বল হাঁহি ভৰা মুখখনি আকৌ এবাৰ তাৰ মনত ভাঁহি উঠিল। গোলাপীজনী জানো আগৰ গোলাপীজনী হৈ আছে। জানোচা আন কাৰো-বাৰ লগত সুখৰ সপোন ৰচিছে। নাইবা গোটেই জীৱন তাৰেই অপেক্ষাত কটাইছে। কোনে জানে? সি আৰু স্থিৰেৰে থাকিব নোৱাৰিলে। সি গাওঁলৈ ঘূৰি যাব। অন্ততঃ সি শান্তিত মৰিব পাৰিব। সি এখন্তেকো পলম নকৰিলে। গাওঁলৈ যোৱাৰ আশা বুকুত বান্ধি সি আগবাঢ়িল মাছ খোৱা বাচ ষ্টেচনৰ ফালে লাহে লাহে খুপি খুপি।

সাহিত্যকাৰৰ জীৱনটো যদি দেশক, জাতিক, মানৱ, প্ৰাণীজগতক সকলো প্ৰকাৰৰ দুৰ্বলতাৰ পৰা মুক্ত কৰি সমাজত প্ৰকৃত মানৱত্বৰ বিকাশ কৰি তোলা ভাব, চিন্তা আৰু পৰিকল্পনাত আপ্লুত হোৱা জীৱন হয়, তেন্তে সেই সাহিত্যকাৰৰ লেখনীৰ পৰা ওলোৱা হৃদয় নিসৃত সাহিত্যইহে অব্যৰ্থ অনুপ্ৰেৰণাৰে দেশ আৰু জাতিক মহত্বলৈ, বিৰাটত্বলৈ আগুৱাই নিব পাৰে।

অম্বিকাগিৰি ৰায়চৌধাৰী
সভাপতি, অসম সাহিত্য সভা
একবিংশ অধিবেশন, ১৯৫০ মাৰ্ঘেৰিটা

# বিদুৰ

অধ্যাপক বীৰেন্দ্ৰ কুমাৰ দাস

কোঠাটোত সোমায়ে মন কৰিলোঁ, খুৰাদেৱে চাকিৰ পোহৰত কিবা এটা জুপি জুপি চিলাই আছে। মই গল খেকাৰি মাৰি দিয়াৰ লগে লগে গাৰুটোৰ তলত চিলাই থকা বস্তুটো লুকুৱাই 'সরু পোনা কেতিয়া আহিলি ?' বুলি বিছনাৰ পৰা নামি আহিল। 'হেৰা ! শুনিছানে এইই সৰুপোনা আহিছেহে !' পাক ঘৰলৈ জুমি চাই খুৰীদেৱে শুনাকৈ ক'লে খুৰাদেৱে। মই মূঢ়া এটা পাই বহি ললোঁ খুৰাই বিছনাখন এনেয়ে এবাৰ জোকাৰি আকৌ বহিল। মন কৰিলোঁ এই দুবছৰতে মানুহটো ভাগেখিনি খীনাই গ'ল। গালৰ হনু বিলাক ওলাই আহিল। চুলি বিলাক কেতিয়াবাই শুকুলা হ'ল। খুৰীয়ে হাতত চাকিটো লৈ ওৰণিখন দীঘলকৈ লৈ মোৰ ওচৰ পালেহি। চাকিটো মোৰ মুখৰ ওচৰলৈ আগবঢ়াই আচৰিত হোৱাৰ সুৰত কলে, 'হেৰ' তই দেখোন বুঢ়াই হলি ! আমাৰ বিয়াৰ সময়ত চুচৰিবলৈ ধৰিছিলিহে। আজি আহিলি ? সিহঁতৰ ভালনে ? সরু লৰাটো চাগৈ বৰ এটা হ'ল। কিমান বছৰ হ'ল তাৰ ? চাৰি নে পাঁচ ? ডাঙৰটোৱে প্ৰাইমাৰী পাছ কৰিলেনে ? একে লগে বহুতো প্ৰশ্ন কৰি খুৰী খুৰা বহি থকা বিচনাখনৰ ভৰিৰ ফালে বহিল। মই খুৰীৰ প্ৰশ্নৰ উত্তৰসমূহ সংক্ষেপে দি তেওঁলোকৰ একমাত্ৰ পুত্ৰ সন্তান মৃণালৰ খবৰ সুধিলোঁ। খুৰীয়ে 'লাইব্ৰেৰীতে আছে চাগৈ। তই বহচোন !' বুলি কৈ পাক ঘৰলৈ উঠি গ'ল।

খুৰাই মই কাম কৰা কলেজখনৰ খবৰ সুধিলে। অধ্যক্ষৰ কথা সুধিলে। বিজ্ঞান শাখাটো খোলা হ'ল নে নাই খবৰ ল'লে। মই সকলোবিলাক উত্তৰ দিলোঁ। খুৰাৰ হাতৰ আখৰ ধুনীয়া। মোৰ ডাঙৰ লৰাটোক বন্ধৰ দিন বিলাকত আখৰ ধুনীয়াকৈ লিখিবলৈ শিকাইছিল। সি শিকিলে। তাৰ আখৰ ধুনীয়া। সৰুটোকো এতিয়া সি শিকাইছে। চাকিটোৰ চাই খিনি টোকৰ মাৰি গুচাই খুৰাদেৱে মোৰ মুখলৈ পোনকৈ চাই সুধিলে, 'তইঁত চৰকাৰৰ খবৰ কি ?'

'তহঁতৰ মানে ? মই আচৰিত হৈ সুধিলো।

'এৰা ধৰচোন তহঁতেৰে বুলি। কোনোবা কোনোবা মন্ত্ৰীৰ বিয়া বাৰু হৈছে। টকা পইচা কোনে কিমান খৰচ কৰিব পাৰে, বিয়াত কোনে কিমান মানুহ গোট খুৱাব পাৰে—এই বিলাকৰ বোলে প্ৰতিযোগিতা হৈছে ? ভালেই হৈছে দে আমাৰ বুঢ়া মখাই ৰাজকীয় বিয়া দুখনমান দেখিছে।' খুৰাই কৈ হাঁহিলে। মই ৰূপনগৰ আঞ্চলিক গণ পৰিষদৰ কাৰ্য্য নিৰ্বাহকৰ সদস্য। সেয়ে খুৰাই মোক খোচ মাৰি 'তহঁতৰ চৰকাৰ' বুলি কৈছে।

'এটা কথা খুৰা ! সিহঁতে আলাদ্দিনৰ চাকিটো হাতত লৈ মন্ত্ৰী হোৱা নাছিল যে এটা বছৰতে সকলোবিলাক অভাব অভিযোগ নাইকিয়া কৰি দিব। আগৰ চৰকাৰেনো কিমান অসাধ্য সাধন কৰিলে ? আৰু বিয়া বাৰু, এই বিলাক ব্যক্তিগত কথা মন্ত্ৰীয়েতো খৰচ কৰা নাই ! আৰু তেওঁলোকে কাকো খৰচ কৰিবলৈও কোৱা নাই।' মই আত্মপক্ষৰ সমৰ্থনৰ সুৰত কলো।

'নাই কোৱা ! কিন্তু খৰচ কৰা হ'ল। এবছৰত মন্ত্ৰীৰ ভ্ৰমণ বাবদ একলাখ টকা হ'ল। মন্ত্ৰীৰ ভাবি পত্নীয়ে মন্ত্ৰীৰ গাড়ী লৈ ইণ্টাৰভিউ দিব গৰা হ'ল। এই বিলাক নো আৰু মন্ত্ৰীৰ জাতে কৰা কামনে ? আৰু ৰাজীবে যদি চোনিয়াক লৈ ফুৰিব পাৰে তেন্তে আমাৰ মখাইনো ঘৈণীয়েক হঁতক লৈ কিয় ফুৰিব নোৱাৰিব ? নহয় জানো ? 'নহয় খুৰা। আপুনি কথাটো ...... ......'।

'বেলেগকৈ লৈছো নহয় ? বা বুজা নাই নহয় জানো ? এৰা তই হলি কলেজৰ মাষ্টৰ আৰু মই অৱসৰ পোৱা প্ৰাথমিক স্কুলৰ মাষ্টৰ। নহয় ? এৰা মই কমকৈ বুজাই স্বাভাবিক। বাৰু সেইবিলাক বাদ দে। তই অহাৰ আগে আগে কিবাকিবি চিন্তা কৰি আছিলোঁ। সেয়েহে ঘপহকৈ ওলাই গ'ল মুখৰ পৰা। বেয়া নাপাবি আকৌ।' কৈ কৈ খুৰাই এড়ি চাদৰখন মূৰে গায়ে লৈ চকুহাল মুদি কিবা চিন্তা কৰাৰ দৰে বহি থাকিল।

O O O

এই জনেই দীন খুৰা। দীন মাষ্টৰ। ছাত্ৰছাত্ৰীৰ বাবে যম। দীন মাষ্টৰ বুলিলেই হাতৰ বেত ডালৰ কথাহে ছাত্ৰ-ছাত্ৰীৰ মনলৈ সোনকালে আহে। যিদিনা খুৰা স্কুললৈ নাহে সেইদিনা আমাৰ মহা আনন্দ। অৱশ্যে কাচিৎহে খুৰাই স্কুল খতি কৰে। ব্ৰিটিছৰ দিনতেই মাহিলি ১২ টকাৰ চাকৰিত সোমোৱা খুৰাই মাষ্টৰ হিচাপে সকলোৰে শ্ৰদ্ধা পাইছিল। জাত পাতৰ বিচাৰ ঘৃণা কৰা খুৰাই বিয়া কৰাইছিল কৈৱৰ্ত্ত ছোৱালীক। বামুণে কৈৱৰ্ত্ত ছোৱালী বিয়া কৰোৱাত গাঁৱত হুলস্থুল লাগিছিল। খুৰাই কৈছিল, 'মোক আপোনালোকে বামুণ হিচাপে নব নালাগে, এজন শিক্ষক হিচাপে ললেই হ'ল। আৰু আনে নেদেখাকৈ, চুৰকৈ নীচ জাতৰ মানুহৰ সৈতে সকলো প্ৰকাৰৰ কাম কৰি বামুণ হৈ থকাতকৈ, দেখুৱাই তেনে এটা কাম কৰি, বামুন নোহোৱাকৈ থকাই ভাল।' কেচু খান্দোতে সাপ ওলায় বুলি গাওঁৰ মাতব্বৰ কেইজন মনে মনে থাকিল। খুৰা গাঁৱৰ কোনো খেলতেই নাই। বিয়া-বাৰু, সকাম-নিকাম হ'লে কোনোবাই মাতিলে খুৰা যায়। পূৰ্জা পাতলো খুৰাই নামানে। আমাৰ নগৰ বিজয়ে যেতিয়া শিণ্ডিমাৰীৰ মনোৱাৰাক পলুৱাই আনিলে, তেতিয়া খুৰাই প্ৰথমে সিহঁতক মাত লগাবলৈ গৈছিল। দুৰ্গাপূজা অনুষ্ঠুপিয়াকৈ পাতি তাৰ ৰাহি হোৱা ধনেৰে এম ই স্কুলখন পাতিবলৈ খুৰাই ৰাইজক মান্তি কৰাইছিল। চৰকাৰৰ লগত যোগাযোগ কৰি ৰাজ্যিক চিকিৎসালয়খন খুৰাৰ চেষ্টাতেই হৈছিল। কাৰোবাৰ ঘৰত বেমাৰ আজাৰ হোৱা মাত্ৰকে গৈ পোৱা মানুহজন হ'ল খুৰা। সুখ্যাতিৰে পাছ কৰা ছাত্ৰ-ছাত্ৰীকলৈ ভৱিষ্যতে সিহঁতে কি পঢ়িব ইয়াক লৈ মূৰ ঘূৰুওৱা মানুহজন হ'ল খুৰা।

খুৰাৰ এখন চাইকেল আছিল। এদিন বজাৰৰ পৰা খোজ কাঢ়ি অহা খুৰাক খুৰাদেৱে 'চাইকেল খন ক'ত এৰি আহিল' বুলি সুধিলে। খুৰাদেৱে সেমেনা সেমেনিকৈ কলে, 'সেই যে মহীকান্ত! এইবাৰ যে তিনিটা বিষয়ত লেটাৰ লৈ প্ৰথম বিভাগত মেট্ৰিক পাছ কৰিলে! সিহঁতৰ অৱস্থা ভাল নহয়। আৰু তাৰ পৰা খুজি মাগি ল'ৰাটোৱে কলেজত নাম লগালে। কিন্তু সি আঠ মাইল ৰাস্তা খোজ কাঢ়ি হেনো দুটামান ক্লাছ নাপায় গৈ। মই বোলো মোৰতো বিশেষ এতিয়া প্ৰয়োজন নাই চাইকেলৰ। নে চাইকেলখন। পিছত প্ৰয়োজন হলে আনিম বাৰু। দিলো দিয়া চাইকেল খন তাকে!' দোষী দোষী ভাৱত ৰৈ থকা খুৰালৈ চাই মিচিকিয়া হাঁহিৰে খুৰীদেৱে বুজাইছিল যে খুৰাই একো দোষ কৰা নাই!

খুৰাৰ ঘৰৰ অৱস্থা বিশেষ ভাল নহয়। মাটি-বাৰী ঘৰ-দুৱাৰ এইবিলাক কৰিবলৈ সময়েই নাপালে খুৰাই। বহুত দিন খুৰা-খুৰীৰ লৰা-ছোৱালী নাছিল। বিয়াৰ আঠ নে ন বছৰৰ পিছত মৃণালৰ জন্ম হয়। প্ৰথম শ্ৰেণীৰ দ্বিতীয় হৈ ৰাজনীতি বিজ্ঞানত অনাৰ্চ লৈ বি. এ. পাছ কৰা মৃণালে আজি চাৰি বছৰে চাকৰি নাপাই ঘৰতে আছে। খুৰা অৱসৰ পোৱা তিনি বছৰ হ'ল। বিদেশী বহিষ্কাৰ আন্দোলনৰ সময়ত খুৰাহঁতক কিছুমানে উপদ্ৰৱ কৰিছিল। খুৰাহঁত আন্দোলন বিৰোধী নহয়। কিন্তু কিছুমান ছাত্ৰ-ছাত্ৰীয়ে এই আন্দোলনটোক মুছলমান বা বঙালীক খেদা আন্দোলন হিচাপে লোৱা, জোৰ জুলুম কৰি চান্দা আদায় কৰা, অত্যাচাৰ কৰা আদি প্ৰকাশ্যে প্ৰতিবাদ কৰিছিল। খুৰাৰে এসময়ৰ ছাত্ৰ কিছুমানে বাটৰ পৰা অশ্লীল গালি পৰা খুৰাই নীৰবে শুনি গৈছিল! সিহঁতৰ লগতে আন্তৰিকতাৰে কাম কৰা মৃণালক সিহঁতে সন্দেহৰ চকুৰে চাইছিল।

আমাৰ লগত খুৰাৰ তেনে কোনো সম্বন্ধ নালাগে। এনেয়ে গাওঁৰ সম্বন্ধত মই খুৰা বুলি মাতো। খুৰাৰ আদৰ্শ আচলতে মোৰ ভাল লাগে। আৰু কবলৈ গ'লে মই আচলতে খুৰাক আদৰ্শ ব্যক্তি হিচাপে লৈ শিক্ষকতা কৰি আছোঁ। সেয়ে গাওঁলৈ আহিলে মই খুৰাৰ ওচৰলৈ এবাৰ আহোঁ। মোৰ পৰিবাৰ বিৰুদ্ধে খুৰাক নিজৰ দেউতাকৰ দৰে ব্যৱহাৰ কৰে। মোৰ দেউতাৰ মৃত্যুৰ পিছত আমাৰ বিয়া হৈছিল। শহুৰৰ অভাৱ পূৰাইছিল তেওঁৰ। খুৰীয়েও বৰ মৰম কৰে তেওঁক। তিনি বছৰ মান আগলৈকে আমাৰ সমীৰণ আৰু দিগন্তক উলৰ চুৱেটাৰ, মোজা আদি গুঠি দিয়াৰ দায়িত্ব খুৰীদেৱে নিজে লৈছিল। এতিয়া অৱশ্যে পৰিবাৰেই গোঠে। তেওঁৰ অপৰ্য্যাপ্ত সময়।

আমাৰ ঘৰৰ অৱস্থা ভাল। মাটি বাৰী আছে। ডাঙৰ দাদা চাপ্লাই ইন্সপেক্টৰ, সৰু দাদা ডি, এচ, পি। মই কলেজত সোমালোঁ। কলেজৰ চাকৰিত সোমোৱাত দেউতাৰ খং উঠিছিল। ভাবিছিল এ, চি, এছ বা আই চি, এছ, দি ডাঙৰ অফিচাৰ হওঁ মই। কিন্তু খুৰাই ভাল পাইছিল। দেশৰ অগণন ছাত্ৰ-ছাত্ৰীক গঢ় দিয়া শিক্ষকসকল সৎ, নিষ্ঠাবান, বিবেক সম্পন্ন হোৱা উচিৎ বুলি খুৰাই দেউতাক বুজাইছিল।

আমি আটাইকেইটা বাহিৰত। মা ঘৰতে থাকে। মামা এজনো আছে আমাৰ ঘৰতে। খেতি পথাৰৰ কাম কৰা চাৰিটা মান মানুহ থাকে আমাৰ ঘৰত। তাৰে ধনীৰাম বোলাটোৱে গোৰ কেচুৱাৰ পৰা পাইছে। সি এতিয়া বুঢ়াই হ'লহি বিয়া বাৰু নকৰালে। কোলাই বোকোচাই লৈ ডাঙৰ দীঘল কৰা বাবেই মোকো সি "সৰু পোনা" বুলিয়েই মাতে। মইও তাক 'ধনীৰাম' বুলি মাতোঁ। দা-দৰমহা তেনেকৈ নলয়। মাজে মাজে একোখন চিনেমা বা থিয়েটাৰ চাবলৈ মাৰ পৰা

পইচা নয়। মই তাক জোৰকৈ কেতিয়াবা টকা এশ বা চাৰিকুৰি দিওঁ। মোৰ পুৰণি চোলা খুজি পিন্ধাটো তাৰ এটা অভ্যাস। বাকী কেইটাৰ লগত মোৰ তেনে কোনো সম্পৰ্ক নাই।

0 0 0

বহুত সময় কিবা চিন্তা কৰাৰ পৰা মুৰ তুলি খুৰাই এবাৰ মোলৈ চাই চকুহাল মোহাৰিলে। খুৰীদেউ পাক ঘৰৰ পৰা ওলাই অহা নাই। মৃণাল বোধহয় বহুৰাতি কৰি ঘৰ সোমায়। খুৰাই সকুকৈ কাহ এটা মাৰি মোলৈ চাই সুধিলে 'যাবি কেতিয়া ?'

'চাওঁচোন, পৰহিলৈ পাৰিলে যাম !'

'ওঁ !'

'হেৰি নহয় খুৰা ! আপোনাৰ পেঞ্চনৰ ব্যৱস্থাটো হ'লগৈ নে ?' খুৰাই পোক এটা ধৰিবলৈ যোৱা জেঠি এটাত দৃষ্টি ৰাখি মুৰ জোকাৰিলে। বুজিলোঁ নাই হোৱা। খুৰাই আজি তিনি বছৰ ধৰি অফিছে অফিছে ঘুৰিও এই কামটো কৰিব পৰা নাই। অৱসৰ লোৱাৰ পিছত অলপ টকা পাইছিল। তাৰে এবছৰ ভালকৈ চলি গ'ল। এই দুবছৰ খুৰাই আৰ্থিক দিশটো জোৰা তাপলি দি কেনেকৈ চলাইছে সেয়া খুৰাইহে জানে। এটা কথা সৰুপোনা ! 'কেতিয়াবা ভাবো ভুলেই কৰিলো নেকি ? আকৌ কেতিয়াবা ভাবো নাই কৰা। সমাজখনৰ সোঁতৰ লগত কেতিয়াবা নিজকে এৰি দিবলৈ গৈ আকৌ থমকি ৰৈ যাওঁ। খুৰীয়েৰ আৰু মৃণালৰ কাৰণে বেয়া লাগে।' খুৰাই এটা এটাকৈ ক'লে।

'মই বুজা নাই খুৰা ? মই খুৰালৈ একেথৰে চাই ৰলোঁ। 'এৰা নুবুজিবি ! আচলতে মই কি কৰিবলৈ বিচাৰিছিলোঁ আৰু কৰিলোঁ কি তাকে কৈছোঁ। এই যে 'তহঁতৰ চৰকাৰ' বুলি কৈছিলোঁ। বেয়া লাগে বুজিছ। কিহত পাৰ্থক্য বাৰু পালি কচোন'।

'হব খুৰা ! সকলো উঠি অহা ডেকা। কাম-খিনি বুজি উঠোতেতো সময় লাগিবই। আৰু মোৰ বোধেৰে এই চৰকাৰে বহুখিনি কৰিছে।

'কৰিছে, কৰিছে। মই নাই কৰা বুলি কোৱা নাই। ৰাজপাটত বহিয়েই দৰমহা বঢ়াই ললে, মন্ত্ৰী পৰিষদৰ কলেবৰ বঢ়াই ললে, বিনামুলীয়া পাঠ্যপুথি আৰু সাজ পোচাকৰ ভেলকিবাজি দেখুৱালে, ভাষা চাৰ্কুলাৰ জাৰি কৰি আকৌ বন্ধ কৰিলে, খাদ্য সামগ্ৰীৰ দাম ইচ্ছানুসৰি বঢ়াবলৈ ব্যৱসায়িক সুবিধা দিলে চুক্তি ৰূপায়নৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰলৈ ঠেলি দি বন্ধ ঘোষণা কৰিলে। এজনে উচ্ছেদৰ অৰ্ডাৰ দিয়ে আন জনে অৰ্ডাৰ ৰ'দ কৰে। দহ টকাও যদি কোনোবাই ভেটি লয় তেন্তে তেনে চাকৰিয়ালক চৰকাৰে সুখেৰে নেৰে বুলি কাগজত বিবৃতি দিলে। ইত্যাদি ইত্যাদি নহয় জানো ?

'খুৰা আপুনি উত্তেজিত হৈছে। আচলতে.... ..'

'নহয় সৰুপোনা ! উত্তেজিত মই হোৱা নাই। মই ঠিকেই আছোঁ। বেয়া লাগে অ' কেতিয়াবা। চৰকাৰটোৰ কাম কাজ মূল্যায়ণ কৰিব ৰাইজে। চৰকাৰে জজ খেল পথাৰত পতা অসম '৮৬ এ নহয়। কচোন লাখ লাখ টকা খৰচ কৰি পতা এই উৎসৱে অসমৰ ৰাইজক কি দিলে ?

'এবছৰত নতুন চৰকাৰটোৱে কি অগ্ৰগতি কৰিলে তাৰেই অসম '৮৬ এটা নমুনা খুৰা।'

'নমুনা নে প্ৰহসন মই বুজি নাপাওঁ সৰুপোনা ! কেন্দ্ৰীয় চৰকাৰে 'অপনা উৎসৱ' পাতিলে কোটি কোটি টকা খৰচ কৰি আৰু আমাৰ নতুন চৰকাৰে লাখ লাখ টকা খৰচ কৰি পাতিলে অসম '৮৬। চহৰত থকা মানুহে দেখিলে, টিভি থকা মানুহে ড্ৰইং ৰুমৰ কুচনত বহি উপভোগ কৰিলে। গাৱঁৰ মখাই অহকানে পহকানে শুনিলোঁ। আন্তৰ্জাতিক মহিলাবৰ্ষ, আন্তৰ্জাতিক যুব বৰ্ষ আন্তৰ্জাতিক শিশুবৰ্ষ, পাৰিপাৰ্শ্বিকতা ৰক্ষাৰ সপ্তাহ, বন্যপ্ৰাণী সংৰক্ষণ, 'নাম' 'চাৰ্ক' আদিৰ যে সন্মিলন পাতে এই

বিলাকৰনো ; কি অৰ্থ অ সৰুপোনা ? 'চাওক খুৰা। আন কথা নকওঁৱেই এইযে গোষ্ঠী নিৰপেক্ষ সন্মিলন —ইয়াৰ জৰিয়তে বৰ্ণবৈষম্যৰ ভাব আৰু আন্তৰ্জাতিক বুজা পৰাৰ মনোভাব দৃঢ় কৰা হৈছে।'

'দৃঢ় ? হয়তো হয়। কিন্তু নিজৰ দেশখনত, ঘৰখনত কি হৈছে ? হৰিজনক জীয়'ই জীয়াই পুৰি মৰা ঘটনা দেখোন ভাৰতত ঘটি আছে। অগণন কণ কণ লৰা-ছোৱালীয়ে পেটৰ তাগিদাত পঢ়াশালী এৰি মানুহৰ ঘৰে ঘৰে চাকৰ বা হোটেলত 'পোৱালি' হিচাপে কাম কৰি আছে। ওঠত ৰং সানি মিচেছ 'চাওলা', 'মিচেছ 'কাপুৰ্তি', মিচেছ 'চাইকয়ানীহঁতে ক্লাবত মহিলাবৰ্ষ পাতে। বিকলাঙ্গক দেখি নাকত ৰুমাল গুঁজি থুই পেলোৱা মখাই আন্তৰ্জাতিক বিকলাঙ্গ বৰ্ষ পাতে। এই বছৰটো বোধহয় আন্তৰ্জাতিক গৃহহীনৰ গৃহনিৰ্মাণ বৰ্ষ নহয় জানো ?'

'হয় খুৰা !'

'দেশবিলাকৰ মুখা ফুটা নেতাবিলাকে এদিন গাৱলৈ গৈ কোনোবা ঘৰ নথকা মানুহৰ বাবে এটা ঘৰৰ আধাৰশিলা স্থাপন কৰিব। ফটো লব সাংবাদিকে। নেতা অহা যোৱাৰ খৰচ, নিৰাপত্তাৰ খৰচ ইত্যাদি মিলি সেই অনুষ্ঠানটোৰ খৰচ হব এক লাখ টকা। নহয় জানো ?'

'কিন্তু খুৰা ! আপুনি এইবিলাকৰ প্ৰয়োজনীয়তাক অস্বীকাৰ কৰিব খোজেনেকি ?'

'অস্বীকাৰ কৰিব নোখোজোঁ। কিন্তু সঠিক ৰূপায়ণ বিচাৰোঁ। আঁচনিবিলাকে কিমান অগ্ৰগতি লাভ কৰিছে সেয়া কাগজে কলমেহে কয়। প্ৰত্যক্ষদৰ্শীয়ে কব নোৱাৰে। একো নাই অ সৰুপোনা ; সকলো শেষ। দিন দুপৰতে এজুম মানুহৰ সমুখত মানুহ এটা উঠনিয়াই মাৰ। পুলিচ আৰু ডাক্তৰৰ মুখ টকাৰে বন্ধ কৰ। উকীলৰ জেপ গধুৰ কৰি দে। বচ্। আদালতৰ পৰা নিৰ্দ্দোষী হৈ ঘূৰি আহ। এই খনেইটো আমাৰ দেশ। এই খনেইতো বাপুজীৰ সপোনৰ ৰামৰাজ্য !' কৈ কৈ খুৰাই কোঠাটোৰ এক্ষাৰ চুকটোলৈ চাই ৰ'ল।

খুৰাৰ কথাবিলাকে মোক আঘাট কৰিবলৈ ধৰিলে। 'এই বিলাকতকৈ বৃটিচৰ শাসনেই ভাল আছিল' বুলি মন্তব্য কৰা আমাৰ গাওঁৰ মনেশ্বৰ গাওঁবুঢ়াৰ কথাষাৰলৈ মনত পৰিল। মই খুৰালৈ একে থৰে চাই ৰলোঁ।

'এটা কথা সৰুপোনা, দায়িত্ব জ্ঞান, আন্তৰিকতা, সততা আদি আমাৰ যদি নাথাকে তেতিয়া যিয়েই নকৰোঁহক একো নহব। কচোন আমাৰ দেশত টকাটোৰ কেই পইচা প্ৰকৃততে কামত লাগে ?'

'কথাটো হয় খুৰা। কিন্তু সমাজৰ দুৰ্নীতি বিলাক আতৰ কৰিব লাগিব। সমাজখন নিকা কৰিব লাগিব। আৰু সেইখিনি উঠি অহা যুৱক চামেই কৰিব লাগিব।'

'শুনি ভাল পালোঁ। কিন্তু কি জান ? পৰীক্ষাত নকল ধৰাৰ বাবে মাষ্টৰক মাৰ ধৰ কৰা এচাম যুৱকে যেতিয়া সমাজৰ দুৰ্নীতি দূৰীকৰণৰ ভাষণ মাইকত উচ্চস্বৰে কৈ থাকে তেতিয়া আমাৰ দেখি লাজ লাগে অ।' সস্তিয়া হিন্দী চিনেমা চাই বাটে ঘাটে মাৰপিত কৰি, বাবে বগুলুৱা গান গাই চিঞৰি ফুৰা সেইচাম যুৱকে নতুন সমাজ গঢ়িব ? হুঃ।' বিতৃষ্ণাৰে খুৰাৰ মুখখন কোচ খাই গ'ল। মই প্ৰসংগ সলাব বিচাৰোঁতেই খুৰাই পুনৰ ক'লে 'আন চাকৰিয়ালৰ কথা বাদেই। মাষ্টৰ মখাইও দুপইচা বাহিৰাকৈ ঘটাত লাগিল।... ...কচোন তয়ে, তইতো কলেজৰ মাষ্টৰ। কিমান দিন তহঁতে কলেজ কৰ ? বছৰত কেইটা ক্লাচ কৰ ? টিউচন কৰি কিমান টকা উপাৰ্জ্জন কৰ ?'

'মই টিউচন নকৰোঁ খুৰা। মই শিক্ষা বিষয়টোহে পঢ়াও'। 'নহয়। মই তোকেই কোৱা নাই। স্কুল কলেজত ভালকৈ নপঢ়াই, উপাৰ্জ্জনৰ আন এটা বাট মোকলোৱাবিলাকক কৈছোঁ। যিবিলাক কথা সকলোৱে জানে অথচ নজনাৰ ভাও ধৰি

থাকে যিবিলাক ঘটনা সকলোৱে দেখিছে অথচ নেদেখাৰ ভাও ধৰি থাকে।' খুৰাই চকুহাল আকৌ মচিলে। মই তলমূৰ কৰি ৰলোঁ। 'মানুহ বহুত দেখিলো অ' সৰুপোনা! স্বাৰ্থত বাধা পৰিলে যাক গলাঘাট কৰে তাকে আকৌ নিজ স্বাৰ্থত পদলেহন কৰা মানুহো দেখিলোঁ।' খুৰাই চকুহাল মুদি দি মৌন হৈ ৰ'ল কিছুসময়। মই কবলৈ একো বিচাৰি নাপায় সুধিলোঁ।

'মৃণালৰ চাকৰিটোৰ কি হ'ল গৈ খুৰা?'

'একো হোৱা নাই আৰু নহবও।'

'কিয়? আপোনাৰ পোষ্টটোত অন্ততঃ সি নিযুক্তি পাব লাগিছিল।'

'ওপৰ ৱালাৰ মানা আছে।'

'এম-এল-এক লগ ধৰিছিল সি?'

'কেইবাদিনো গৈ লগ নেপালে।'

'বেঙ্কৰ পৰা ঋণ লৈ তাক কিবা কাৰবাৰত ধৰিবলৈ কৈছিলোঁ। নকৰিলে চাগৈ'।

'দৰ্খাস্ত কৰিছিল। ঋণ নাপালে।'

'অইন চাকৰিত সি দৰ্খাস্ত কৰা নাইনে?'

'কৰিছে, ইণ্টাৰভিউ দিছে, নিৰ্দিষ্ট সময় পাৰ হৈ গৈছে, নতুন কৈ আকৌ দৰ্খাস্ত কৰিছে।'

'ছিঃ এই বিলাক বেয়া কথা।'

'একো বেয়া কথা নহয়। কেৱল সিয়েই আছে নে? আৰু এটা কথা টকা দহ বাৰ হেজাৰ দিলে ঘৰত নিযুক্তি পত্ৰ দিয়া অফিছাৰো আছে।'

'খুৰা আপোনাৰ নথিপত্ৰবোৰ মোক দিব চোন। পেন্সনৰ টকা কেইটাৰ সুবিধা কৰি দিব পাৰোঁ নেকি চাম।'

'চাবি বাৰু! পিছে কালিলৈ মই শিচপুৰলৈ যাম বুলি ভাবিছোঁ।'

'আপুনি?'

'চাওঁচোন বাৰু কি কৰিব পাৰোঁ। নোৱাৰিলে দিম বাৰু তোক। পিছে এটা কথা। কেৱল মোৰ বাবেই যদি কৰ মই বৰ বেয়া পাম। মোৰ দৰে আৰু বহুতো আছে অ'। এই খুৰীয়েৰ জনী কলৈ গ'ল? হেৰা ইয়াক... চাহ তাহ ...।' খুৰাই ভিতৰফালে চাই চিঞৰিলে।

'নালাগে খুৰা। মই চাহ খায়েই ইয়ালৈ আহিছোঁ।'

'এৰা —! তোক সচাঁ কথাটোৱেই কও দেচোন! মানে আজি দিনটো আমি লঘোনে আছোঁ। মোৰ হাতত কেৱল গাড়ীৰ ভাৰাটোৱেই আছে। চাহ তাহ এটোপা দিবলৈও ঘৰত একোৱেই নাই। খুৰীয়েৰে লাজতে চাগৈ পাক ঘৰত বহি আছে। বেয়া নাপাবি।' কথা কৈ থাকোঁতে খুৰাৰ কাহ উঠিল। গাৰুটো বুকুত সাৱটি খুৰাই কাহি কাহি চকুহাল মুদি দিলে। গাৰুৰ তলত থকা বস্তুটো ওলাই পৰিল। মই উঠি গৈ খুৰাক সাৱটি ধৰিলো। বস্তুটোৱে মোৰ দৃষ্টি কাঢ়ি নিলে। মই আচৰিত হৈ বস্তুটো চালো। প্ৰশ্নবোধক দৃষ্টিৰে খুৰালৈ চালোঁ। খুৰাই সেহাই সেহাই সুধিলে 'কি চাইছ?'

'এইটো?'

'এৰা মই আচলতে কেইবাদিনো ধৰি দিচ-পুৰলৈ যাওঁ যাওঁ বুলিও যাব পৰা নাই। মোৰ এটাও চোলা নাই অ'। এইটো তহঁতৰ ধনীৰামে তই অহাৰ আগে আগে মোক দি গৈছে। মই উভতি আহি তাক ঘূৰাই দিম। পিছে এফল-মান ফটা, তাকে চিলাই আছিলোঁ।' করুণ চাৱনি এটাৰে খুৰাই লাহে লাহে ক'লে।

মই তলমূৰকৈ কোঠালিটোৰ পৰা ওলাই আহিলোঁ। পাক ঘৰৰ দুৱাৰৰ পোলাটোত আউজি বৈ থকা খুৰীক এটা ছায়া মূৰ্তি যেন লাগিল। গধুৰ অন্তৰখনলৈ ঘৰলৈ আগবাঢ়িলোঁ। বাৰে বাৰে খুৰাই কিবা এটা জুপি জুপি চিলাই কৰি থকা দৃশ্যটোৱে মোক আমনি কৰিবলৈ ধৰিলে। ৰাতিপুৱা ধনী কাইক মই দিয়া ফটা চোলাটো-য়েই যে মোক এনেকৈ আঘাত দিব মই ভবা নাছিলোঁ। মোৰ এনে লাগিল যেন আমাৰ এই জোৰা টাপলি দিয়া সমাজখন খুৰাই চিলাই কৰি থকা ফটা চোলাটোহে।

আদালতৰ বাহিৰত তেতিয়া মানুহৰ যথেষ্ট ভীৰ। সকলোৱে আদালতৰ চূড়ান্ত ৰায় শুনিবলৈ অধীৰ আগ্ৰহেৰে বাট চাই আছে। প্ৰত্যেকে প্ৰত্যেকৰ মুখলৈ অনুসন্ধিৎসু দৃষ্টিৰে চাই আছে। কোনোৱে ক'ব নোৱাৰে আদালতৰ ৰায় কি হব।

অৱশেষত আদালতত উকীলৰ মাত শুনি সকলোৱে কাঁহপৰি জীন যোৱাদি গ'ল। আচামী পক্ষৰ উকীলে তেওঁৰ বক্তব্যত ক'লে যে ঘটনাৰ সময়ত আচামীৰ মস্তিষ্কৰ বিকৃতি ঘটিছিল ; নহলে কি কাৰণত এনে কৰিবলৈ যাব! গতিকে আচামী নিৰপৰাধী।

---

# স্বীকাৰোক্তি

শ্ৰীদিলীপ কুমাৰ শৰ্মা
স্নাতক তৃতীয় বাৰ্ষিক

---

এদিন কাকলোঙা হাবিৰ ওচৰত ইকৰাগিত এহাল পুৰুষ মহিলাৰ মৰা শ দুটা আবিষ্কৃত হ'ল। দুয়োটা শ সাৰটা সাৰটি কৰি তাত পৰি আছিল। মতা-মাইকীহাল গিৰীয়েক ঘৈণীয়েক। সমাজত জনা, শুনা চহকী মানুহ ; মাজ বয়সীয়া। আগৰ বছৰত তেওঁলোকৰ বিয়া হৈছিল। ঘৈণীয়েকৰ আগৰ গিৰীয়েক তিনি বছৰ আগতে ঢুকাইছিল।

তেওঁলোকৰ কোনো শত্ৰু থকাৰ কথা কোনেও গম নাপায়। তেওঁলোকৰ বয়বস্তুও কোনেও লুটি নিয়া নাছিল। দুয়োকে লোৰ দীঘল জোঙেৰে মৰিয়াই হাবিলৈ পেলাই দিয়া চিন পোৱা গৈছিল।

পুলিচে তদন্তত ঘটনাৰ একো ওৰ-সূত্ৰ নোপালে। হাবিৰ দাঁতিত বাস কৰা লোকসকলৰ কোনেও একো কব নোৱাৰিলে। গতিকে প্ৰমাণৰ অভাৱত তদন্ত এৰি দিয়াৰে কথা হৈছিল, এনেতে ওচৰৰ এখন গাঁৱৰ কাঠমিস্ত্ৰীৰ কাম কৰা ডেকা ল'ৰা এটাই নিজেই হত্যাকাৰী বুলি ধৰা দিলেহি। ডেকাৰ নাম জৰ্জ লুই ; গাঁৱত সকলোৱে লুই বুলিয়ে মাতে।

তাক বহুত প্ৰশ্ন কৰা হৈছিল, কিন্তু সকলো প্ৰশ্নৰ উত্তৰত সি মথোন এষাৰ কথাহে কলে— 'মানুহজনক মই দুবছৰ আৰু তিৰোতা গৰাকীক ছমাহৰ আগৰ পৰা চিনি পাইছিলোঁ। কাঠৰ মই ভাল কাম জানো। চকী, মেজ, আচবাব্ পত্ৰ মোৰ হতুৱাই প্ৰায়েই তেওঁলোকে মেৰামতি কৰোৱাইছিল।"

লুইৰ জবানবন্দী শুনাৰ পিছতেই চৰকাৰী পক্ষৰ উকীলে প্ৰশ্ন কৰিলে - "কিয় তেওঁলোকক হত্যা কৰিলা ?"

উদাসীনভাৱে সি উত্তৰ দিলে "মাৰিবৰ মন গ'ল মাৰিলো।" তাৰ বাহিৰে একো কথা তাৰ পৰা উলিয়াব পৰা নগ'ল।

জনা যায় ডেকা কাৰোবাৰ জাৰজ সন্তান। তাক ডাঙৰ-দীঘল কৰিবলৈ পোনতে সেই অঞ্চলৰে কোনোবা ধাই মাকক গটাই দিয়া হৈছিল। পাছত তাৰ খবৰ-বাতৰি কোনেও আৰু লোৱা নাছিল। 'জৰ্জ লুই' নামষাৰৰ বাহিৰে তাৰ আন পৰিচয় নাছিল। ডাঙৰ হ'লত দেখা গ'ল সি বেছ বুদ্ধিমান আৰু লগৰীয়াহঁতকৈ মাজিত। সেইদেখি গাঁৱত সকলোৰে বৰ জনপ্ৰিয় হৈ পৰিল। লুই সৰুৰে পৰা কাঠমিস্ত্ৰী কামৰ প্ৰতি অনুৰাগী আছিল। ডাঙৰ হ'লত সি এটা পাকৈত মিস্ত্ৰী হৈ পৰিল। লাহে লাহে কাঠৰ বস্তবোৰ সাজোঁতে তাত কাৰু কাৰ্য্যও খটাব ধৰিলে। তাৰ ভাৱধাৰা সৰ্বসাধাৰণতকৈ উন্নত। সি কমিউনিজিমৰ প্ৰতিও আকৃষ্ট আছিল বুলি কিছুমানে কয়। তাৰ উপন্যাস

পত্ৰৰ লগতে হত্যাকাণ্ড সম্পৰ্কীয় আৰু ডিটেক্টিভ কিতাপতো নিচা আছিল। নিৰ্বাচনতো সক্ৰিয় অংশ গ্ৰহণ কৰে। বনুৱা-কৃষকৰ সভা সমিতিত বক্তৃতা দিয়ে। সি এজন ভাল বক্তাও।

আচামী পক্ষৰ উকীলে তৰ্ক কৰিলে—মৃত মতা-মাইকী দুজন হত্যাকাৰীৰ সকলোতকৈ ভাল খৰিদ্দাৰ আছিল। তেওঁলোক চহকী আৰু তাৰ প্ৰতি উদাৰো আছিল (সেই কথা সি স্বীকাৰো কৰিছে)। তেওঁলোকে তাক কৰিবলৈ দিয়া কামৰ পৰা দুবছৰত তাৰ সাত হাজাৰ টকা আয় হৈছিল (তাৰ হিচাপ পত্ৰই সেই প্ৰমাণ দিয়ে)। তেনে-স্থলত মস্তিষ্কৰ বিকৃতি নঘটিলে সি তেওঁলোকক হত্যা কৰিবলৈ যাব কিয়? সি যি শ্ৰেণীৰ মানুহ, ভাগ্যৰ দোষত, সেই শ্ৰেণীৰপৰা তললৈ অহাৰ ফলত সমাজৰ ওপৰত প্ৰতিশোধ লোৱাৰ প্ৰবল ইচ্ছাই তাৰ মনত ঠাই পাইছিল। ভদ্ৰলোক শ্ৰেণীৰ দুজনক হত্যা কৰি সি সমাজৰ ওপৰত প্ৰতিশোধ লৈছিল।

উকীলে কৈ গ'ল—"তাৰ অৱস্থাটোৰ কথা দকৈ গমি চাব। সি এটা পিতৃ-মাতৃ পৰিচয়হীন ল'ৰা; উগ্ৰপন্থী গণতান্ত্ৰিক, সি যিটো দলৰ সভ্য, কিছুদিন আগলৈকে সেই দলৰ সভ্য সকলক চৰকাৰে হয় গুলীয়াই মৰাইছিল নাইবা দেশৰ পৰা নিৰ্বাসিত কৰিছিল। অগ্নিসংযোগ আৰু হত্যাই হ'ল সেই দলৰ মূলনীতি। অথচ সেই দলটোকে আজি আমাৰ বুকুত সাবটি লবলৈ ওলাইছে।

এই দলৰ নীতিৰ সপক্ষে আজিকালি মুক্তভাৱে সভা সমিতিত আলোচনা হয়। সেইবিলাক কথা শুনিয়েই এই মানুহটো ৰসাতললৈ গৈছিল। উগ্ৰ-পন্থী সকলৰ বক্তৃতা শুনি শুনি অভিজাতৰ তেজ-পিয়াৰ পিপাসাই তাক বলিয়া কৰিছিল।

জুৰীৰ ভদ্ৰলোক সকল, এই মানুহটোক অযথা দণ্ড নিদিব; দণ্ড যদি দিব লাগে "কমিউনিষ্ট সংঘ"ক দিয়ক।

কেউপিনে অস্ফুট গুণ-গুণনি উঠাৰ লগে লগে ডাঙৰ কোলাহল কিছুমানো আহিল 'হয়, হয়' বুলি। সকলোৱে ভাবিলে আচামী পক্ষৰ উকীল জিকিল। চৰকাৰী পক্ষৰ উকীলে তৰ্কৰ প্ৰত্যুত্তৰত একো নামাতিলে।

তেতিয়া মহামান্য তৰ্জ্জ ডাঙৰীয়াই আচামীক সুধিলে "তোমাৰ—আৰু কিবা ক'ব লগা আছে?"

লুই লগে লগে থিয় হ'ল। মানুহটো চুটি-চাপৰ, পাঠলু, চুলি কোছা মুগাবৰণীয়া, চকু দুটা ধোৱা বৰণীয়া, থিৰ, উজ্জ্বল। তাৰ বজ্ৰগম্ভীৰ কণ্ঠ-স্বৰ শুনিয়েই তাৰ সম্বন্ধে সকলোৰে ধাৰণা সলনি হ'ল। আদালতৰ কোঠাটোতে তাৰ মাতষাৰ ৰজন জনাই গ'ল। সি কবলৈ ধৰিলে—

"ধৰ্মাত্মতাৰ, পগলাগাৰলৈ মই যাব নোখোজো। তাতকৈ 'গিল'টিন'ত মোৰ মূৰ গ'লেই বৰং মই সুখী হ'ম। এতিয়া মই সকলোখিনি কথা কম শুনক।...... মই সেই মানুহ হালক হত্যা কৰিলো তেওঁলোক দুজনেই আছিল মোৰ আই আৰু বোপাই। মোৰ বক্তব্য শুনি এতিয়া আপোনালোকে মোৰ বিচাৰ কৰক।

এজনী মাইকী মানুহে সন্তান জন্ম দি, সন্তানক পঠাই দিলে এগৰাকী ধাইমাকৰ ওচৰলৈ। সেই দুৰ্ভগীয়া, জাৰজ শিশুটিক ধাইমাকে ক'লৈ লৈ গ'ল তাকো মাকে কব নোৱাৰে। কিছুদিনৰ পিছৰ পৰা ধাইমাকলৈ টকা সিকা পঠোৱাও বন্ধ কৰিলে। তাক মৰিবলৈ এৰি দিলে। এনে স্থলত ধাইমাকে তাক খাবলৈ নিদি মৰিবলৈ কৰবাত পেলাই থৈ যাবও পাৰিলেহেঁতেন। সেই শ্ৰেণীৰ মাইকী মানুহে তেনে অৱস্থাত পৰিলে তেনে কাম নকৰা নহয়। কিন্তু যি গৰাকী মাইকী মানুহে বুকুৰ গাখীৰ দি মোক জীয়াই ৰাখিলে, তেওঁ মোৰ নিজৰ আইতকৈ মহীয়সী তিৰোতা আছিল। তেওঁলোকে মোক ডাঙৰ-দীঘল কৰি তুলেই কৰিছিল। মৰিবলৈ দিলেও ভাল আছিল।

মোৰ জন্মৰ লগত যে লাজ পাবলগীয়া কিবা কথা আছিল, অলপ অলপকৈ মই বুজিব পৰা হ'লো। লগৰ ল'ৰা-ছোৱালীবোৰে মোক এদিন 'জহৰা' বুলি মাতিলে। সিহঁতৰ সেই শব্দটোৰ অৰ্থ তেতিয়া নুবুজিলেও পিছত বুজি পাইছিলোঁ।

মই শ্ৰেণীত বৰ চোকা আছিলোঁ। ধৰ্মাৱতাৰ, মোৰ আই বোপায়ে মোক দলিয়াই নেপেলোৱা হলে মই এজন সৎ আৰু জাকত জিলিকা পুৰুষ হ'লোহেঁতেন। সেই কথা মই ন-দি ক'ব পাৰো। মোক মৰিবলৈ দলিয়াই পেলাই দিয়া অপৰাধৰ অপৰাধী কোন? মোৰ আই, বোপাই। মোক সিহঁতে হত্যা কৰিব খোজা নাছিল নে? আত্মৰক্ষা কৰা শক্তি মোৰ নাছিল; দয়া-মায়া বুজিবলৈ সিহঁতৰো একো নাছিল। যি মোক মৰম ভালপোৱা দিব লাগিছিল, সিহঁতে মোক দলিয়াই পেলাই দিছিল।

সিহঁতে মোক জন্ম দিছিল। জন্ম দি মোৰ উপকাৰ কৰিছিল নে? মোৰ ক্ষেত্ৰত জন্মই আছিল দুৰ্ভাগ্য। সিহঁতৰ জঘন্য কাৰ্য্যৰ পিছত, প্ৰতি-শোধৰ বাহিৰে মোৰ পৰা সিহঁতৰ প্ৰাপ্য কি আছিল? সিহঁতে যি কাম কৰিছিল, মানুহৰ প্ৰতি মানুহে তাতকৈ অমানুষিক, পাশবিক কাম কিবা কৰিব পাৰেনে?

অপমানিত জনে হাত সাবটি বহি নাথাকে, মাৰিবলৈ বিচাৰে। কাৰোবাৰ সম্পত্তি কোনোবাই আত্মসাৎ কৰিলে বলেৰে হলেও লোকে সেই সম্পত্তি উদ্ধাৰ কৰাৰ চেষ্টা কৰে। এজনক ঠগিলে, বিশ্বাসঘাটকতা কৰিলে, খুচি-কাটি যন্ত্ৰণা দিলে, হত্যা কৰিবলৈ তেনেজনে পিছ নোহোঁহকে। হঠাৎ কৰা কাম বুলি খেনোৰ গধুৰ অপৰাধকো আপোনা-লোকে ক্ষমাৰ চকুৰে চায়। সি সকলৰ লগত মোৰ অৱস্থাৰ তুলনা কৰক। মোৰ আই বোপায়ে মোক অপমান কৰি মোৰ জীৱন মূল্যহীন, অৰ্থ-হীন কৰিছিল।

গতিকে মই প্ৰতিশোধ ললোঁ, হত্যা কৰিলোঁ। হত্যা কৰাৰ অধিকাৰ মোৰ আছিল। যি অভি-শপ্ত জীৱন সিহঁতে মোক দিছিল, তাৰ সলনি সিহঁতৰ সুখৰ, লাহবিলাহৰ জীৱন মই কাঢ়ি লৈছিলোঁ।

আপোনালোকে এই কাৰ্য্যক পিতৃ-মাতৃ হত্যা বুলি ক'ব। যাৰ মানত মই আছিলো এটা ঘিণ লগা, লাজ লগা, ভয় লগা বস্তু; মোৰ জন্ম আৰু জীৱন যাৰ মানত আছিল অপমানৰ বিষয়, তেওঁলোক মোৰ পিতৃ-মাতৃ আছিল নে? তেওঁ-লোকে সুখ বিচাৰোঁতে অযাচিতভাৱে এটা বস্তু আহি ওলালহি। সেই বস্তু আহি ওলোৱাৰ সম্ভাৱনাৰ কথা তেওঁলোকে ভাবি পোৱা নাছিল। আহি ওলালত তাক মাৰি পেলাবলৈ বিচাৰিছিল। সময় হলত তাৰ প্ৰতিফল মই দিলোঁ।

তথাপি, শেষ মুহূৰ্ত্ততো সকলো পাহৰি মোৰ ভাল পোৱা তেওঁলোকক দিবলৈ আগবাঢ়ি গৈছিলোঁ।

আগতেই মই কৈছোঁ দুবছৰ আগতে মোৰ বোপাই নামধাৰী সেই মানুহটো প্ৰথম মোৰ ঘৰ আহি ওলাইছিল হি। মই একো সন্দেহ কৰা নাছিলোঁ। দুটা বস্তু মোক সাজি দিবলৈ ক'লে। পিছত মই গম পাইছিলোঁ যে আমাৰ গাৱঁৰ পুৰোহিতৰ পৰা তেওঁ মোৰ বাতৰি সংগ্ৰহ কৰিছিল।

তাৰ পিছত তেওঁ সদায় আহি পইচাৰ বিনিময়ত মোক কাম দিয়ে। মাজে সময়ে কথা-বতৰা পতাৰ পৰা মানুহ জনক মোৰ ভাল লাগি আহি-বলৈ ধৰিলে।

এই বছৰৰ আগভাগত এদিন তেওঁ ঘৈণীয়েকক অৰ্থাৎ মোৰ আইক লগতলৈ মোৰ ঘৰলৈ আহিল। ঘৰত সোমায়েই মানুহ গৰাকী এনেকৈ কঁপিবলৈ ধৰিলে যে মই ভাবিলোঁ তেওঁৰ কিবা স্নায়বিক বিকাৰ আছে। তাৰ পিছত তেওঁ বহিবলৈ চকী এখন আৰু খাবলৈ পানী এগিলাছ বিচাৰিলে। মুখত

তেওঁৰ মাত কথা নাই। বলিয়া মানুহৰ দৰে মোৰ কাৰখানাত থকা আচ্‌বাৱ পত্ৰবোৰলৈ চাই থাকিল। গিৰীয়েকে কিবা সুধিলেও একো উত্তৰ নিদিয়ে।

এমাহৰ পিছত তেওঁলোক আকৌ আহিল। এইবাৰ তেওঁ ধীৰ স্থিৰ; কঁপনি জপনি নাই। সেইদিনা দুয়ো ভালেখিনিপৰ মোৰ লগত কথা বতৰা হ'ল; ভালেমান আচবাৱ পত্ৰৰ ফৰমাইচ দিলে। আৰু তিনিবাৰ তেওঁলোকক লগ পালোঁ। তেতিয়াও মোৰ মনত কোনো সন্দেহ জগা নাছিল। তাৰ পিছত এদিন দেখোন মানুহ গৰাকীয়ে মোৰ লৰা কালৰ কথা, মোৰ আই, বোপাইৰ কথা, মোৰ জীৱনৰ কথা সুধিবলৈ ধৰিলে। মই ক'লো মাদাম, মোৰ আই বোপাইৰ কথা নুসুধিব; সিহঁত অতি জঘন্য প্ৰকৃতিৰ লোক। মোক কেচুৱাতেই দলিয়াই পেলাই দিছিল। কথাষাৰ শুনি হাত এখন বুকুলৈ নি তেওঁ ধাচকৰে মাটিত পৰি মূৰ্ছা গ'ল। তৎক্ষণাৎ মোৰ মনত খেলালে এৱেঁই মোৰ আই। মই একো নকলোঁ। ভাবিলোঁ মোৰ ইয়ালৈ আহি থাকক।

তাৰ পাছত ময়ো অনুসন্ধান কৰি জানিব পাৰিলোঁ সেই বছৰ জুলাই মাহত আইৰ বিয়া হৈছিল। তেওঁৰ আগৰ গিৰীয়েক তিনি বছৰ আগতে ঢুকাইছিল। তেওঁ জীয়াই থকা দিনৰে পৰা বৰ্ত্তমানৰ গিৰীয়েকৰ লগত গুপুত প্ৰেম চলাই আছিল। তাৰেই একমাত্ৰ প্ৰমাণ মই। সেই প্ৰমাণকে নোহোৱা কৰিবলৈ পাং পাতিছিল।

কিছুদিন বিৰতিৰ মূৰত দুয়ো আকৌ এদিন ওলালহি। তাইক সেইদিনা বৰ উত্তেজিত যেন দেখিছিলোঁ; কিয় কব নোৱাৰোঁ। যাবৰ সময়ত তেওঁ মোক ক'লে 'তুমি সৎ আৰু কৰ্মী লৰা; তোমাৰ মঙ্গল হওঁক। বিয়া-বাৰু নকৰোৱানেকি? যাকে তোমাৰ মন যায় তাকে বিয়া কৰাব পাৰা; তাৰে ব্যৱস্থা কৰিবলৈকে মই আহিছিলোঁ। মই নিজে ইচ্ছাৰ বিৰুদ্ধে বিয়া কৰাই বৰ দুখ পাই-ছিলোঁ। তেনে বিয়াৰ পৰা মানুহৰ দুখ হব পাৰে। এতিয়া মই চহকী, স্বাধীন, মোৰ সতি সন্ততি নাই। তোমাৰ বিয়াৰ বাবে এয়া তোমাক দিলোঁ, ধৰা'।

সেই বুলি ডাওৰ লেফাফা এটা তেওঁ মোৰ হাতত দিলে। এৰে থিৰে তেওঁলৈ কিছুপৰ চাই থাকি মই সুধিলোঁ, 'তুমি মোৰ আই নে কি?' তিনিখোজ পিছুৱাই গৈ হাত দুখনেৰে তেওঁ চকু দুটা ঢাকিলে। সিটোৱে, মানে মোৰ বোপায়ে তেওঁৰ নিজৰ গাত আওজিবলৈ দি চিঞৰ মাৰি মোক ক'লে, 'তই বলিয়া।'

মই ক'লো মুঠেই বলিয়া নহওঁ। তোমালোক মোৰ আই বোপাই বুলি মই ভালকৈ জানো। ইমান সহজে মোক ঠগিব নোৱাৰিবা। কথাটো তোমালোকে স্বীকাৰ কৰা; সেই কথা মই কাকো নকওঁ। তোমালোকৰ প্ৰতি মনত কোনো আখেজ, কুভাব মই নাৰাখোঁ। মই কাঠ মিস্ত্ৰী—কাঠ-মিস্ত্ৰী হৈয়েই থাকিম।

ঘৈণীয়েকক ধৰিমেলি তেওঁ দুৱাৰৰ কাষলৈ নিলে। ঘৈণীয়েকে তেতিয়া হুকহুকাই কান্দিবলৈ আৰম্ভ কৰিছে। লৰমাৰি গৈ দুৱাৰত খিলি লগাই মই গিৰীয়েকক ক'লো "তেওঁৰ পিনলৈ এবাৰ চাই তেওঁ মোৰ আই নহয় বুলি বুকুত হাত দি ক'ব পাৰিবানে?"

তেওঁৰ থৰকাচুটি নোহোৱা হ'ল। ইমান দিনে ঢাকি থোৱা কেলেঙ্কাৰি এতিয়া প্ৰকাশ হয় বুলি, তেওঁলোকৰ মান মৰ্য্যাদা সকলো ধুলিস্যাৎ হোৱাৰ ভয়ত তেওঁৰ মুখ বিবৰ্ণ হৈ পৰিল।

থোকাথুকি মাতেৰে ক'লে "তই এটা লম্পট; আমাৰ পৰা ধন আদায় কৰা ফন্দি পাতিছ। লোকে আকৌ তহঁতৰ নিচিনা কুকুৰ ধুলি এমখাক দুখীয়া বুলি পুতৌ কৰিবলৈ কয়"।

আয়ে বিহ্বল হৈ বাৰে বাৰে কবলৈ ধৰিলে যাওঁগে ব'লা। বোপায়ে তেতিয়া ক'লে তই ভালে

ভালে দুৱাৰ খুলি নিদিব যদি মই তোক ফাটেকত দিম।

মই তেতিয়াও আত্মসংযম হেৰুওৱা নাছিলো। লাহে লাহে গৈ দুৱাৰখন খুলি দিলোঁ। তেওঁলোক ওলাই গৈ আন্ধাৰত অদৃশ্য হৈ পৰিল।

তেতিয়া হঠাৎ মোৰ মনলৈ এনে ভাব আহিল যেন মই মাউৰা হ'লোঁ; মোক গতিয়াই কোনোবাই নৰকলৈ পেলাই দিলে। দুখ-বেজাৰ, উগ্ৰ খং, ঘৃণা-বিতৃষ্ণাই মোক অজ্ঞান কৰা যেন কৰিলে। কি অনুভূতিয়ে মোৰ মনত বাঁহ ল'লে বুজোৱাটো কঠিন—ন্যায় বিচাৰ, ন্যায্য স্বত্বৰ হাবিয়াস, উপেক্ষিত মৰমৰ অপমান—সকলোবোৰ মিলি মোক বিষণ্ণ কৰি তুলিলে। কাকলোওা হাবিৰ পাৰলৈ লৰ দিলোঁ, কাৰণ জানিছিলো সেইদিনে দিয়েই সিহঁতে লামডিঙ ষ্টেচনলৈ যাব লাগিব।

অলপদূৰ গৈয়েই তেওঁলোকক দেখা পালোঁ। তেতিয়া ঘোৰ অন্ধকাৰ। হাতত সাৰে ভৰিত সাৰে মই তেওঁলোকৰ পিছ ল'লো। বোপায়ে কোৱা শুনিলো, "তোমাৰ গাতেই দোষ। তাক লগ নাপালে তোমাৰ নচলে। তুমি বলিয়া হৈছিলা নেকি? সি নজনাকৈয়েতো আমি তাৰ উপকাৰ কৰিব পাৰিলোহেঁতেন। তাক আমি নিজৰ লৰা বুলি স্বীকাৰ কৰিব নোৱাৰো যেতিয়া, তাক লগ পাবলৈ যোৱাৰ অৰ্থ কি?"

সেই কথা শুনি দৌৰ মাৰি গৈ তেওঁলোকক আগচি ধৰি মিনতি কৰি মই ক'লো, "তোমালোকেই যে মোৰ আই বোপাই তাত আৰু কোনো সন্দেহ নাই। এবাৰ তোমালোকে মোক দলিয়াই দি আকৌ তাকে কৰিবানে?"

ধৰ্মাৱতাৰ! আইৰ শপত খাই মই কৈছোঁ, কথাষাৰ মই ক'বলৈহে পালোঁ, বোপায়ে মোক হাতেৰে এখুন্দা মাৰিলে। মই তেওঁৰ কোটত থাপ মাৰি ধৰাত, তেওঁ জেপৰ পৰা ৰিভলভাৰ এটা উলিয়ালে।

তেতিয়া মোৰ কি হ'ল, মই ক'ব নোৱাৰো। মোৰ জেপত মিস্ত্ৰীৰ হাতিয়াৰ এপাত আছিল। সেই পাতেৰে গাৰ বলেৰে তেওঁৰ মূৰত মাৰি দিলো।

মাইকীজনীয়ে তেতিয়া 'হত্যা, সহায়' বুলি চিঞৰি মোৰ দাড়ি কোছাত আজুৰিবলৈ ধৰিলে। তাইকো হত্যা কৰিছিলো বুলি পাছতহে গম পাইছিলো। কেনেকৈ কৰিলো ক'ব নোৱাৰো। মোৰ গাত তেতিয়া হচ্ নাছিল।

তাৰ পাছত দুয়োটাকে মৰি পৰি থকা দেখি শ দুটা হাবিৰ মাজলৈ চোচোঁৰাই নি গছৰ কেচাঁ ডাল পাত কিছুমান ঢাকি দিলোঁ।

কথা সিমানেই। এতিয়া আপোনালোকৰ ৰায় দিয়ক।

বক্তব্য শেষ কৰি লুই তথা ফ্ৰাষ্টেকিয়াল বহি পৰিল। বিচাৰ তেতিয়ালৈ মুলতুবি ৰখা হ'ল। সোনকালে আকৌ বিচাৰ আৰম্ভ হ'ব?

পাঠক সকল যদি আপোনালোকে জুৰিৰ আসনত বহিব লগা হয় তেতিয়া হলে কি ৰায় দিব?

(গীদ মোপছাঁৰ গল্পৰ আধাৰত ৰচিত)

আৰম্ভ হবৰ পৰা সি কোনো দিন বিহুৰ সময়ত ছুটী পোৱা নাছিল, এইবাৰেই প্ৰথম। সেইবাবে তাৰ বাইশ বছৰীয়া দেহত বিহুৰ চল নামিছিল। মনত পৰিছিল তাৰ দেউতাক জীয়াই থকা দিনবোৰ'লৈ।

ঢোল গগণাৰ মাতেৰে নিৰ্মালি গাঁৱত বিহুৰ দলদোপ হেন্দোলদপ। তাৰ উপৰি বিহু উপলক্ষে আৰম্ভ হৈছিল বিভিন্ন খেল-ধেমালী। মিনাক্ষীয়ে বিহু নাচিছিল। পঢ়া অৱস্থাৰ পৰাই তাই বীৰেণক ভাল পায়। বীৰেণেও ভাল পাইছিল সমানে। সিহঁতৰ ভাল পোৱা আছিল প্ৰকৃত। টকাৰ লোভত বা ৰূপৰ মোহত এজনে আনজনক ভাল পোৱা নাছিল। সেয়েহে সিহঁতৰ ভালপোৱা আছিল চিৰ-জীৱিত। মিনাক্ষীয়ে বিহু কুঁৱৰীৰ প্ৰথম স্থানটো অধিকাৰ কৰিছিল। বীৰেণৰ ভনীয়েক কবিতাও সত্ৰীয়া নৃত্যত প্ৰথম স্থান লাভ কৰিছিল।

বীৰেণৰ ছুটীৰ দিন শেষ হবলৈ ওঠৰদিন বাকী থাকোতেই তালৈ এখন টেলিগ্ৰাম আহিছিল। সেই টেলিগ্ৰামত নিৰ্দেশ আছিল—টেলিগ্ৰাম পোৱা মাত্ৰেই সি হিমাচল প্ৰদেশলৈ যাব লাগে। সৈনিক বিভাগৰ আদেশৰ কোনো লৰচৰ নাই। হুকুম হুকুমেই। বীৰেণো যাবলৈ বাধ্য হ'ল। ইমান দিনে আনন্দৰ ৰোল উঠি থকা ঘৰখন হঠাতে জুঁই পৰি গ'ল। মাকৰ ৰাতি টোপনিয়েই নাহিল। কাৰণ, মাকে আগৰে পৰাই অহকাণে পহকাণে ভাৰত-চীনৰ যুদ্ধৰ কথা শুনিছিল। সেইবাবেই কিছুমান অমঙ্গলীয়া চিন্তা মাকৰ মনত উদয় হৈছিল। বীৰেণেও কথাটো চিন্তা নকৰাকৈ থকা নাই। কিন্তু সি সিমান ভয় কৰা নাই। কাৰণ সৈনিকৰ ধৰ্মই হ'ল দেশৰ নিমিত্তে প্ৰাণাহুতি দিয়া, দেশলৈ শান্তি নমাই অনা। তথাপিও প্ৰত্যেক মানুহৰে জীৱনৰ প্ৰতি এটা মোহ আছেই।

চৰকাৰৰ বেতনভোগী যেতিয়া চৰকাৰৰ আদেশ মানিবই লাগিব। সেই দিনটো আছিল শনিবাৰ। ৰাতিতে ঘৰৰ সকলো কেইটিয়ে বিচনা এৰিলে। বীৰেণে গা পা ধুই মাকৰ নিৰ্দেশ মৰ্মে ৰাতিপুৱা-তেই গোঁসাইঘৰত এগছি বন্তি জ্বলাই এটি সেৱা লৈছিল ভগৱানৰ ওচৰত। কবিতা আৰু মাকেও একেলগে আঠু লৈছিল যাতে বীৰেণক ঈশ্বৰে ভালে কুশলে ৰাখে। এয়েই আছিল সিহঁতৰ ভগ-ৱানৰ ওচৰত একান্ত প্ৰাৰ্থনা।

লাহে লাহে পুব আকাশত ৰাঙলী সুৰুযে সিঁচি দিছিল হেঙুলী কিৰণ। চৰাই-চিৰিকতিবোৰ উৰি গৈছিল বহুদূৰ দূৰণিলৈ আহাৰৰ অন্বেষণত।

অইন অইন বছৰৰ তুলনাত এই বেলি খবৰ লবলৈ অহা মানুহৰ সংখ্যা বেছি। সকলোৰে মুখবোৰ ক'লা, মনত কিবা যেন এটা বিষাদৰ ভাব। গাঁৱৰ ডেকা ল'ৰা বিলাকে ৰেডিঅত প্ৰায়ে যুদ্ধৰ বাতৰি শুনিছিল—"অমুক ঠাইত আজি ইমান জন ভাৰতীয় সৈন্য নিহত…""অমুক ঠাইত ইমান জন চীনা সৈনিক নিহত ইত্যাদি।" সেয়েহে সিহঁতে বীৰেণক মাত এষাৰো দিব পৰা নাছিল। ভয়ত নে আন কিহবাত কব নোৱাৰি। কথা চহকী কবিতাই সেইদিনা নিৰৱে দাদাকৰ পিনে চাইছিল। মাথো এবাৰ দাদাকক প্ৰশ্ন কৰিছিল তাই—'কিয় মানুহে মানুহক গুলিয়াই হত্যা কৰে?' দাদাকে উত্তৰ বিচাৰি নাপায়। 'ডাঙৰ হলে সকলো বুজিবি' বুলি কৈছিল। মনতে বীৰেণে ভাবিছিল কবিতাৰ দৰে সকলো মানুহেই সেইখিনি উপলব্ধি কৰিব পাৰিলেহেঁতেন তেতিয়া যুদ্ধৰ প্ৰয়োজনেইবা আছিল ক'ত।

ইয়াৰ পিছত বীৰেণ যাবলৈ সাজু হৈছিল সুদূৰ হিমাচল প্ৰদেশলৈ মৃত্যুৰ আহ্বানত। অশ্ৰুজল মচি মচি মাতৃৰ চৰণ কমলত উবুৰি খাই পৰিছিল বীৰেণ। মাকে হাওঁ হাওঁ কৈ কান্দি বীৰেণক টানি আনিছিল নিজৰ বুকুৰ মাজলৈ। বীৰেণৰ গালেৰে নিৰৱে বৈ অহা তপত চকুলোখিনি মা.ক মচি দিছিল নিজৰ চাদৰৰ আচলেৰে। তাৰ পিছত সি মাকক শান্তনা দি কৈছিল— "আই মই

আহিলোঁ। দুখ নকৰিবা, মোৰ বাবে কোনো চিন্তা নকৰিবা, মই ভালে ভালে ঘূৰি আহিম নহয় কিছুদিনৰ পিছত।"

সময় ৰৈ নাথাকে। বীৰেণেও ৰব নোৱাৰে। সি যাওঁ বুলি খোজ পেলোৱাৰ লগে লগে তাৰ চকুত পৰিছিল চালে চকু ৰোৱা, দেখিলেই হিয়া জুৰোৱা কবিতাজনীলৈ। তাইৰ সুন্দৰ ৰঙা ওঠ দুটি একেবাৰে ক'লা পৰি গৈছিল কিবা দুঃচিন্তাত হয়তো। চকুৰ লোতক মুখেৰে বাগৰি পৰিছিল। বীৰেণে কিছুসময় চাই ৰৈছিল কবিতাৰ মুখলৈ। তাৰ অন্তৰ আত্মাই যেন কৈছিল—দেউতাৰ মৰমো নেপালি, আজিৰ পৰা মোকো দেখা নেপাবি কিজানি চিৰদিনৰ বাবেই। বীৰেণে দুখোজ পিছুৱাই আহি কবিতাক কোলাত তুলি লৈ নিৰবে দুটোপাল চকুলো টুকিছিল। কবিতাই দাদাকৰ মুখলৈ চাই কৈছিল "যুদ্ধলৈ নেযাবা দাদা, আমাক এৰি তুমি কলৈকেও নেযাবা দাদা।" বীৰেণে তাইক শান্তনা দিছিল—"নেকান্দিবি মাজনী, মই ভালে ভালে উভতি আহিম নহয়"। সি মাকৰ মুখলৈ চাই 'আই যাওঁ' বুলি খোজ দিওঁতে ওপৰেৰে কাউৰী জনীয়ে বৰ জোৰেৰে কা-কা বুলি উৰি গৈছিল। নিয়তিৰ এই ইংগিতকো নেওচি বীৰেণ ওলাই গৈছিল। মাকে ৰিহাৰ আচল মুখত লৈ চকুপানী টুকি থকা দৃশ্য আৰু কবিতাই বুঢ়া আঙুলি মুখত সুমুৱাই ফেকুৰী থকা দৃশ্য চাই চাই বীৰেণ আগবাঢ়িছিল ষ্টেচন অভিমুখে।

বীৰেণে দুদিনৰ মূৰত গৈ পাইছিল হিমাচল প্ৰদেশ। পাহাৰে-পৰ্বতে আগুৰা এক দুৰ্গম ঠাই। যি ঠাইত হেনো মৃত্যু লুকাই থাকে। অবিৰতভাৱে গুলিবৰ্ষণ চলিছিল দুয়ো পক্ষৰ ফালৰ পৰা। থিয়ৈ থিয়ৈ অলপ আহাৰ খাই সি যাবলৈ বাধ্য হৈছিল তিব্বতৰ কুনলুন পৰ্বতৰ দুৰ্গম এলেকালৈ যুদ্ধৰ আহ্বানত।

বীৰেণে যুদ্ধৰ কথা এবাৰ ভাবিলে। নিজ দেশত শান্তি স্থাপন কৰাৰ বাবেই এই যুদ্ধৰ প্ৰয়োজন নেকি? নাই নাই। মানুহে মানুহক হত্যা কৰি কোনোদিন দেশত শান্তি স্থাপন কৰিব নোৱাৰে। তাৰ পিছত সি ভাবিছিল চীনা সৈন্যসকলৰ বিষয়ে। যদি তাৰ গুলিত মৃত্যু হোৱা চীনা সৈন্যবোৰ ঠিক তাৰ দৰে হয়, যদি সিহঁতেও তাৰ দৰে পেটৰ তাগিদাত, ঘৰৰ দায়িত্বত সৈন্যবাহিনীত ভৰ্ত্তি হৈছে! সিহঁতৰো যদি তাৰদৰে একোজনী মৰমীয়াল মাক আছে। কবিতাৰ দৰে একোজনী ভনীয়েক আছে! যদি সিহঁতক জীৱিত ৰখাৰ বাবে সিহঁতৰ মাকহঁতে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছে! যদি তাৰ গুলিত সিহঁতৰ মৃত্যু ঘটে। তেতিয়া? নিজকে প্ৰশ্ন কৰে সি কিয় সেই সৈনিক সকলক সি গুলিয়াব লাগে? সিহঁতো মানুহ ঠিক তাৰ দৰেই। কিন্তু সিহঁতৰ মৃত্যুৰ বাবে জানো বীৰেণ দায়ী। নহয় নহয় সিহঁতৰ মৃত্যুৰ বাবে দায়ী বীৰেণ নহয়। নিজকে নিজে ভাবে সি—সিহঁতৰ মৃত্যুৰ বাবে দায়ী সেই সকল ব্যক্তি যি সকলে এয়াৰ কণ্ডিচনড্ ঘৰত বহি থাকি ৰাজনীতিৰ নামত নিজ স্বাৰ্থ পূৰণ কৰিব বিচাৰে। তাৰদৰে ৰাইফলধাৰী ভাৰতীয়, চীনা বা পৃথিৱীৰ কোনো সৈনিক দায়ী নহয়। বীৰেণে বাৰু এইবোৰ কি ভাবিছে—সি ভাবিলে! যুদ্ধলৈ আহি এইবোৰ কথা এজন সৈনিক হিচাবে ভবা উচিত নহয়।

খন্তেক পিছতে বীৰেণ সৈনিকৰ দল এটাৰ সৈতে উঠি পৰিছিল গছৰ ডাল পাতেৰে আবৃত এখন গাড়ীত। পাহৰৰ অকোৱা পকোৱা ৰাস্তাৰে গাড়ীখন আগবাঢ়িছিল তীব্ৰ বেগত যুদ্ধ ক্ষেত্ৰলৈ কুনলুন পৰ্বতৰ সেই দুৰ্গম ঠাইলৈ।

কিছু সময় পিছতেই বীৰেনে গৈ পাইছিল সেই নিৰ্দিষ্ট ঠাইখন। নিৰবতা ভাঙি ভাহি আহিছিল কমাণ্ডাৰৰ বিৰাট চিঞৰ—"গ ফৰওৱাৰড্" লগে লগে বীৰেণহঁত আগবাঢ়িছিল কিছু আগলৈ চুচুৰি

হুৱেৰি। তাৰ পিছত পুনৰাই আদেশ আহিছিল— "ৰেডিচন...ফায়াৰিং চালু কৰ .." ইত্যাদি। লগে লগে ভাৰতীয় সৈন্যসকলৰ ৰাইফলবোৰে গৰজি উঠিছিল। আন পিনে চীনা সৈন্যইও আগবাঢ়িছিল ঠিক ভাৰতীয় সৈন্যৰ দৰে মৃত্যুৰ সম্ভাষণ ৰক্ষা কৰিবলৈ।

এটা সময়ত বীৰেণৰ ৰাইফলেও গৰজি উঠিল। গুৰুম্ গুৰুম্। বাগৰি পৰিছিল বেচেৰা চীনা সৈন্যজন। বাগৰি পৰাৰ আগমুহূৰ্ত্তত সি মুখেৰে কিবা এটা কৈছিল ঠিক আমাৰ অসমীয়া "আই ঔ"ৰ দৰে। চীন দেশীয় সৈন্যজন বাগৰি পৰাৰ লগে লগে বীৰেণৰ মনত পৰিছিল যুদ্ধলৈ অহাৰ আগমুহূৰ্ত্তত কৰা চিন্তা বোৰলৈ।

কিছু সময় যুদ্ধ দেখি মনতে ভাবিছিল— জীৱন-মৃত্যুৰ কি টনা আজোৰা ? এয়ে নেকি মানৱৰ শ্ৰেষ্ঠতাৰ পৰিচয়। এয়ে নেকি মানুহৰ মানবীয় প্ৰমূল্যবোধ। তাৰ পিছত সি আকৌ ভাবিছিল - "পলাই যাম নেকি ?" কিন্তু পলাই গ'লেতো সি চাকৰিৰ পৰা বঞ্চিত হব লাগিব। বঞ্চিত হব লাগিব তাৰ ঘৰখন জীৱন ধাৰণৰ নিম্নতম প্ৰয়োজনীয়তাখিনিৰ পৰা। ৰণবাদ্য বাজি আছিল। এনেতে সি দেখিছিল এজন ভাৰতীয় সৈন্য চীনা সৈন্যৰ গুলিত বাগৰি পৰিছিল। লগে লগে তাৰ মনৰ গতি সলনি হৈ গ'ল আৰু খন্তেকৰ মুৰে মুৰে তাৰ ৰাইফলে শব্দ কৰিব ধৰিলে...গুৰুম ...গুৰুম।

আকৌ কিছু ওপৰলৈ আগবাঢ়ো বুলি ভাবোতেই চীনা সৈন্যৰ সেই নিষ্ঠুৰ গুলিটো বীৰেণৰ বুকু ভেদি গ'ল। বীৰেণে চিঞৰি উঠিছিল-- "আই ঔ মৰিলো।" সুউচ্চ কুনলুন পৰ্বতৰ পাচশ ফুট ওপৰৰ পৰা বাগৰি পৰিছিল বীৰেণৰ ক্ষত-বিক্ষত দেহটো। সকলো আশা আকাংক্ষা সিমানতে অন্ত পৰিছিল বীৰেণৰ। কিছুসময় কেকাঁই থাকি বীৰেণে চকু মুদিছিল চিৰদিনৰ বাবেই। মাত্ৰ মৃত্যুৰ আগ মুহূৰ্ত্তত কেকাঁই কেকাঁই হলেও কৈছিল - "ভাইসকল যুদ্ধ এৰা, যুদ্ধৰে দেশত জয় কিম্বা পৰাজয়ৰ নিচান উৰাব পাৰি ; কিন্তু পৃথিৱীত শান্তি আনিব পৰা নেযায়। শান্তি পাবা প্ৰেমেৰেই।"

তাৰ পিছত কবিতাহঁতৰ ঘৰত গৈ পাইছিল এখন অম্বুতৰা গাড়ী। বগা কাপোৰেৰে ঢাকি থোৱা বীৰেণৰ মৃতদেহ বাহিৰলৈ অনা হৈছিল। মুখৰ পৰা কাপোৰখন গুচাই মাকে হুৰাওঁৰাৱে কান্দিছিল আৰু কান্দিছিল কবিতাৰ লগতে গাওঁৰ সকলোৱে।

নিখুঁত জাতীয়তাবোধ নহ'লে কোনো দেশ আৰু তাৰ লোকসংঘই প্ৰগতিৰ পথত আগবাঢ়িব নোৱাৰে।

অম্বিকাগিৰী ৰায়চৌধুৰী

জাতীয় সাহিত্য জাতীয় জীৱনৰ প্ৰতিধ্বনি মাথোন। জাতীয় জীৱন যদি সংকীৰ্ণ হ'ল জাতীয় সাহিত্যইও সেই সংকীৰ্ণতাৰ হাত সাৰিব নোৱাৰে। যি জাতিৰ জীৱন মুক্ত আৰু স্বাধীন, সেই জাতিৰ সাহিত্য মুক্ত, স্বাধীন আৰু অব্যাহত গতি। সেই সাহিত্যই নিৰ্ভয়ে, নিসংকোচে কল্পনা আৰু ভাবৰ ৰাজ্যত স্বচ্ছন্দে বিচৰণ কৰিব পাৰে ; সি কোনো কালে কদাপিও বিদেশী বিজাতিৰে সৈতে ভাব আৰু কল্পনাৰ আদান-প্ৰদানত নিজৰ অস্তিত্ব হেৰুৱাবৰ ভয় কৰি নিজক সংকুচিত কৰি নুকুৰে।

লক্ষ্মীনাথ বেজবৰুৱা

সপ্তম অধিবেশন, ১৯২৪, গুৱাহাটী

এই সংসাৰত এনে লোকৰ অভাব নাই যি সকলে ভেনামাখিৰ দৰে আচৰণ কৰি তেওঁৰ সংস্পৰ্শত থকা লোকসকলৰ ওপৰ বিচাৰ কৰাতকৈ সামান্য দোষৰ ওপৰত পৰি সেইসকলক বেয়া নাম দিয়াৰ প্ৰচেষ্টা কৰে। সেয়ে কোৱা হয় ঃ "মাখিয়ে ঘাঁ বিচাৰে আৰু দুৰ্জনে দোষ বিচাৰে"

হিতোপদেশ

# ॥ সূচীপত্ৰ ॥

## সাক্ষাৎকাৰ

অভিনেতা প্ৰাঞ্জল শইকীয়াৰ
সৈতে সাক্ষাৎকাৰ ।

সুসাংবাদিক তিলক হাজৰিকা
দেৱৰ লগত এখন্তেক ।

সাক্ষাৎ গ্ৰহণত ৰঘুদেৱ দাস
আৰু কুলেন তালুকদাৰ ।

সাক্ষাৎ গ্ৰহণত অধ্যাপক
ফণীধৰ তালুকদাৰ আৰু
সম্পাদক দ্বয় ।

## সাক্ষাৎকাৰ.........

*** প্ৰতিজন মানুহেই একো একোখন বৃহৎ গ্ৰন্থ। এজন মানুহৰ জীৱনৰ প্ৰতিটো পদক্ষেপত নিজৰ অভিব্যক্তিবোৰ ফুটি উঠে। ৰূপাই থোৱা কিতাপ এখন বাহিৰৰ পৰা চালে তাৰ ভিতৰত থকা সাৰুৱা কথাবোৰ বুজা নাযায়। ঠিক তেনেদৰে ব্যক্তি এজনৰ লগত পৰিচয় নহ'লে, কথা বতৰা নকলে ব্যক্তিজনক বুজা নাযায়। অসমৰ বহুতো ঠাইত বহুতো সুপ্ৰসিদ্ধ গুণবান ব্যক্তি আছে, যিসকলে নিজৰ একাগ্ৰতীয়া প্ৰচেষ্টাৰ দ্বাৰা অসম মাতৃক বিভিন্ন দিশত উন্নতিৰ চৰম শিখৰত উপনীত কৰাবলৈ অহৰহ যত্ন কৰিছে। তেওঁলোক কিছুমানক হয়তো আমি চিনি পাওঁ। কিন্তু কেইজনক? হয়তো নিচেই কম ব্যক্তিক। অৱশ্যে আটাইকে চিনি পোৱা বা কথা বতৰা কোৱাটো আমাৰ বাবে সম্ভৱো নহয়। এজন ব্যক্তিৰ সৈতে ঘনিষ্ঠতা হোৱাৰ আগতে তেখেতৰ বিষয়ে কৰা আমাৰ ধাৰণাই পূৰ্ণতাপ্ৰাপ্ত হব নোৱাৰে যদিহে আমি তেখেতৰ সৈতে মুখামুখী নহওঁ।

ডেকা মন সদায় স্বপ্ন প্ৰিয়। বহুতো ৰঙীন সপোনেৰে যৌৱনৰ প্ৰতিটো ক্ষণ উপচি থাকে। বাহিৰৰ ৰঙচঙীয়া জগতৰ কিছুমান পৰিৱেশ বৰ মধুৰ আৰু আনন্দদায়ক বুলি ধাৰণা হয়। কিন্তু সেই পৰিৱেশৰ প্ৰকৃতৰূপে মুখামুখী হোৱা ব্যক্তিজনেহে উপলব্ধি কৰিব পাৰে তাৰ ভিতৰত থকা তিক্ততাখিনিক। জীৱনটো সুন্দৰৰূপে সজাবলৈ সপোনৰ প্ৰয়োজন আছে সঁচা, কিন্তু অবাস্তৱ সপোনৰ পয়োভৰে ব্যক্তিক কেতিয়াবা শল ঠেকতো পেলায়। সেইবাবে আমি সদায় কল্পনাৰ সৈতে বাস্তৱৰ সামঞ্জস্য ৰাখিব লাগে। তাৰবাবে প্ৰয়োজন অভিজ্ঞ ব্যক্তিৰ সৈতে সাক্ষাৎকাৰ; যি সাক্ষাতে আমাক মনৰ এন্ধাৰ আঁতৰাই কিছু হলেও পোহৰ দিব পাৰে, কল্পনাক আঁতৰাই বাস্তৱৰ সন্ধান দিব পাৰে। ***

# অভিনেতা প্ৰাঞ্জল শইকীয়াৰ সৈতে সাক্ষাৎকাৰ

"...... প্ৰথম মই কৰিছিলোঁ, শিৱঠাকুৰ পৰিচালিত ফাগুনী.........মই তাত এটা সৰু ৰ'ল (Role) কৰিছিলোঁ.........তাৰপিছতেই আহিল 'উপপথ', 'আজলী নবৌ'.........যদিও উপপথৰ আগতেই 'আজলী নবৌ' Release হৈছিল..... "

[ কথাখিনি কাৰ, ধৰিব পাৰিছেনে বাৰু ?? অসমীয়া কথাছবিৰ মানদণ্ড, মৌলিক নাটৰ অভাৱ, হিন্দী বোলছবিৰ প্ৰভাৱ......ইত্যাদি "..."বহুচৰ্চিত বিষয়ৰ প্ৰকৃত সন্দেহৰ বাবে ইংৰাজী ৩।১২।৮৭ তাৰিখে আবেলি নগৰবেৰা পৰিদৰ্শন ভৱনত আমি লগ পাইছিলোঁ অসমৰ প্ৰখ্যাত জনপ্ৰিয় আৰু আমাৰ সকলোৰে মৰমৰ ককাইদেউ প্ৰাঞ্জল শইকীয়াক। বহুতো ব্যস্ততাৰ মাজ:তো অসমীয়া কথাছবি জগতত, তেওঁৰ নিজৰ জীৱন আৰু অভিনয় জগতত পোৱা নিজস্ব অভিজ্ঞতাৰ বিষয়ে আমাক বহুতো মূল্যবান আৰু মনমোহক আভাস দিয়া বাবে তেওঁলৈ আমি আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ ]

?? আপোনাৰ অভিনয় জগতৰ প্ৰথম পদক্ষেপ মঞ্চত নে কথাছবিত আৰু কেতিয়া ?

00 মই .....মঞ্চত। মই সৰুৰে পৰাই...... Class iv ৰ পৰাই অভিনয়ৰ লগত জৰিত।

?? আপুনি অভিনয়ৰ প্ৰেৰণা ক'ৰপৰা পাইছিল ?

00 প্ৰেৰণাটো মোৰ সেই ঘৰৰ পৰিবেশ। পৰিবেশ বুলি এই কাৰণেই কলোঁ যে মোৰ ঘৰৰ পদূলিতে, আমাৰ সীমাতে লাগি আছে, যোৰহাটত মোৰ ঘৰ, তাৰ এটা সন্মিলন মন্দিৰ, সেইটো পুৰণা এটা মঞ্চ, 1935 মানতে হোৱা। তাতেই পূজাত নাটক হয়, পূজাৰ নাটকত আমাৰ বয়োজ্যেষ্ঠ সকলে প্ৰায় দুমাহমান আগতেই উখল-মাখল লগায়, ৰিহাৰ্ছেল কৰে.........মই Class iv ত পঢ়োঁ তেতিয়া। ৰিহাৰ্ছেল চোৱাৰ বাবে পঢ়া টেবুলত মন নবহে আৰু পঢ়া টেবুলৰ পৰা 'টুপ'কৈ দৌৰ মাৰি গৈ দুৱাৰ মুখত ৰৈ পেলাই চাওঁ .....মোৰ দেউতা নিজেই জড়িত আছিল তাত, মঞ্চৰ লগত। গতিকে এনেকৈ দৌৰা-দৌৰি কৰি থাকোঁতে বহু সময় পাৰ হৈ যায়, এই দৌৰা-দৌৰি বেছি সময় কৰিব লগা নহ'ল আৰু কিছুদিনহে, মোক সৰু Role এটা দিয়েই দিলে। অকণমানি ঘৰত কাম বন কৰা সৰু পোৱালী এটা... . তেনে Role এটা। তেতিয়াতো আৰু মনৰ আশাবিলাক সুন্দৰ হ'লেই লগে লগে.......( হাঁহে )........সেইয়েই আৰম্ভনি।

?? সেই প্ৰথম অভিনীত নাটখনৰ নাম কি আছিল ?

00 নাটখনৰ নামটো—সেই( চিন্তা কৰে ) –'ৰঙা মদাৰ' বুলি নাটক এখন আছিল......এইটো বেছি গুৰুত্বপূৰ্ণ কথা নহয় আৰু .....।

?? আপুনি অভিনয় কৰা প্ৰথম কথাছবিখনৰ নাম কি ? তাৰ পৰিচালক কোন আছিল আৰু সেইখন কেতিয়া Release হৈছিল ?

00 প্ৰথম মই কৰিছিলোঁ শিৱঠাকুৰ পৰিচালিত 'ফাগুনী'ত মই তাত এটা সৰু Role কৰিছিলোঁ ......প্ৰথম হিচাবে ফাগুনী প্ৰথম। সেইখনৰ Shooting আৰম্ভ হৈছিল '76' ত তাৰ পিছতেই আহিল 'উপপথ' তাৰ পিছতেই 'আজলী নবৌ' যদিও 'উপপথ'ৰ আগতেই 'আজলী নবৌ' Release হৈছিল .....এনেকৈয়ে আৰু বাকীবোৰ আছি আছে।

?? বৰ্ত্তমানলৈ আপুনি কিমানখন ছবিত অভিনয় কৰিছে।

00 এতিয়ালৈ ওঠৰ, বিশখনমান হব আৰু।

?? এই ওঠৰ-বিশখনৰ ভিতৰত কোনখনত অভিনয় কৰি আপোনাৰ বেছি ভাল লাগিছে ?

00 সেইখিনি বিচাৰ কৰি চোৱাৰ অৱকাশ মই পোৱা নাই, সচা কথা কবলৈ গলে দেই ! তথাপিও মই এখন কথাছবিত অভিনয় কৰিছিলোঁ, সেইখন Release ও হৈ গৈছে এতিয়া ; পৰিচালক জাহ্নু বৰুৱাৰ। জাহ্নু বৰুৱাৰ কথাছবি 'হালধীয়া চৰায়ে বাওধান খায়'। তাত যদিও মই এটি সৰু Role কৰিছিলোঁ, ছবিখনৰ Subject বা Execution আৰু শেষত ছবিৰ ৰূপ যিটো আমি পৰ্দাত দেখিলোঁ মোৰ খুউব ভাল লাগিছে। আৰু গোটেই Process টো, ছবিখন কৰোঁতে তাৰ মাজত যি Sincerity, Seriousness পৰিচালকৰ বা Artist সমূহৰ, আৰু এনেকুৱা এটা বাস্তৱ সন্মত কাহিনীক লৈ কৰা বোলছবিত যে কোনো অবাস্তৱ কথা নাহে বা অকল সস্তীয়া হাঁহি ধেমালিৰ কাৰণে বা Entertainment ৰ কাৰণেই যে কৰা ছবি নহয়, কিবা এটা শিকোৱাৰ বা নিজেও কিবা এটা শিকাৰহে, এনেধৰণে ছবিখন আৰম্ভ হৈছিল আৰু সেয়ে মই ব্যক্তিগত ভাবেও ছবিখন ভাল পাইছোঁ।

?? অসমত অসমীয়া কথাছবিতকৈ হিন্দী কথাছবিৰ সমাদৰ বেছি। আপোনাৰ মতামত কি আৰু ইয়াৰ কাৰণ আপুনি কি বুলি ভাবে ?

00 অকল অসমতেই নহয়, South India ৰ বাহিৰে সকলোতেই হিন্দীছবিৰ সমাদৰটো বেছি আৰু অসমতো হিন্দী ছবিৰ সমাদৰটো বেছি। আমাৰ ইয়াত চিনেমা হল খুব কম। তাৰ ভিতৰত ২৬৫ টা মান চিনেমা 'হল' আছে, মুঠ দেই সৰু ডাঙৰ মিলাই। তাৰ ভিতৰত ৬০ টা মান ছবি ঘৰতহে অসমীয়া ছবি চলে। বেছিভাগ ঠাইতে হিন্দী ছবি চলে আৰু বেছি ভাগ ঠাইততো চিনেমা হল নাইয়েই। তাৰোপৰি এই হিন্দী ছবিত ··· সাধাৰণ এই মানুহবিলাকে দেখিছো নিজৰ জীৱনটোক চাবলৈ নিবিচাৰে দেই। নিজৰ জীৱনৰ কষ্ট বা হাঁহি-কান্দোন আদি। কিন্তু সস্তীয়া হাঁহি-কান্দোন বা এচাম Aristocrate Family ৰ যিবিলাক উদ্ভট্ কথা থাকে, সেইবোৰ চাই মানুহে বেছি বাহ্-বাহ্ লিয়ে।

?? অসমীয়া কথাছবিৰ মানদণ্ড, আন আন প্ৰাদেশিক কথাছবিৰ মানদণ্ডৰ লগত সমপৰ্য্যায়ৰ বুলি আপুনি ভাবেনে ?

00 আচ্ছা, মানদণ্ডৰ কথাটো কবলৈ গ'লে— এইটো প্ৰশ্ন বহুতেই কৰে, তেতিয়া মোৰো এটা প্ৰশ্ন কৰিবৰ মন যায়। আমি বহুতো সীমিত সুবিধাৰ মাজত কাম অৰ্থাৎ ছবি কৰোঁ দেই আৰু মই নিজে যেতিয়া এখন ছবি কৰিম তেতিয়া এই চিন্তাটো বেলেগ ধৰণে কৰিম। মইতো অভিনয় নিজে নকৰোঁ, মোক অভিনয় কৰোৱাই পৰিচালকে······এখন Script দিয়ে মই সেইখিনি কৰোঁ। কথা হ'ল কি মানদণ্ডৰ বিচাৰেৰে গ'লে এটা জাতিৰ মানদণ্ড, সেই জাতিটোৰ ভাষা, আচাৰ-ব্যৱহাৰ, কথা-বতৰা, খেল-ধেমালি, খোৱা-বোৱা এই সকলোতে মানদণ্ডটোৰ পৰিচয়, তাৰ-মানে পৰিচায়ক হ'ব লাগে, এইবিলাকৰ মাজেৰে দেই। আগতেতো আমাৰ বহুত কিবা-কিবি আছিল গৌৰৱ কৰাৰ থল, কিন্তু এতিয়া আমাৰ নাই। আমি বাহিৰৰ প্ৰত্যেকটো ক্ষেত্ৰতে বহু-বহু বছৰ পিছুৱাই আছোঁ। বাকীবোৰতো অনেক আগুৱাই গ'ল। যদি মানদণ্ডৰ কথাটো অকল এই অসমীয়া ছবি, অকল ছবিৰ ক্ষেত্ৰতেই নহয় .....আন আন যেনে ধৰক খেল-ধেমালি, গীত-মাত ইত্যাদি...... ক'তনো আমি আগবাঢ়িব পাৰিছো ? সেইবাবে মই ভাবোঁ অকল ছবিৰ ক্ষেত্ৰতেই নহয় আন আন সকলোবোৰ দিশতে আমি জোৰ দিব লাগে।

?? আপুনি ভাৰতৰ কোনজন অভিনেতাক বেছি ভাল পায় আৰু কিয় ?

00 মই ভাৰতৰ বুলিলে নাছিৰুদ্দিন ছাহক বেছি ভাল পাওঁ আৰু কিয় ভাল পাওঁ সেইটো কবলৈ গ'লে······তেওঁৰ অভিনয়ৰ কলা-কৌশল আৰু Sincerity ৰ বাবে তেওঁক মোৰ ভাল লাগে।

?? কোনজন অসমীয়া কথাছবিৰ পৰিচালক আপোনাৰ প্ৰিয় ?

00 এইটো মই এতিয়াও ক'ব পৰা হোৱা নাই দেই। কিয়নো, মই প্ৰায় আটাইবোৰ পৰিচালকৰ লগত অৰ্থাৎ বিভিন্ন পৰিচালকৰ লগত দুই এখন ছবিহে কৰিছোঁ।

?? আমি দেখিছো আপুনি কথাছবিৰ উপৰিও ভ্ৰাম্যমান ৰঙ্গমঞ্চতো অভিনয় কৰে। এই দুয়োটাৰ মাজত অৰ্থাত কথাছবি আৰু মঞ্চত, অভিনয়ৰ মাজত আপুনি পাৰ্থক্য অনুভৱ কৰে নেকি আৰু কোনটোত অভিনয় কৰি আপুনি বেছি ভাল পায় ?

00 চলচিত্ৰ আৰু মঞ্চৰ মাজত এটা বিৰাট পাৰ্থক্য আছে...মই অভিনয়ৰ ক্ষেত্ৰত কৈছো দেই...ৰঙ্গমঞ্চত এটা সীমিত ঠাইৰ মাজত অভিনয় কৰি অভিনয়খিনি দৰ্শকৰ আগত ফুটাই তুলিব লাগে। কিন্তু চলচিত্ৰ বা Cinema ৰ ক্ষেত্ৰত সেইটো অলপ বেলেগ কথা অৰ্থাৎ তাত কেমেৰা, Sound Effect আদি থাকে। মোৰ ভাল লগাৰ কথা কবলৈ হ'লে মই বিশেষকৈ মঞ্চত অভিনয় কৰি ভাল পাওঁ।

?? আমি জনাত আপুনি National school

of Drama, Delhi ত শিক্ষা লাভ কৰিছিল। তাৰ অভিজ্ঞতাই আপোনাক অভিনয় জগতত কিদৰে সহায় কৰিছে, সেই বিষয়ে আমাক কিছু জনাবনে ?

00 হয়, মই National School of Drama, Delhi ত শিক্ষা লৈছোঁ। ক'বলৈ গলে তাত মই বিদেশৰ যেনে ধৰক ইংগ্লেণ্ড, চিয়া বা ৰাছিয়াৰ বিভিন্ন পৰিচালকৰ লগত চিনাকি হৈছোঁ। তেওঁলোকৰ পৰা বহুতো কথা শিকিছোঁ। মই তাত প্ৰকৃততে চকু খুলি...কথা ছবি জগতখন চাবলৈ পাইছোঁ। তাৰ অভিজ্ঞতাই মোক অসমীয়া কথাছবিবোৰ ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ কৰিবলৈ উদ্‌গনি দিছে।

?? বৰ্ত্তমান অসমীয়া কথাছবিবোৰত হিন্দি কথাছবিৰ দৰে অত্যাধুনিকতাৰ প্ৰভাব দেখা যায়। এই প্ৰভাবে অসমীয়া কলাসুলভ ছবিবোৰৰ ক্ষতি সাধন কৰা নাইনে ? আপোনাৰ এই বিষয়ত মতামত কি বাৰু ?

00 কলা সুলভ বুলি ক'লে তাত আধুনিকতাৰ প্ৰশ্ন নাহে। ক'লা সুলভ হ'লে সেই ছবিখন নিজা অৰ্থাৎ ঐতিহ্য বা ধাৰাৰে গঢ়িব লাগিব। আচলতে কবলৈ হ'লে মানুহে বাস্তৱ জীৱনক কথা ছবিত চাবলৈ ভাল নাপায়। মাৰপিট, উখল-মাখল, Dance আদিহে ভাল পায়। কিন্তু আচলতে ছবি এখনৰ উদ্দেশ্য কিবা এটা শিকোৱাহে হব লাগে। অৱশ্যে কিছুমান পৰিচালকে ছবিবোৰ হিন্দী ছবিৰ আহিত নকৰা নহয়, কিন্তু খুউব কম।

?? বৰ্ত্তমান ভ্ৰাম্যমান নাট্যদল বা কথাছবিবোৰত মৌলিক কাহিনীৰ অভাৱ দেখা যায়। এই বিষয়ে আপুনি কি কব খোজে ?

00 অঁ, কথাটোত মই একমত। সঁচাকৈ অসমীয়া কথাছবি নাইবা নাট্যদলবোৰত মৌলিক নাটকৰ অভাৱ। মই ভাবো এই কথাটো নাট্যকাৰ সকলক জনোৱাটো ভাল হব নেকি !...আমি লিখিব বহিলেতো আৰু নাটক নহব। মই বহুতো নাট্যকাৰক কৈছোঁ কিন্তু তেওঁলোকে কৈছে যে নাটক লিখাটো বৰ কষ্টকৰ কাম। গল্প, উপন্যাস আদিত আৰু .. মনত যি আহে তাকেই ৰস লগাই লিখিলেই হ'ল। কিন্তু নাটকত সম্পূৰ্ণ Dialouge ৰ মাজেৰে কথাখিনি বুজোৱা বৰ টান হয়। এই কথাটো আপোনালোকেও নাট্যকাৰ সকলক ক'ব পাৰে।

?? আমি জানো আপুনি বিয়াবাৰু কৰাইছে। আপোনাৰ ঘৰুৱা পৰিবেশে আপোনাক কথাছবি, তাৰোপৰি ভ্ৰাম্যমান নাট্যদলত অভিনয় কৰাত কোনো ধৰণৰ বাধা নজন্মায় নেকি বাৰু ?

00 হয়, মোৰ স্ত্ৰী আছে আৰু তেওঁ অভিনয় কৰে। সেইবাবে আমি দুয়ো দুয়োৰে অসুবিধাবোৰ বুজো। সেয়েহে মই অভিনয় কৰাত কোনো বাধা এতিয়ালৈকে পোৱা নাই।

?? অভিনয় জগতত আপুনি সৰু-ডাঙৰ বহুতো অভিজ্ঞতাই পাইছে, নহয় জানো ? তাৰ ভিতৰত বিশেষ উল্লেখযোগ্য মুহূৰ্ত্ত এটিৰ কথা আমাক কবনে ?

00 বিশেষ মুহূৰ্ত্তৰ কথা ক'বলৈ হঠাতে টান হব। কিয়নো, বহুতো মুহূৰ্ত্তই মোৰ মনত অলপ অলপ পৰে কিন্তু তেনে বিশেষ মুহূৰ্ত্তৰ কথাটো চিন্তা কৰিহে ক'ব পাৰিম।

?? আপুনি বোলছবি জগতৰপৰা থিয়েটাৰ মঞ্চলৈ যে আহিল তাৰ কাৰণ কি বাৰু ?

00 মই বোলছবি জগতৰ পৰা ওলাই অহা নাই; কিন্তু Cinema আৰু Stage দুয়োটাতে বৰ্ত্তমানে জড়িত হৈ আছোঁ। মই সৰুৰে পৰা মঞ্চৰ লগত জড়িত, সেয়ে টান এটা আছে আৰু...সময় সুবিধা পালেই মঞ্চলৈ আহোঁ।

?? শেষত আপোনালৈ আমাৰ কলেজৰ আলোচনী সম্পাদনা সমিতি আৰু ছাত্ৰ-ছাত্ৰীৰ ফালৰ পৰা অশেষ ধন্যবাদ জ্ঞাপন কৰি আপোনাৰ উজ্জ্বল ভবিষ্যতৰ কামনা কৰিছোঁ।

00 ধন্যবাদ।

[ সাক্ষাৎ গ্ৰহণ কৰিলে ৰঘুদেৱ দাস আৰু কুলেন তালুকদাৰে ]

# সুসাংবাদিক তথা "অসমবাণী" কাকতৰ প্ৰাক্তন সম্পাদক শ্ৰীতিলক হাজৰিকা দেৱৰ লগত এখন্তেক

**প্ৰশ্ন ঃ** আমি জানো আপোনাৰ জ্যোতি প্ৰসাদ, বিষ্ণু ৰাভা আৰু হেমাঙ্গ বিশ্বাসৰ লগত এটি নিবিড় সম্পৰ্ক আছে, এওঁলোকসকলৰ প্ৰতিভা তথা ব্যক্তিত্বই আপোনাক কিভাবে প্ৰেৰণা যোগালে আমাক অলপ অৱগত কৰিবনে ?

**উত্তৰ ঃ** জ্যোতি প্ৰসাদ, বিষ্ণু ৰাভা আৰু হেমাঙ্গ বিশ্বাসৰ লগত "নিবিড় সম্পৰ্ক"ৰ কথা অৱতাৰণা কৰোঁতে সেই সম্পৰ্কটোক নিশ্চয় ব্যক্তিগত সম্পৰ্ক বা সান্নিধ্যৰ পৰ্য্যায়ত ভাবি লৈ মোক প্ৰশ্ন কৰা হোৱা নাই বুলিয়েই ভাবিছোঁ। ব্যক্তিগত কথা-বোৰ ইয়াত গৌণ। প্ৰথম দুজন ব্যক্তি অসমৰ আন বহুজন গুণগ্ৰাহীলোকৰ দৰেই মোৰ বাবেও এক আলোকিত অনুপ্ৰেৰণাৰ মূল। তৃতীয়জন ব্যক্তি মোৰ এজন অগ্ৰজ বন্ধু। তেৰো এক জীৱন্ত অনুপ্ৰেৰণা। কথা হ'ল, এই তিনিওজন জীৱন শিল্পীৰ মাজত এনে এক অভিন্নতা আছে, যাৰবাবে কোনো এজনক বাদ দি কোনো এজনক বিচাৰ কৰিব নোৱাৰি। তেওঁলোক পৰস্পৰৰ পৰিপূৰক। কিন্তু তেওঁলোক কি আছিল ?

কলা কৈবল্যবাদৰ অৰ্থ হৈছে কলা কেৱল কলাৰ বাবেই। 'কলা জীৱনৰ বাবেহে' এই ধাৰণাটো হৈছে বিপ্লৱী শিল্পীমনৰ। যি শিল্প জীৱন বিমুখ আৰু যি শিল্প মাথোন ভাববিভোৰ তাৰ লগত সমাজ সম্পৰ্কিত নহয় আৰু সি মানুহৰ কেতিয়াও উপকাৰ কৰিব নোৱাৰে। কিন্তু যি শিল্পই মানুহৰ মনত মুক্তিৰ চেতনা জগাই তুলিব পাৰে আৰু সমাজলৈ এক পৰম বিশ্বাস বা প্ৰত্যয় আনিব পাৰে, সেইটোহে হৈছে প্ৰকৃততে মানুহৰ কল্যাণকাৰী শিল্প। ইয়াক জীৱন্ত কলা বা ৰূপা-ন্তৰৰ শিল্পী বুলি কব পাৰি। আমি যেতিয়া সাধাৰণতে 'বিপ্লৱী শিল্পী' বুলি কাৰোবাক আখ্যা দিওঁ তেতিয়া এই কথাখিনি মনত ৰাখিব বা বুজি পাব লাগে। জ্যোতিপ্ৰসাদ, বিষ্ণুৰাভা, আৰু হেমাঙ্গ বিশ্বাস আছিল এনে বিপ্লৱী শিল্পী। তেওঁ-লোকে কলা শিল্পক এক সমাজ বিপ্লৱৰ সংগ্ৰামৰ হাতিয়াৰ হিচাপে ব্যৱহাৰ কৰিছিল। তেওঁলোকে সমাজলৈ এক কল্যাণকামী ৰূপান্তৰ অনাৰ বাবে সংগ্ৰাম কৰিছিল।

যিসকলে আমাৰ এই পচন ধৰা সমাজ ব্যৱস্থাটোক নিজৰ সুবিধাৰ বাবে এনে ধৰণে

ঢাকি ছুকি থোৱাটোকে সদায় বাঞ্ছা কৰি আহিছে, সেইসকল বুধিয়ক মানুহে জ্যোতিপ্ৰসাদ আৰু বিষ্ণুৰাভাৰ এই বিপ্লৱী আৰু সংগ্ৰামী ৰূপটোক নানা কৌশলেৰে ঢাকি ৰাখিবলৈকে চেষ্টা কৰি আহিছে। সেইবাবে তেওঁলোকৰ লেখা মেলাত আৰু আলোচনাত জ্যোতিপ্ৰসাদ সদায় এজন মাথোন ভাব বিলাসী ৰূপকোঁৱৰ বা তেজ উতলোৱা ভাষাৰ মন্ত্ৰ দিব পৰা এজন জাতীয়তাবাদীহে। সেইদৰে বিষ্ণুপ্ৰসাদ ৰাভা মাথোন কলা গুৰুহে। সংস্কৃতি যে এটা মানব সংগ্ৰামৰ উত্তৰোত্তৰ বিকাশ আৰু সেই সংস্কৃতি যে মানৱতাবাদী আৰু বিশ্বমুখী, এই মৌলিক কথাটোকে মাথোন জ্যোতিপ্ৰসাদ, বিষ্ণুৰাভা আৰু হেমাঙ্গ বিশ্বাসে ব্যাখ্যা কৰিছিল। এই সত্যটোকেই অসমীয়া সমাজক দি গৈছে শংকৰদেৱে।

মই সমাজৰ এজন মানুহ। এই সমাজ পতিত মানুহৰেই ভৰা। চাৰিওফালে অন্ধ গলিত উশাহ নিস্তব্ধ। এইবোৰ মানুহৰ জীৱনৰ অন্ধকাৰ দূৰ কৰিবলৈ অলপ পোহৰ, মুক্তিৰ অলপ বতাহ আৰু আশাৰ অলপ হাঁহি আনিবলৈ কোনোবাই নাচে-গানে, নাটকে-কাব্যই সংগ্ৰাম কৰিলে, সেই বৈপ্লৱিক সংগ্ৰামৰ ময়ো এজন সৈনিক হওঁ। জ্যোতিপ্ৰসাদ, বিষ্ণুৰাভা আৰু হেমাঙ্গ বিশ্বাস সেয়েই মোৰ অনুপ্ৰেৰণাৰ মূল।

**প্ৰশ্ন ঃ** আপোনাৰ বৈচিত্ৰময় সাংবাদিক জীৱন সম্পৰ্কে আমাক কিছু অৱগত কৰকচোন।

**উত্তৰ ঃ** এই অনুপ্ৰেৰণাই মোৰ সাংবাদিক জীৱনৰো উপজীব্য আছিল। সংবাদৰ মূল কথা-টোৱেই হৈছে সত্যানুসন্ধান। সমাজত কি ঘটিছে, কেনেকৈ ঘটিছে আৰু কিয় ঘটিছে ইত্যাদি ধৰণৰ ঘটনা সোঁতৰ প্ৰতি সমাজক সজাগ কৰি থাকিব লাগে। এই বিষয়ত নিৰপেক্ষ, নিৰাবেগিক আৰু যোগাত্মক দৃষ্টিভংগী থাকিলে এই সংবাদৰ পৰাই ৰচিত হয়গৈ দেশ আৰু কালৰ একো একোখন বৃহৎ আৰু মূল্যবান ইতিহাস। ইতিহাস আচলতে কিহৰ কাৰণে? এই কাৰণেই যাতে সমাজত দুনাই ইতিহাসৰ পুনৰ অভিনয় নহয়, যাতে এক-বোৰ ভুল আৰু বিপৰ্যয়ৰ পুনৰাবৃত্তি নহয়। সেই কাৰণেই সংবাদৰ মূল্যায়ন আৰু বিশ্লেষণৰ সঠিকতা দৰকাৰ। সংবাদ আৰু সত্যানুসন্ধানৰ এনে অসম্পূৰ্ণতাৰ এটা সাধাৰণ ধাৰণা পাবলৈ হলে আমি মোৰা প্ৰায় পঞ্চাশ বছৰৰো ওপৰ কাল ধৰি ভাৰতত হৈ থকা সাম্প্ৰদায়িক সংঘৰ্ষবোৰৰ সংবাদ, সমীক্ষা আৰু তাৰ বিশ্লেষণসমূহৰ কথাকে উদাহৰণ হিচাপে লব পাৰো। এই সুদীৰ্ঘ কালৰ সংবাদ সমীক্ষা আৰু বিশ্লেষণৰ ওপৰতে ভিত্তি কৰি নিশ্চয় পৰৱৰ্ত্তীকালৰ অৰ্থাৎ বৰ্ত্তমান কালৰ ইতিহাসত ভাৰতীয় সমাজৰ সাম্প্ৰদায়িকতাৰ এটা গুৰুত্বপূৰ্ণ অধ্যায় লিখিত হৈছে বা হবগৈ। কিন্তু যিটো কথা নাথাকিব বা যিটো সাংবাদিক অন্তৰ্দৃষ্টিয়ে সেই ইতিহাসৰ অন্ধকাৰ কোঠালৈ ভুমুকি নামাৰিব, সেইটো হৈছে এইবোৰ সাম্প্ৰদায়িক সংঘৰ্ষই উভয় সমাজৰে ভোগবাদী আৰু বুদ্ধিজীৱীসকলৰ গাত এটাও আচোৰ নালাগে কিয়? এনে চিন্তাৰ অনু-সৰণ আৰু বিশ্লেষণত সমাজৰ প্ৰকৃত আৰ্থ-সামাজিক চৰিত্ৰ আৰু চিত্ৰৰ বহুতো সংবাদ ওলাই পৰিব পাৰে আৰু সেইবোৰেইহে মূল্যভিত্তিক প্ৰকৃত সংবাদৰ যোগ্য হবগৈ পাৰে, যাৰ আধাৰত ভৱি-ষ্যতৰ শুদ্ধ ইতিহাস ৰচিত হবগৈ পাৰে আৰু তাৰ দ্বাৰা সমাজ উপকৃত হব পাৰে। মনত ৰখা যে একে কাৰণতেই আজি আমি বৃটিছযুগৰ ৰচিত ইতিহাসসমূহক আমাৰ বাবে মূল্যহীন বুলি গণ্য কৰিবলৈ ধৰিছোঁ।

**প্ৰশ্ন ঃ** আপোনাৰ দ্বাৰা সম্পাদিত সময়ছোৱাত অসমীয়া জাতীয় জীৱনত "অসমবাণী"ৰ ভূমিকা সম্পৰ্কে কিছু কথা কওকচোন।

**উত্তৰ ঃ**—যি হওক, এই পৰিপ্ৰেক্ষিততে মোৰ অসমবাণীৰ গুৰুত্বপূৰ্ণ বুলি ভবা কাৰ্য্যকালৰ

ভিতৰত অসম আন্দোলন আৰু তাৰ পিছৰখিনি সময়ৰ সংবাদ, সমীক্ষা আৰু ইয়াৰ বিশ্লেষণক এটা নিৰ্মোহ আৰু বাস্তৱ ভেটিৰ ওপৰত থিয় কৰিবলৈ যত্ন কৰিছিলো, এটা প্ৰবল আবেগিক ধুমুহাই কেউপিনৰ পৰা কোবাই যোৱাৰ বাবে জাতিৰ ইতিহাস নিৰ্ভৰ সংবাদ আৰু সমীক্ষাবোৰক তাৰ পৰা ৰক্ষা কৰাৰ প্ৰয়োজন আছিল আৰু এজন সৎ সাংবাদিকৰ কৰ্তব্য হিচাবে মই মাথোন মোৰ সাধ্যৰ ভিতৰত অসমবাণীৰ সংবাদৰ গণ-তন্ত্ৰীকৰণ কৰিবলৈ চেষ্টা কৰিছিলো, সেইবাবে সাম্প্ৰতিক আবেগ-প্ৰৱণ সাংবাদিকতালৈ যে Rati-onalisation অৰ্থাৎ সুনীতিকৰণৰ এটা প্ৰক্ৰিয়া কিছু পৰিমাণে হলেও আহিবলৈ বাধ্য হৈছিল সেইটো মোৰ শত্ৰু সকলেও সম্ভৱতঃ এতিয়া স্বীকাৰ কৰিব।

**প্ৰশ্ন** ঃ—আপোনাৰ দ্বাৰা সম্পাদিত 'অসমবাণী'ৰ শিৰোনামা বিলাকত এটি 'জতুৱা' অসমীয়া ঠাঁচ লক্ষ্য কৰিছিলো অথচ এনেকুৱা ধৰণৰ ঠাঁচ বৰ্ত্ত-মানে বৰ নাটনি হৈছে; আপুনি বাৰু এই ক্ষেত্ৰত কেনেকুৱা অনুভৱ কৰে?

**উত্তৰ** ঃ—এটা সংবাদিক ভাষা আয়ত্ব কৰা, তাৰ আকৰ্ষণীয়তা বৃদ্ধি কৰা, তাৰ বিশেষত্ব ৰক্ষা কৰা আদি কথাবোৰ নিশ্চয় এটা সুদীৰ্ঘ অনুশীলনৰ ওপৰত নিৰ্ভৰশীল। মোৰ সাংবাদিক জীৱন চল্লিশ বছৰীয়া। মনত ৰখা ভাল যে বৰ্ত্তমানৰ অসমীয়া ভাষাৰ জন্ম আৰু আপদাল হৈছে সাংবাদিক ভাষাৰ পৰাইহে - তাহানিৰ অৰু-ণোদয়ৰ পৰা। অসমীয়া সাহিত্যৰ বেলিকাও অসমীয়া সংবাদ সাহিত্য হৈছে বৰ ভাণ্ডাৰ বৰুৱা। এই ভাষাটোৰ নিৰ্ভাঁজ ৰচনাশৈলীৰ বাবে প্ৰয়োজন এটা মাটিত পোত খোৱা অসমীয়া মনৰ আৰু মাটিৰ মাত শুনা এখন শহাকণীয়া কাণৰ।

**প্ৰশ্ন** ঃ—সাহিত্যৰ কোনটো দিশ আপুনি ভাল পায়? অসমীয়া ৰম্য ৰচনাৰ ভবিষ্যত সম্পৰ্কে আপুনি কি ভাবে?

**উত্তৰ** ঃ সাহিত্যৰ নান্দনিক দিশতকৈ দাৰ্শনিক দিশটোৱেই মোৰ বেছি প্ৰিয়। মই স্থূল ৰচনাতকৈ সুক্ষ্ম ৰচনাৰ প্ৰতি আগ্ৰহী। স্বৰ্গীয় বিৰিঞ্চি কুমাৰ বৰুৱাই এবাৰ আক্ষেপ কৰিছিল যে অসমীয়া সাহিত্যৰ মৌলিক আৰু চিন্তা গধুৰ ৰচনা নাহে নাহে নোহোৱা হৈ আহিছে। যশপ্ৰাৰ্থীসকলে সকলোতে সুচল ভীৰ কৰিছেহি আৰু কোৱাল লগাইছেহি। এসময়ত চিন্তা তৰঙ্গৰ আঘাত কৰিব পৰা ৰম্য ৰচনাৰ দৰে গধুৰ সাহিত্য শৈলীও এই কোৱালৰ বাবেই জাতে পাতে নোহোৱা হ'ল। অধ্যয়নৰ ভেটি, চিন্তাৰ পৰিধি আৰু এটা দাৰ্শনিক দৃষ্টিকোণ নাথাকিলে প্ৰকৃত ৰম্য ৰচনা নহয়, হব পাৰে কেৱল ৰস ৰচনা বা লঘু ৰচনা নামক এবিধি পাতল ৰচনা। সিও ইমান পাতল হবলৈ ধৰিলে যে তাৰো ভবিষ্যত এদিন অন্ত পৰিল।

**প্ৰশ্ন** ঃ—আপুনি প্ৰাক স্বাধীনতা আৰু উত্তৰ স্বাধীনতা দুয়োটা সময়ৰ সৈতে নিবিড়ভাৱে জৰিত; স্বাধীনোত্তৰ কালৰ অসমৰ আৰ্থ-সামাজিক অৱস্থাৰ প্ৰগতি সম্পৰ্কে আমাক কিছু ধাৰণা দিবনে?

**উত্তৰ** ঃ স্বাধীনোত্তৰ কালৰ স্বপ্ন আৰু স্বপ্নভঙ্গ সম্পৰ্কীয় প্ৰশ্নবোৰৰ সদুত্তৰ ছাত্ৰসকলে কৰি যোৱা আন্দোলনৰ মাজতেই আছে। Means আৰু Ends বুলি কথা এটা আছে। আমাৰ কোনো এটা লক্ষ্য আৰু সেই লক্ষ্যটো পাবলৈ কোনো এটা উপায়ৰ মাজত এটা সুস্থিৰ যোগা-যোগ আৰু দৃঢ় ভিত্তিৰ একান্ত প্ৰয়োজন। এই 'লক্ষ্য' আৰু 'উপায়' দুটাৰ যোগসূত্ৰৰ অভাব হলে সৃষ্টি হয় Direction আৰু অভাবৰ। এনে অৱস্থাক বিভ্ৰান্ত অথবা নিস্ফল অৱস্থা বুলি কব পৰা যায়। আমি, আমাৰ ৰাষ্ট্ৰীয়তা, আমাৰ জাতীয়তা আৰু আমাৰ সাংস্কৃতিক উত্তৰণৰ

প্ৰক্ৰিয়া ইত্যাদিৰে এই সমগ্ৰ সমাজ ব্যৱস্থাটোৱেই আজি Direction হেৰুৱাই পেলাইছে। Crisis of Confidence অৰ্থাৎ বিশ্বাসৰ সংকট বোলা বৰ গভীৰ তাৎপৰ্য্যপূৰ্ণ কথা এষাৰ আছে। আমি সকলোৱেই এতিয়া এই বিশ্বাসৰ সংকটৰ বলি। সেইটোৱেই দেশৰ বৃহত্তম সংকট। বিষয়টো ইমান সৰলভাৱে আলোচনাৰ অৱকাশ ইয়াত নাই। কিন্তু আমাৰ যুৱ ছাত্ৰসকলৰ বোধগম্য হব যে এই Direction হেৰুৱাৰ সংকটৰ প্ৰতিধ্বনিকে মাথোন আজি তেওঁলোকে বিভিন্ন হতাশা, ক্ষোভ আৰু তেওঁলোকৰ আন্দোলনৰ মাজেৰে কৰিছে।

**প্ৰশ্ন** ঃ—সদৌশেষত আপুনি আমাৰ ছাত্ৰ-ছাত্ৰী সকলক কিছু প্ৰেৰণাদায়ক উপদেশ দিব বুলি আশা কৰিলোঁ।

**উত্তৰ** ঃ—কাৰোবাক উপদেশ দিয়া কামটোত এটা অহংকাৰৰ ভাব নিমজ্জিত হৈ থাকে। ছাত্ৰ-ছাত্ৰী সকলে মোৰ পৰা উপদেশ বিচাৰোঁতে তেনে অহংকাৰত পতিত নহবলৈকে মই কামনা কৰিছোঁ। কিবা উপদেশ দিওঁতে মই কল্পলোকত নিজেই পুনৰ মোৰ যুৱকাললৈ উভতি যাব খুজিছো আৰু তাৰ পৰা এক সজ্ঞান অভিজ্ঞতাৰ বিচাৰিবৰ চেষ্টা কৰিছো। দেশ আৰু সমাজত এতিয়াও এক যৌৱনকাল চলিছে বুলি মই বিশ্বাস কৰো। ভাৰতৰ প্ৰজ্ঞান আৰু বুদ্ধিমত্তাই যাক সৰ্বকালৰ বাবে যৌৱনৰ প্ৰতিমূৰ্ত্তি আৰু আধুনিক প্ৰতিনিধি বুলি গ্ৰহণ কৰিছে সেইজনৰ যৌৱনবাণীকে মই চিৰদিন নিজৰ বাবে উপদেশ হিচাপে গ্ৰহণ কৰিছো আৰু তাকেইহে পুনৰ মই ছাত্ৰ-ছাত্ৰী সকল আৰু আজিৰ যুৱকসকললৈও আগবঢ়াব পাৰো। তেওঁ আছিল ভাৰতৰ সৰ্বশ্ৰেষ্ঠ আধুনিক যুৱক স্বামী বিবেকানন্দ। তেওঁ যুৱছাত্ৰসকলৈ আহ্বান জনাইছিল—'মানুহক ভালপোৱা, মানুহৰ সেৱা কৰা আৰু মানুহৰ বাবে ত্যাগ কৰা'। অলপ গভীৰভাৱে ভাবি চালেই আজিৰ যুৱ ছাত্ৰসকলে অনুভৱ কৰিব পাৰিব যে মানৱতা বাদৰ সংকটৰ মাজতেই আমাৰ সকলো ৰাষ্ট্ৰীয়, জাতীয় আৰু আদৰ্শগত সমস্যা বিদ্যমান আৰু এই মানৱতাবাদৰ মাজতেই ইয়াৰ সমাধানো বিদ্যমান। ধন্যবাদ।

মানুহে ভুল স্বীকাৰ কৰিবলৈ লাজ পোৱা উচিত নহয়। এই কামে মানুহক অতীততকৈ বৰ্ত্তমান তেওঁ অধিক জ্ঞানী হোৱাটোকেই সূচায়—

আলেকজেণ্ডাৰ পোপ

# ॥ সূচীপত্ৰ ॥

## সম্পাদকীয় প্ৰতিবেদন সমূহ


সাধাৰণ সম্পাদকৰ প্ৰতিবেদন।

সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন।

সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন।

সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন।

সাংস্কৃতিক আৰু সুকুমাৰ কলা বিভাগৰ
সম্পাদকৰ প্ৰতিবেদন।

গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন।

লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন।

সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন।

ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন।

মহাবিদ্যালয় সপ্তাহ সমাৰোহৰ
বিভিন্ন বিভাগৰ প্ৰতিযোগিতাৰ
ফলাফল সমূহ ঃ

জয়ন্ত ঠাকুৰীয়া

নজৰুল ইছলাম

এম, আবুল কালাম আজাদ

উত্তম কুমাৰ সাহা

উৎপল দাস

ৰণদীপ তালুকদাৰ

ধীৰাজ কুমাৰ বৰ্মণ

ইজ্জত্ আলি মণ্ডল

ৰাহাজ উদ্দিন মণ্ডল

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

আৰম্ভণিতে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ লেখীয়া এক গধুৰ দায়িত্ব অৰ্পণ কৰি ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলক সেৱা কৰাৰ সুযোগকণ দিয়াৰ বাবে অধ্যক্ষ মহোদয়, শিক্ষা গুৰু আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই গতানুগতিকতা পৰিহাৰ কৰি এক বিশেষত্বৰ সৃষ্টি কৰাৰ আঁচনিৰে সাধাৰণ সম্পাদকৰ দায়িত্বত মনোনিবেশ কৰিছিলোঁ। জীৱনৰ এয়া মোৰ প্ৰথম অভিজ্ঞতা আৰু সেয়েহে প্ৰথম অৱস্থাত মই বহুত অসুবিধাৰ সন্মুখীন হব লগাত পৰিছিলোঁ। ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলৰ বহুমূলীয়া পৰামৰ্শ আগত ৰাখি বিশেষত্বৰ সৃষ্টি কৰিব বিচৰা আঁচনিখন সীমিত সময়ছোৱাৰ ভিতৰত কিমানখিনি কাৰ্য্যকৰী কৰিব পাৰিলো বা কৰি আছো সেয়া বিশ্লেষণ আপোনালোকেই কৰিব।

## মহাবিদ্যালয় সপ্তাহ

ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভাসমূহ বিকাশৰ আন এক মাধ্যম মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন অনুষ্ঠান। ১৯৮৭ ইং চনৰ ২৫।১১।৮৭ ৰ পৰা ২৯।১১।৮৭ তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ চলে। কিন্তু বিশেষ অসুবিধাৰ বাবে ২৯ তাৰিখৰ কাৰ্য্যসূচী ২২।২।৮৮ ইং তাৰিখত পাতিব লগা হয়। তাৰবাবে দুখিত। উক্ত মহাবিদ্যালয় সপ্তাহত বিভিন্ন ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন বিভাগত নিজ নিজ দক্ষতাসমূহ প্ৰদৰ্শন কৰি মহাবিদ্যালয় সপ্তাহটো আকৰ্ষণীয় কৰি তোলে। ২২।২।৮৮ইং তাৰিখত মহাবিদ্যালয়ৰ বঁটা বিতৰণী আৰু মুকলি সভা হৈ যায়। উক্ত অনুষ্ঠানলৈ অসমৰ শিক্ষা মন্ত্ৰী মাননীয় শ্ৰীযুত বৃন্দাবন গোস্বামী ডাঙৰীয়াদেৱ অহাৰ কথা আছিল। কিন্তু বিশেষ অসুবিধাৰ কাৰণে তেখেতে আহিব নোৱাৰিলে।

## বিভিন্ন উৎসৱ পালন

শংকৰদেৱ, মাধৱদেৱ আদি মহাপুৰুষসকলৰ আবিৰ্ভাৱ আৰু তিৰোভাৱ তিথিসমূহ বিভিন্ন কাৰ্য্যসূচীৰে উদযাপিত কৰাৰ লগতে, মহৰম, ফাতেহাই দোৱাজ দাহম আৰু বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী শ্ৰীশ্ৰীসৰস্বতী পূজা আদিও মহাবিদ্যালয়ত পালন কৰা হয়।

## নবাগত আদৰণি অনুষ্ঠান

উচ্চ শিক্ষা লাভৰ মানসেৰে এইবাৰ মহাবিদ্যালয়ত পদক্ষেপ দিয়া নবাগত ছাত্ৰ-ছাত্ৰীসকলক এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ জৰিয়তে আদৰণি জনোৱা হয়। এই উপলক্ষে অনুষ্ঠিত সভাত সভাপতিত্ব কৰে ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত চাপত গ্ৰাম হাইস্কুলৰ অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষক শ্ৰীযুত

পঞ্চানন মেধি দেৱে। মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰে নগৰবেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক শ্ৰীযুত গোবিন্দ চন্দ্ৰ নাথ দেৱে। মুখ্য অতিথিৰ ভাষণত তেখেতে ছাত্ৰ-ছাত্ৰীসকলক নিজৰ নিজৰ দায়িত্ব আৰু কৰ্ত্তব্য সম্পৰ্কে উনুকিয়াই ভৱিষ্যত জীৱনৰ আশাৰ সপোন বাস্তৱত ৰূপায়িত কৰাৰ বাবে আহ্বান জনায়।

## আমাৰ গৌৰৱ

আমাৰ কলেজখন অসমৰ এক অৱহেলিত অঞ্চলত অৱস্থিত। যদিও পিছপৰা ঠাইত আমাৰ কলেজখন অৱস্থিত, তথাপি শিক্ষাৰ ক্ষেত্ৰত আমাৰ কলেজখন অতি উন্নত। প্ৰতি বছৰে এই কলেজৰ ভাল Result ওলায়। আমাৰ বছৰতেই উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ ছয়জনে প্ৰথম বিভাগ পায়। ঠিক তেনেদৰে স্নাতক মহলাৰ পৰাও ভাল Result হয়। আমাৰ কলেজত বিজ্ঞান শাখাও খোলা হৈছে। এইটোও আমাৰ বাবে গৌৰৱৰ কাৰণ। এনেকুৱা পিছপৰা ঠাইত বিজ্ঞান শাখা খোলা বাবে বহুত দুখীয়া মেধা সম্পন্ন ল'ৰা-ছোৱালীয়ে ঘৰৰ কলেজতে পঢ়িবলৈ পাইছে।

## মহাবিদ্যালয়ৰ ভিতৰচ'ৰা

পশ্চিম কামৰূপ অঞ্চলৰ উচ্চ শিক্ষাৰ এক মাত্ৰ প্ৰাণকেন্দ্ৰ স্বৰূপ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় লোক চক্ষুত এতিয়া পূৰ্ণাংগ ৰূপত। কিন্তু পৰিতাপৰ বিষয় ছাত্ৰ-ছাত্ৰীসকলে এতিয়াও প্ৰায় ভাগ সা-সুবিধাৰ পৰা বঞ্চিত হবলগীয়া হৈ আছিছে।

১। মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত প্ৰয়োজনীয় সংখ্যক কিতাপৰ অভাৱ।

২। আমাৰ কলেজত থকা বিষয়সমূহৰ প্ৰায় ভাগতে "মেজৰ" আছে যদিও প্ৰয়োজনীয় অধ্যাপকৰ অভাৱ। উদাহৰণ স্বৰূপে বুৰঞ্জী আৰু শিক্ষা বিভাগত দুজন অধ্যাপকে সকলো ক্লাচ কৰিব লগা হৈছে। ফলত বিশেষকৈ মেজৰৰ ছাত্ৰ-ছাত্ৰী সকলে বহুত অসুবিধাৰ সন্মুখীন হব লগাত পৰিছে।

৩। আমাৰ কলেজত দৰ্শন, সংস্কৃত আৰু হিন্দী বিষয় কেইটা প্ৰবৰ্ত্তন কৰিলে কলা শাখাটো পূৰ্ণতাপ্ৰাপ্ত হ'ব।

৪। বিজ্ঞান শাখাত এতিয়ালৈকে B. Sc, ৰ শ্ৰেণী নথকাত প্ৰায় ভাগ ল'ৰা-ছোৱালী উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ আন কলেজলৈ ঢাপলি মেলিব লগীয়া হৈছে।

৫। আমাৰ কলেজত N. C. C. আৰু নেভি গোট দুটাৰ অভাৱ। হয়তো বহুতো ইচ্ছুক ছাত্ৰ-ছাত্ৰী এনেকুৱা মহান অনুষ্ঠানৰ পৰা বঞ্চিত হব লগাত পৰিছে। কৰ্তৃপক্ষই অতি সোনকালে এটা সুব্যৱস্থা হাতত লবলৈ এই প্ৰতিবেদনৰ জৰিয়তে অনুৰোধ জনালোঁ।

৬। ছাত্ৰীৰ বাবে আজিলৈ শৌচাগাৰৰ ব্যৱস্থা নথকাত ছাত্ৰী সকলে বৰ অসুবিধাত পৰিছে। ঠিক তেনেদৰে ছাত্ৰীৰবাবে স্থায়ী প্ৰস্ৰাৱাগাৰৰ অভাৱ।

## কৃতজ্ঞতা স্বীকাৰ

সাধাৰণ সম্পাদকৰ দায়িত্ব পালন কৰি যাওঁতে লগতে বিভিন্ন কাম কাজত সহায় সহযোগিতা, দিহা পৰামৰ্শ আগবঢ়োৱা সকলো শিক্ষা গুৰু, বিভাগীয় সম্পাদক সতীৰ্থ আৰু ছাত্ৰ-ছাত্ৰীসকলক মোৰ কৃতজ্ঞতা জনাইছো। সহঃ সাধাৰণ সম্পাদক নজৰুল ইছলামক কৃতজ্ঞতা নজনাকৈ থাকিব নোৱাৰিলো। শেষত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো

"জয় আই অসম"

জয়ন্ত ঠাকুৰীয়া


সাধাৰণ সম্পাদক

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় ছাত্ৰ একতা সভা

নগৰবেৰা

১৯৮৭-৮৮ ইং চন

# বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী
## সম্পাদনা সমিতি



**বহিথকা** ( বাঁওফালৰ পৰা )

অধ্যাপক এম হবিব উল্লাহ ( উপদেষ্টা ) অধ্যক্ষ দেৱ প্ৰসাদ শইকীয়া ( সভাপতি )
অধ্যাপক ৰজিত কুমাৰ বৰা ( উপদেষ্টা ) অধ্যাপক ফণীধৰ তালুকদাৰ ( উপদেষ্টা )

**থিয় হৈ থকা** ( বাঁওফালৰ পৰা )

ৰঘু দেৱ দাস ( সম্পাদক ) জয়ন্ত ঠাকুৰীয়া ( সদস্য )
মহঃ জাকিৰ হুচেইন ( সদস্য ) কুলেন তালুকদাৰ ( সম্পাদক )

**আলোক চিত্ৰত নথকা সকল**

তত্ত্বাৱধায়ক অধ্যাপক বীৰেন্দ্ৰ কুমাৰ দাস
আৰু
উপদেষ্টা অধ্যাপক উমেশ চন্দ্ৰ কৰ।

# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

১৯৮৭-৮৮ চনৰ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদক হিচাবে অধ্যক্ষ মহোদয়ে মোক মনোনীত কৰি বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী সকলক সেৱা কৰিবলৈ সুযোগ দিয়াৰ বাবে তেখেতলৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱী লৈ মোৰ হিয়া ভৰা শুভেচ্ছা জনালোঁ।

মোৰ কাৰ্য্যকালৰ আৰম্ভনিতে মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। বিভিন্ন খেল-ধেমালি আৰু সাংস্কৃতিক অনুষ্ঠানেৰে মহাবিদ্যালয় সপ্তাহ অন্ত পৰে।

উক্ত অনুষ্ঠানত মই সাধাৰণ সম্পাদকৰ লগত অনুষ্ঠানৰ সমূহ কাৰ্য্যসূচী যাতে সুকলমে হৈ যায় তাৰ বাবে সহায় কৰিছিলোঁ। ইয়াৰ বাবে যদি মোৰ ভুল হৈছিল তাৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

সহঃ সাধাৰণ সম্পাদক ৰূপে মনোনীত হৈ সাধাৰণ সম্পাদকৰ অনুপস্থিতিত ইয়াৰ গুৰু দায়িত্ব সুচাৰুৰূপে পৰিচালনা কৰাত চেষ্টাৰ ত্ৰুটি কৰা নাছিলোঁ। আনহাতে ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিটো সমস্যা সমাধান কৰিবলৈ মোৰাৰ উপৰিও সদৌ অসম ছাত্ৰ সন্থাই দিয়া প্ৰত্যেকটো কাৰ্য্যসূচীয়েই নিয়াৰিকৈ চলাই নিয়াত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিলোঁ।

এই মহাবিদ্যালয়খনৰ শিক্ষাজীৱনৰ লগত জড়িত থকা যিবিলাক সমস্যাৰ উদ্ভৱ হৈ আহিছে তাক তৎকালীনভাৱে সমাধান কৰিবলৈ নিজ দায়িত্ব আৰু কৰ্ত্তব্য পালন কৰি আহিছিলো। কিন্তু এই ক্ষেত্ৰত মই বিশেষভাৱে সফলকাম হব পৰা নাই, সেয়ে আগন্তুক সম্পাদকসকল যাতে সমস্যাসমূহ সমাধানত আগ্ৰহী হয় তাৰ বাবে মোৰ অনুৰোধ থাকিল।

সদৌ শেষত বিভিন্ন ভাষা, ধৰ্ম, সম্প্ৰদায়, গোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীৰে সংগঠিত এই শিক্ষানুষ্ঠান খনি মহান ভাৰতীয় আদৰ্শ তথা ঐতিহ্যৰ মিলন ভূমি হওঁক, ঐক্য আৰু সম্প্ৰীতিৰ এনাজৰীৰে সকলো ছাত্ৰ-ছাত্ৰী এক হওঁক তাকে কামনা কৰি মহাবিদ্যালয়ৰ উজ্বল ভবিষ্যত আশাৰে, আমাৰ কাৰ্য্যকালৰ সকলো দোষ ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰি এই প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়"
"জয়তু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় ছাত্ৰ একতা সভা"

'জয় আই অসম'

নজৰুল ইছলাম
সহঃ সাধাৰণ সম্পাদক
বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়
ছাত্ৰ একতা সভা।

# সাহিত্য বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

সাহিত্যই জাতিৰ দাপোন। এই দাপোনত নিজক তথা আন-আন ছাত্ৰ-ছাত্ৰীক প্ৰতিচ্ছবি দেখুৱাবলৈ মোক দায়িত্ব দিয়া বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক কৃতজ্ঞতাৰে সুঁৱৰিছো। মোৰ ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীযুত উমেশ চন্দ্ৰ দাস আৰু বিভিন্ন কামত পৰামৰ্শ আৰু সহায় কৰা বাবে মাননীয় অধ্যাপক নীলকমল বৰদলৈ, ৰঞ্জিত কুমাৰ বৰা, ফণীধৰ তালুকদাৰ লগতে অধ্যাপিকা নবনীতা পাঠক বাইদেউ লৈ এই সুযোগতে শ্ৰদ্ধা মিশ্ৰিত কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

খৰখেদা কৰ্ত্তব্যৰে ভৰা ছাত্ৰ জীৱনৰ সময় ছোৱাত কোনো এটা বিষয়ত একাগ্ৰতীয়াভাৱে চিন্তা কৰা কাৰো বাবে সম্ভৱ হৈ নুঠে। অন্ততঃ লেখক লেখিকাৰ ক্ষেত্ৰত সেয়া আখৰে আখৰে সত্য বুলি প্ৰমাণিত হৈ আহিছে। বৰ্ত্তমানৰ লেখকলেখিকা সকলে কেতিয়াবা দিনৰ পিচত দিন, মাহৰ পিচত মাহ সাহিত্যৰ নামত কাগজ কলম নোচোৱাকৈয়ে কটাই দিব লগীয়া হয়। তেনে বিপৰীত অৱস্থাৰ মাজতো কাৰোবাৰ নিৰ্দ্দেশ, মনৰ তাড়নাত ৰব নোৱাৰি কালৰ সোঁতত হেৰুৱা আঁতবোৰ বিচাৰি ছাত্ৰ-ছাত্ৰীয়ে লিখি দিয়া লেখাসমূহৰে মোৰ আশাওধীয়া চেষ্টাৰ ফলত আৰু অধ্যক্ষ মহোদয়ৰ উৎসাহত শুকাই পৰি থকা প্ৰাচীৰ পত্ৰিকা "ফল্গু" আকৌ তাৰ স্নিগ্ধ সুৰত নিৰ্মল সোঁতেৰে ববলৈ ধৰে। মোৰ সময় ছোৱাত দুটা সংখ্যা 'ফল্গু' উলিয়াবলৈ সক্ষম হৈছিলো। সংখ্যা দুটাৰ অলংকাৰিক বন্ধু বৰ্গ ক্ৰমে গুকুৰ, ৰহমান, লিয়াকৎ আৰু মামা ৰহমতক অন্তৰত চিৰদিন ঠাই দি ৰাখিম। তেওঁলোকৰ কষ্ট আৰু মোৰ সাধনাত তত্বাৱধায়ক মহোদয়ৰ নিৰ্দ্দেশ ক্ৰমে উলিওৱা "ফল্গু"ৰ ভাৰ বোৱাৰ বিচাৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষাগুৰুসকলৰ হাতত। মোৰ দাবী আগলৈ সম্পাদক বন্ধু সকলে যাতে 'ফল্গু'ৰ সোঁত বোৱাত যতন কৰে আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলে তুলসীৰ তলত বন্তি দিয়াৰ দৰে নিজা নিজা লেখা দি নিজকে তথা বিদ্যালয়খনিক মুখৰিত কৰে।

সময়ৰ চকাত বাগৰি আহি চমু চাপি আহিল "মহাবিদ্যালয় সপ্তাহ"। অইন অইন বছৰতকৈ মোৰ কাৰ্য্যকালত প্ৰতিযোগিতাৰ সংখ্যা বেছি হৈছিল বুলি কলে নিশ্চয় বঢ়াই কোৱা নহব। বিশেষকৈ অসমীয়া আকস্মিক গল্প প্ৰতিযোগিতা পতাটো মহাবিদ্যালয়ৰ নতুন এটা দিশ যেন আছিল। নতুনকৈ পতা স্বত্বেও ৫৫ জন প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰি মোক নথৈ আনন্দিত কৰে আৰু কৰ্মক্ষেত্ৰত আগুৱাই যাবলৈ অৰিহণা যোগায়।

সদৌ শেষত প্ৰিয় বন্ধু-বান্ধৱী ক্ৰমে সৌৰভ, ছিদ্দিক, বনমালী, গীতু, ৰীতা, ইনু, মনোৱাৰা প্ৰিয়দাদা মুকুন্দ, নুৰুল আৰু কল্পনা বাইদেউৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰী তথা শিক্ষা গুৰুসকল আৰু মাননীয় তত্ত্বাবধায়ক শ্ৰীযুত উমেশ চন্দ্ৰ দাস, ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা শ্ৰীমতী কল্যাণী বাইদেউ, উমেশ চন্দ্ৰ কৰ লগতে এম, শ্বাহ আলম দেৱলৈ সশ্ৰদ্ধ প্ৰণিপাত যাঁচি মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবেদনৰ আঁৰ কাপোৰ টানিছোঁ।

"তমসো মা জ্যোতিৰ্গময়"

অভিনন্দন সহ

এম, আবুল কালাম আজাদ

সম্পাদক

সাহিত্য বিভাগ

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় ছাত্ৰ একতা সভা

নগৰবেৰা।

# সংগীত বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

প্ৰতিবেদন লিখাৰ প্ৰাক্ মুহূৰ্ত্ততে মোক সংগীত বিভাগৰ দৰে গধুৰ দায়িত্ব অৰ্পণ কৰা বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। মই মোৰ দায়িত্ব কিমান সফলতাৰে পালন কৰিব পাৰিছো সেয়া ছাত্ৰ-ছাত্ৰী সকলে চিন্তা কৰিব। এই সুযোগতে মই মোৰ বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত নীলকমল বৰদলৈ দেৱলৈ কৃতজ্ঞতা যাচিছো। তেখেতৰ পৰামৰ্শ আৰু অনুপ্ৰেৰণা মোৰ বাবে চিৰস্মৰণীয় হৈ ৰব।

আমাৰ মহাবিদ্যালয় সপ্তাহ আৰম্ভ হোৱাৰ কেইদিনমান আগতে মই সংগীত বিভাগৰ সম্পাদক ৰূপে কাৰ্য্যভাৰ গ্ৰহণ কৰো। পতিকে সম্পাদক হৈয়েই মই সন্মুখীন হলো এটা বিৰাট সমস্যাৰ। সমস্যাটো হ'ল বাদ্য যন্ত্ৰৰ অভাৱ। সংগীত প্ৰতিযোগিতাত বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰিলে। তেওঁলোকৰ উৎসাহ দেখি সঁচাকৈ মোৰ বৰ ভাল লাগিল। সঁচাকৈ তেওঁলোকৰ উৎসাহ প্ৰশংসনীয়। সেয়েহে এই সুযোগতে মই তেওঁলোকলৈ মোৰ আন্তৰিক শুভেচ্ছা জনাইছো।

"মহাবিদ্যালয় সপ্তাহ" আৰম্ভ হোৱাৰ কেইদিন মান আগতে ডাক্তৰ, কবিৰাজ লগাই তবলা যোৰ, খোল ইত্যাদি ভাল কৰিলো। এইখিনি বাদ্য যন্ত্ৰৰেই মই মোৰ কাৰ্য্যত আগবাঢ়িবলৈ বাধ্য হৈছিলো। এটি দুখৰ বিষয় যে আমাৰ মহাবিদ্যালয়ত বাদ্য যন্ত্ৰৰ অভাৱ। সেয়ে বৰ্ত্তমানৰ লগত খাপ খুৱাব পৰাকৈ আৰু উন্নত মান বিশিষ্ট কেইবিধমান বাদ্য যন্ত্ৰৰ যোগান ধৰিবলৈ মই মহাবিদ্যালয় কৰ্ত্তৃপক্ষক অনুৰোধ কৰিছো। কাৰণ উন্নত মান বিশিষ্ট বাদ্য যন্ত্ৰই উৎসাহী সংগীত প্ৰেমী ছাত্ৰ ছাত্ৰীক বহু গুণে উৎসাহিত কৰে বুলি মোৰ বিশ্বাস।

মই পৰিচালনা কৰা সকলোবোৰ কামতে উৎসাহ আৰু দিহা পৰামৰ্শ দি মোক প্ৰেৰণা দিয়া বাবে শ্ৰদ্ধেয় অধ্যক্ষ মহোদয় আৰু ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত নীলকমল বৰদলৈ দেৱলৈ আন্তৰিক শুভেচ্ছা জনাইছো।

সদৌ শেষত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত জ্ঞাত বা অজ্ঞাতসাৰে কৰি অহা ভুল ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছো। মহাবিদ্যালয়ৰ সংগীত বিভাগৰ উন্নতি আৰু মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

শ্ৰীউত্তম কুমাৰ সাহা
সম্পাদক
সংগীত বিভাগ

# সাংস্কৃতিক আৰু সুকুমাৰ কলা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত প্ৰাণ আহুতি দিয়া শ্বহীদসকললৈ আৰু আহত হৈ থকাসকললৈ মোৰ সশ্ৰদ্ধ প্ৰণাম আৰু অশ্ৰু অঞ্জলি যাচিলোঁ। সাধাৰণতে সঙ্গীতক সকলোৱে ভাল পায়। সঙ্গীতৰ প্ৰতি যি মানুহৰ কণমানো ভাল পোৱা নেথাকে সেই মানুহ নিৰস কাঠৰ দৰে। সঙ্গীতৰ সুৰৰ মায়াত হিংস্ৰ জন্তুও থৰ লাগি চাই ৰয়।

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ দৰে গৌৰৱ-মণ্ডিত শিক্ষানুষ্ঠান এখনৰ সাংস্কৃতিক আৰু সুকুমাৰ কলা বিভাগৰ সম্পাদকৰ এই গুৰুদায়িত্ব মোৰ ওপৰত অৰ্পণ কৰাত, মই আনন্দিত হোৱাৰ লগতে গৌৰৱবোধ কৰিছিলো, লগে লগে শুভা-কাংক্ষী সকললৈ মোৰ অন্তৰৰ মৰম চেনেহ উজাৰি দিছিলোঁ।

সম্পাদকৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই মহা-বিদ্যালয়ত ফাতেহা দোৱাজ্ঞ দহম উৎসৱটি ইং ৫ নবেম্বৰত সুকলমে পালন কৰা হয়।

তাৰ পিছতেই গুৰুত্বপূৰ্ণ কাম পৰে ১৯৮৭-৮৮ চনৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ চলোৱাটো। কলেজ সপ্তাহৰ কাৰ্য্যক্ৰমনিকা চলিছিল ২৫ নবে-ম্বৰৰ পৰা ৩০ নৱেম্বৰলৈ। মোৰ বিভাগৰ ভাৰ-প্ৰাপ্ত অধ্যাপক আছিল মাননীয় শ্ৰীৰঞ্জিত কুমাৰ বৰাদেৱ। যাৰ সাহচৰ্য, সহায় আৰু মৰম পাহৰাটো অসম্ভৱ।

আখৰ ভাল হবলৈ হলে কলমটো ভাল হ'ব লাগে। সুস্থভাৱে সংগীতৰ আখৰা কৰিবলৈ হলে ভাল হাৰমনিয়াম, তবলা, বিভিন্ন যন্ত্ৰপাতিৰ যোগাৰ আদিও লাগে। ভাল আহল বহল কোঠাৰো প্ৰয়োজন। সহযোগিতা তথা সহানুভূতি আৰু উপযুক্ত পৰিবেশ সৃষ্টি কৰাৰ দায়িত্ব ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা আৰু কলেজ কৰ্তৃপক্ষৰ ওপৰতেই নিৰ্ভৰ নকৰে জানো ?

সদৌ শেষত, মোৰ কাৰ্য্যকালত মই আপোনা-লোকক কিদৰে সেৱা আগবঢ়োলোঁ, আপোনালোকে কি পালে, তাৰ বিচাৰৰ ভাৰ আপোনালোকৰ ওপৰতে এৰিলোঁ। মোক যিসকলে লগে-ভাগে লাগি বিভিন্নভাৱে সহায় সহযোগ আগবঢ়ালে সেইসকলৰ নাম একাদিক্ৰমে উল্লেখ কৰিলে এখন মহাভাৰত হ'ব। তথাপিও থোৰতে আব্দুল, আজিজ, ডালিম, নজৰুল, ধৰ্মনাৰায়ণ, অমিতাভ, বিপুল, ৰঞ্জিত, মৃত্যুঞ্জয় আৰু ভবেশৰ নাম উল্লেখ নকৰি নোৱাৰিলোঁ।

সৰ্বশেষত, এই মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু অধ্যাপক-অধ্যাপিকাসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জনাইছোঁ। মোৰ কাৰ্য্যকালৰ সময়ছোৱাত কিবা যদি ভুল ভ্ৰান্তি হৈছিল তাৰবাবে ক্ষমা বিচাৰি বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ উত্তৰো-ত্তৰ উন্নতি কামনাৰে মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয় আই অসম"

শ্ৰীউৎপল দাস
সম্পাদক,
সাংস্কৃতিক বিভাগ
বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় ছাত্ৰ একতা সভা
নগৰবেৰা।

# গুৰু খেল বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

জয় জয়তে মই মোৰ প্ৰতিবেদন লিখিবলৈ লৈ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীক মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। ১৯৮৭-৮৮ চনৰ বাবে মই গুৰু খেল বিভাগৰ সম্পাদক হিচাপে দায়িত্ব গ্ৰহণ কৰিছিলোঁ। সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি উক্ত বিভাগটো সুচাৰুৰূপে পৰিচালনা কৰিবলৈ সক্ষম হৈছো নে নাই সঠিককৈ কব নোৱাৰোঁ। নৱাগত হিচাবে গুৰু খেল বিভাগৰ দৰে গুৰুত্ব পূৰ্ণ দায়িত্বৰ স্পষ্ট তাৎপৰ্য্য ও বিশ্লেষণ দিয়াটো মোৰ বাবে এক গভীৰ চিন্তাৰ বিষয়।

আমাৰ মহাবিদ্যালয়ত প্ৰতিবছৰে সাহিত্য, কলা আৰু খেল-ধেমালি আদি ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক আৰু শাৰীৰিক উৎকৰ্ষৰ পৰিচায়ক হিচাপে কলেজ সপ্তাহ পালন কৰা হয়। এই অনুষ্ঠানতে ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন ধৰণৰ প্ৰতিযোগিতাত নিজৰ অভিৰুচি অনুযায়ী যোগদান কৰে। সঁচাকৈয়ে ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলৰ উৎসাহ প্ৰসংশনীয়। অন্যান্য বছৰৰ তুলনাত এই বছৰ প্ৰতিযোগীৰ সংখ্যা যথেষ্ট আছিল।

গুৰু খেল বিভাগৰ ভিতৰত সাধাৰণ ক্ৰীড়া, ফুটবল, ভলীবল পৰে। আধুনিক তথা বৈজ্ঞানিক চিন্তা চৰ্চাৰ অভাৱ হেতুকে আমাৰ খেলৰ মানদণ্ড উন্নত হোৱা নাছিল। আমাৰ দৰে পিচপৰা মহাবিদ্যালয়ৰ খেলাৰ মানদণ্ড নিম্নগামী হোৱাৰ বাবে আচৰিত হ'ব লগা একো নাই। কিয়নো হঠাৎ মাজে সময়ে গ্ৰাম্য ক্ৰীড়াৰ নামত ফুটবল প্ৰতিযোগিতাৰ বাদে অন্য কোনো ধৰণৰ প্ৰশিক্ষণৰ ব্যৱস্থা নাই। খেলৰ সামগ্ৰী তথা উপযুক্ত খেল পথাৰৰ অভাৱ থকা স্বত্বেও ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিলে সি প্ৰশংসনীয়। অৱশ্যে এই খিনিতে উনুকিয়াব পাৰি যে মহাবিদ্যালয়ৰ খেল সমূহত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ সংখ্যা নিচেই তাকৰীয়া।

খেলসমূহৰ মানদণ্ড যথেষ্ট উন্নত নোহোৱা বাবে মহাবিদ্যালয় খনে আন্তঃ মহাবিদ্যালয় প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব পৰা নাই। এয়া বৰ পৰিতাপৰ বিষয়। গতিকে মই মহাবিদ্যালয়ৰ-সমূহ ছাত্ৰ-ছাত্ৰী, ভাই-বন্ধুক অনুৰোধ জনাও যাতে তেওঁলোকে আন্তঃ মহাবিদ্যালয় প্ৰতিযোগিতাত যোগদান কৰিবলৈ খেলৰ মানদণ্ড যথেষ্ট উন্নত কৰাৰ চেষ্টা চলায়।

খেল বিভাগৰ ভাৰ প্ৰাপ্ত অধ্যাপকদ্বয় মাননীয় শ্ৰীযুত উৎসৱানন্দ দাস আৰু মাননীয় শ্ৰীযুত নৰ বাহাদুৰ চেত্ৰীৰ বহুমূলীয়া পৰামৰ্শ অনুসাৰে মোৰ বিভাগৰ পৰিচালনাত আত্ম নিয়োগ কৰিছিলোঁ।

শেষত মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰীসকলে যি সহায়-সহযোগ, উৎসাহ উদ্দীপনা আগবঢ়ালে তেওঁলোকলৈ ধন্যবাদ জনালোঁ।

সদৌ শেষত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ খেল-ধেমালি তথা বিভিন্ন দিশৰ উন্নতি কামনা কৰি মোৰ গুৰু খেল বিভাগৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

"জয় আই অসম"

**শ্ৰীৰণদীপ তালুকদাৰ**

সম্পাদক,

গুৰু খেল বিভাগ

# লঘু খেল বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

লঘু খেল বিভাগৰ সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণীতে মই আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, ভাই-ভনীসকললৈ মোৰ বৈপ্লবিক অভিনন্দন জ্ঞাপন কৰিছোঁ। এনে এখন ঐতিহ্যপূৰ্ণ শিক্ষা-নুষ্ঠানৰ লঘু খেল বিভাগৰ সম্পাদক হিচাপে বাছনি কৰাত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰীসকলক মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

লঘু খেল বিভাগৰ সম্পাদকৰ কাৰণে যিখিনি যোগ্যতাৰ দৰকাৰ সেইখিনি মোৰ আছিল নে নাই সেয়া আপোনালোকৰ বিচাৰ্য্য, কিন্তু মই যত্নৰ ত্ৰুটি কৰা নাছিলোঁ।

নিলিখি নোৱাৰিলোঁ যে মহাবিদ্যালয়ত যি কোনো খেলতে মহিলা প্ৰতিযোগীৰ সংখ্যা উল্লেখনীয়ভাৱে কম। আজি কুৰি শতিকাৰ শেষতো এনেকুৱা সমস্যা সকলোৱে ভাবিব লগীয়া কথা। লঘু খেল বুলিবলৈ মাথো কেৰম, ডবা আৰু বেডমিণ্টন। এখন মহাবিদ্যালয় হিচাপে লঘু খেলত এইখিনিয়ে সীমিত হোৱা হেতুকে মই দুখিত। সেয়ে এই খেল বিভাগটোৰ যাতে বৰ্ত্তমান যুগৰ খেলৰ লগত সংগতি ৰাখি সম্প্ৰসাৰণ লাভ কৰে তাৰ বাবে মোৰ আশা থাকিল।

সামৰণিত মোৰ শ্ৰদ্ধেয় ভাৰপ্ৰাপ্ত অধ্যাপক আব্দুল হাকিম চাৰৰ ওচৰত মই কৃতজ্ঞ। লগতে মহাবিদ্যালয়ৰ সমূহছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা সকলে তেওঁলোকৰ সহায় সহযোগ আগবঢ়োৱাত তেওঁলোকলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি মই মোৰ প্ৰতিবেদনৰ ইয়াতে সামৰণি মাৰিছোঁ।

ধন্যবাদেৰে
শ্ৰীধীৰাজ কুমাৰ বৰ্মন
সম্পাদক
লঘু খেল বিভাগ।
বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় ছাত্ৰ একতা সভা
নগৰবেৰা।

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণীতে যিসকলে মোক সমাজ সেৱাৰ সম্পাদক হিচাপে মনোনীত কৰিলে তেওঁলোক সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ব্যক্তি ব্যতিৰেকে যেনেকৈ সমাজ সম্ভৱ নহয় ঠিক তেনেকৈ সমাজত থাকি সামাজিক ৰীতি-নীতি পৰম্পৰা আদিৰে সমৃদ্ধ নোহোৱালৈকে প্ৰকৃত ব্যক্তি হ'ব নোৱাৰে। আমি ছাত্ৰসকল যিহেতু সমাজৰে অঙ্গ, সেয়ে সমাজৰ প্ৰতি আমাৰ এক মহান দায়িত্ব আৰু কৰ্ত্তব্য আছে। সমাজ খনক নিকা আৰু শুচি কৰাও ছাত্ৰ সমাজৰ দায়িত্ব অনস্বীকাৰ্য্য। সুস্থ সুখ মানসিকতাই আমাৰ সমাজ খনত সুস্থ প্ৰভাৱ পেলাওক সেয়া আমাৰ কাম্য।

আমাৰ মহাবিদ্যালয়খন এনে এটি পিছপৰা অঞ্চলত অৱস্থিত যে যিটো দিশতেই চোৱা যায় সেই দিশৰে একোটা নিশকটীয়া ছবি ভাহি উঠে। মহাবিদ্যালয়ত এটি জাতীয় সেৱা আঁচনি গোট আছে। এই গোটটোৰ জৰিয়তে প্ৰতি বছৰে কিছু উন্নয়ন মূলক কাম কৰা হয়। কিন্তু যি পৰিমাণে সেই কাম হাইজে বিচাৰে সিমানখিনি আমি হাতত লব নোৱাৰো। সীমিত আৰ্থিক অনুদানেই ইয়াৰ মূল কাৰণ বুলি কব পৰা যায়। তথাপিতো মালিবাৰী, শিমলীতোলা, টিপলাই, পাহাৰ পাৰা, লক্ষণপুৰ, পাগলমাৰী আদি ঠাইত ৰাস্তা বন্ধা, বাহৰ দলং নিৰ্মাণ কৰা, স্কুল ঘৰ আদি মেৰামতি কৰা, পুখুৰী চাফাই কৰা আদি কাম কৰা হৈছে।

এই বছৰ অন্যান্য কামৰ বাহিৰেও মহাবিদ্যালয় সপ্তাহ উপলক্ষে সমাজ সেৱা প্ৰতিযোগিতা অনুষ্ঠিত হয়। উক্ত প্ৰতিযোগিতাত নৱনিৰ্মিত ছাত্ৰীবাসৰ চৌহদত কিছু কাম কৰা হয়। প্ৰতিযোগিতাত পুৰস্কাৰ পোৱা ছাত্ৰ কেইজন হ'ল :-

১ম শ্ৰীদীপেন দাস (উচ্চতৰ মাঃ ১ম বাৰ্ষিক)
২য় শ্ৰীবিভূতি কলিতা (স্নাতক ১ম বাৰ্ষিক)
৩য় শ্বাহ ইউনিছ ৰহমতুল্লা (উঃমাঃ ১ম বাৰ্ষিক)

উক্ত প্ৰতিযোগিতা পৰিচালনা কৰে বিভাগীয় তত্বাবধায়ক অধ্যাপক শ্ৰীবীৰেন্দ্ৰ কুমাৰ দাস আৰু অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক নিৰোদ বৰণ দাসদেৱে। অধ্যাপক হৰিৰ উল্লাহদেৱে ছাত্ৰ-ছাত্ৰী সকলৰ কামত উপস্থিত থাকি বিশেষ ভাৱে অনুপ্ৰেৰণা যোগায়।

মানুহ মানেই ভুল হয়। মোৰ দায়িত্ব পালনত ভুল-ত্ৰুটী হোৱাটো স্বাভাৱিক। সেয়ে সকলোৰে ওচৰত ভুল-ত্ৰুটীৰ বাবে ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

"জয়তু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়"

ইজ্জত আলি মণ্ডল
সম্পাদক
সমাজ সেৱা বিভাগ
বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়
ছাত্ৰ একতা সভা

# ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ বাট চ'ৰাতে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ ১৯৮৭-৮৮ চনৰ ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক হিচাপে মোক নিয়োজিত কৰাৰ বাবে মই সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়ত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সম্পাদক মনোনীত হৈয়ে মই ছাত্ৰ-ছাত্ৰীসকলৰ মৰমৰ দাবীক বাস্তৱত ৰূপ দিয়াৰ আপ্ৰাণ চেষ্টা চলাইছিলো ; মোৰ লক্ষ্য আছিল ছাত্ৰ জিৰণী কোঠাটো খেৰীঘৰৰ পৰিবৰ্তে টিনৰ লগতে পকী ঘৰ কৰাৰ। বৰ্তমানৰ যিটো কোঠা আছে সেইটো আমাৰ মহাবিদ্যালয়ৰ বৃহৎ সংখ্যক ছাত্ৰৰ বাবে এটি "ছেল" ( cell ) সদৃশ। উক্ত কোঠাটোৱে ছাত্ৰসকলৰ চাহিদা কোনো পধ্যে পূৰণ কৰিব নোৱাৰে। সেয়েহে বেছিভাগ ছাত্ৰই গছৰ তলত, কেন্টিনত আৰু বাৰান্দাত জুম পাতি থকা দেখা যায়। কোঠাটোৰ শ্ৰীবৃদ্ধিৰ বাবে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই বিশেষ মনোযোগ দিব বুলি মই আশা ৰাখিছো।

মই একো কৰিব নোৱাৰিলো। অৱেশ্য চেষ্টা নকৰা নহয়। পৰৱৰ্তী সম্পাদক বন্ধু হঁতলৈ মোৰ অনুৰোধ, যাতে তেওঁলোকে ইয়াৰ প্ৰতি কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰে, লগতে কোঠাটো সৰ্বাঙ্গসুন্দৰ কৰি ৰখাৰ সদায় চেষ্টা কৰে।

বিভাগীয় তত্বাৱধায়ক শ্ৰীযুত উমেশ শৰ্মা চাৰলৈ মোৰ শ্ৰদ্ধামিশ্ৰিত কৃতজ্ঞতা থাকিল। নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰাৰ উপৰিও মোক প্ৰত্যেক কামতে সহায় কৰা বাবে বিভাগীয় সম্পাদক সকলক মই কেতিয়াও পাহৰিব নোৱাৰো, নেপাহৰোঁও।

সদৌ শেষত জ্ঞাত-অজ্ঞাত ভুলৰ বাবে মাননীয় অধ্যক্ষ মহোদয় আৰু সমূহ শিক্ষাগুৰু ছাত্ৰ-ছাত্ৰীসকলৰ পৰা ক্ষমা বিচাৰিছোঁ।

মহাবিদ্যালয়ৰ সুনাম আমাৰ কাম্য —

জয় আই অসম

ৰাহাজ উদ্দিন মণ্ডল

সম্পাদক

ছাত্ৰ জিৰণী কোঠা

বি. প্ৰ. চ. মহাবিদ্যালয় ছাত্ৰ একতা সভা

# মহাবিদ্যালয় সপ্তাহ সমাৰোহৰ বিভিন্ন বিভাগৰ প্ৰতিযোগিতাৰ ফলাফলসমূহ ১৯৮৭-৮৮ ইং

## সাহিত্য বিভাগৰ প্ৰতিযোগিতাৰ ফলাফল

### অসমীয়া কবিতা ৰচনা

| | | |
|---|---|---|
| ১ম | এম, আবুল কালাম আজাদ | ( স্নাতক ১ম বাৰ্ষিক ) |
| | শ্ৰীসৌৰভ কুমাৰ ভাগৱতী | ( উঃ মাঃ ১ম বাৰ্ষিক ) কলা |
| ২য় | ৰহমত আলী মণ্ডল— | ( স্নাতক ২য় বাৰ্ষিক ) |
| ৩য় | এ, কে আজাদ মণ্ডল | ( স্নাতক ১ম বাৰ্ষিক ) |
| | শ্ৰীকৈলাশ কুমাৰ মেধি | ( স্নাতক ১ম বাৰ্ষিক ) |

### অসমীয়া গল্প ৰচনা :

| | | |
|---|---|---|
| ১ম | বাছনিত নুঠিল। | |
| ২য় | এম, আবুল কালাম আজাদ | ( স্নাতক ১ম বাৰ্ষিক ) |
| ৩য় | মহঃ ইমান আলী | ( ,, ২য় ,, ) |

### অসমীয়া প্ৰবন্ধ ৰচনা :

| | | |
|---|---|---|
| ১ম | এম, আবুল কালাম আজাদ | ( স্নাতক ১ম বাৰ্ষিক ) |
| | এম. শুকুৰ মাহমুদ | ( ,, ২য় ,, ) |
| ২য় | শ্ৰীসৌৰভ কুমাৰ ভাগৱতী | ( উঃ মাঃ ১ম বাৰ্ষিক কলা ) |
| ৩য় | মিচ. প্ৰণীতা মেধি | ( স্নাতক ১ম ,, ) |
| উদগনি বঁটা | মহঃ আজমল হক | ( উঃ মাঃ ১ম বাৰ্ষিক কলা ) |

### অসমীয়া কবিতা আবৃত্তি :

| | | |
|---|---|---|
| ১ম | মিচ. গীতাশ্ৰী দাস | ( স্নাতক ২য় বাৰ্ষিক ) |
| ২য় | ৰহমত আলী মণ্ডল | ( ,, ২য় ,, ) |
| ৩য় | শ্ৰীধৰ্ম নাৰায়ণ কলিতা | ( উঃ মাঃ ,, ,, কলা ) |

### ইংৰাজী কবিতা আবৃত্তি :

| | | |
|---|---|---|
| ১ম | মিচ গীতাশ্ৰী দাস | ( স্নাতক ২য় বাৰ্ষিক ) |
| ২য় | মিচ দিপালী দেৱী | ( ,, ,, ,, ) |
| ৩য় | শ্ৰী ৰঘুদেৱ দাস | ( ,, ১ম ,, ) |

আৰবী কবিতা আবৃত্তি :

(স্নাতক ১ম বাৰ্ষিক)

১ম হাবিব ছহিদুল ইছলাম (উঃ মাঃ ১ম ,, ক'লা)

২য় মিচ মাফিদা আহমেদ (স্নাতক ৩য় বাৰ্ষিক)

৩য় মহঃ মিজানুৰ ৰহমান (উঃ মাঃ ২য় ,, কলা)

মহঃ আব্দুল মতলেব

অসমীয়া ৰচনা :

বিষয় বস্তু : "ভাৰতৰ প্ৰস্তাৱিত নতুন শিক্ষানীতি"।

১ম বাছনিত নুঠিল।

২য় শ্ৰীযতীন কলিতা (স্নাতক ২য় বাৰ্ষিক)

৩য় এম. আবুল কালাম আজাদ (স্নাতক ১ম বাৰ্ষিক)

মিচ গীতামণি ঠাকুৰীয়া ( ,, ,, ,, )

উদগনি বঁটা মহঃ দিলোৱাৰ হুছেইন (স্নাতক ২য় বাৰ্ষিক)

ইংৰাজী ৰচনা :

Sub :—"The growing tendancy of unfairmeans in the examination hall and its remady."

১ম বাঁছনিত নুঠিল

২য় আব্দুল কদ্দুচ আহমেদ (স্নাতক ২য় বাৰ্ষিক)

৩য় এম. আবুল কালাম আজাদ ( ,, ১ম ,, )

চিদ্দিক আলী আহমেদ ( ,, ,, ,, )

চিত্ৰাংকন :

১ম এম. আবুল কালাম আজাদ (স্নাতক ১ম বাৰ্ষিক)

মহঃ দিলোৱাৰ হুছাইন ( ,, ২য় ,, )

২য় সোণাৰ উদ্দিন আহমেদ (উঃ মাঃ ,, ,, কলা)

৩য় ৰহমত আলী মণ্ডল (স্নাতক ,, ,, )

অসমীয়া আকস্মিক কবিতা ৰচনা :

১ম শ্ৰীসৌৰভ কুমাৰ ভাগৱতী (উঃ মাঃ ১ম বাৰ্ষিক কলা)

২য় এম. আবুল কালাম আজাদ (স্নাতক ১ম ,, )

কুমাৰী কল্পনা ভাগৱতী ( ,, ২য় ,, )

৩য় মিচ গীতামণি ভাগৱতী ( ,, ১ম ,, )

### অসমীয়া আকস্মিক গল্প ৰচনা ঃ

| | | |
|---|---|---|
| ১ম | শ্ৰীসৌৰভ কুমাৰ ভাগৱতী | ( উঃ মাঃ ১ম বাৰ্ষিক কলা ) |
| ২য় | এম আবুল কালাম আজাদ | ( স্নাতক ,, ,, ) |
| | শ্ৰীৰাজেন কলিতা | ( ,, ,, ,, ) |
| ৩য় | শ্ৰীঅৱনী কুমাৰ কলিতা | ( ,, ,, ,, ) |

### অসমীয়া ব্যংগ ( খুহুতীয়া ) গল্প ৰচনা ঃ

| | | |
|---|---|---|
| ১ম | এম. আবুল কালাম আজাদ | ( স্নাতক ১ম বাৰ্ষিক ) |
| ২য় | শ্ৰীসৌৰভ কুমাৰ ভাগৱতী | ( উঃ মাঃ ১ম ,, কলা ) |
| | সাবান আলী আহমেদ | ( ,, ,, ,, ,, ,, ) |
| ৩য় | মিচ গীতুমণি ভাগৱতী | ( স্নাতক ১ম ,, ) |

### বছৰটোৰ শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী

এম. আবুল কালাম আজাদ ( স্নাতক ১ম বাৰ্ষিক )

### তৰ্ক বিভাগৰ প্ৰতিযোগিতাৰ ফলাফল ঃ

#### ইংৰাজী তৰ্ক ঃ

Sub :--"India should go unclear"

| | | |
|---|---|---|
| ১ম | বাছনিত নুঠিল। | |
| ২য় | আব্দুল কদ্দুচ আহমেদ | ( স্নাতক ২য় বাৰ্ষিক ) |
| ৩য় | শ্ৰীৰঘুদেৱ দাস | ( ,, ১ম ,, ) |
| | মহঃ নুৰুল ইছলাম | ( ,, ৩য় ,, ) |

#### অসমীয়া তৰ্ক ঃ

বিষয়বস্তুঃ- "আঞ্চলিক বৈষম্যই আঞ্চলিকতা বাদৰ বাবে দায়ী"

| | | |
|---|---|---|
| ১ম | ৰফিকুল হাছান | ( স্নাতক ৩য় বাৰ্ষিক ) |
| ২য় | মহঃ নৰুল ইছলাম | ( ,, ৩য় ,, ) |
| ৩য় | ৰহমত আলী মণ্ডল | ( ,, ২য় ,, ) |

#### আকস্মিক বক্তৃতা

| | | |
|---|---|---|
| ১ম | বাছনিত নুঠিল | |
| ২য় | ৰফিকুল হাছান | ( স্নাতক ৩য় বাৰ্ষিক ) |
| | শ্ৰীধৰ্ম নাৰায়ণ কলিতা | ( উঃ মাঃ ২য় বাৰ্ষিক কলা ) |
| ৩য় | নৰুল ইছলাম | ( স্নাতক ৩য় বাৰ্ষিক ) |
| | মহঃ আব্দুল আজিজ | ( ,, ,, ,, ) |

কু'ইজ'

১ম দল শ্ৰীসৌৰভ কুমাৰ ভাগৱতী (উঃ মাঃ ১ম বা. কলা)
,, সঞ্জীৱ কুমাৰ দাস ( ,, ,, ,, ,, ,, )
,, সঞ্জীৱ কুমাৰ ৰামছাৰী ( ,, ,, ,, ,, ,, )

২য় দল ক) এম. আবুল কালাম আজাদ (স্নাতক ১ম বাৰ্ষিক)
মিচ. গীতামণি ভাগৱতী ( ,, ,, ,, )
ৰহমত আলী মণ্ডল ( ,, ২য় ,, )
খ) ইজ্জত আলী আহমেদ (স্নাতক ১ম বাৰ্ষিক)
বাহেজ উদ্দিন মণ্ডল ( ,, ,, ,, )
মোঃ নওশ্বাদ আলী (উঃ মাঃ ২য় বাঃ ক'লা)

৩য় দল মহঃ আব্দুল বাৰিক (উঃ মাঃ ২য় বাঃ বিজ্ঞান)
এম. ৰফিকুল হাছান (স্নাতক ৩য় বাৰ্ষিক)
মহঃ শ্বাহাব উদ্দিন (উঃ মাঃ ১ম বাঃ ক'লা)

## বছৰটোৰ শ্ৰেষ্ঠ তৰ্ক প্ৰতিযোগী ৰফিকুল হাছান

(স্নাতক ৩য় বাৰ্ষিক)

## সঙ্গীত বিভাগৰ প্ৰতিযোগিতাৰ ফলাফল ঃ

### বিষ্ণুৰাভা সঙ্গীত

১ম মিচ কৌশল্যা দাস (উঃ মাঃ ১ম বাৰ্ষিক কলা)
২য় মিচ ৰূপাঞ্জলী বৰকাকতী (স্নাতক ২য় বাৰ্ষিক)
৩য় শ্ৰীমৃত্যুঞ্জয় ঠাকুৰীয়া ( ,, ৩য় ,, )

### জ্যোতি সঙ্গীত

১ম শ্ৰীমৃত্যুঞ্জয় ঠাকুৰীয়া (স্নাতক ৩য় বাৰ্ষিক)
২য় মিচ ৰূপাঞ্জলী বৰকাকতী ( ,, ২য় ,, )
৩য় মিচ লতিকা নাথ (উঃ মাঃ ২য় বাৰ্ষিক কলা)

### সমবেত সঙ্গীত

১ম দল শ্ৰীধৰ্ম নাৰায়ণ কলিতা আৰু তেওঁৰ সঙ্গীবৃন্দ (উঃ মাঃ ২য় বাৰ্ষিক কলা)
২য় দল শ্ৰীপ্ৰহ্লাদ কলিতা আৰু তেওঁৰ সঙ্গীবৃন্দ (স্নাতক ১ম বাৰ্ষিক)
৩য় দল শ্ৰীহেমন্ত ঠাকুৰীয়া আৰু তেওঁৰ সঙ্গীবৃন্দ। (স্নাতক ১ম বাৰ্ষিক)

## কামৰূপী লোকগীত

| | | |
|---|---|---|
| ম | শ্ৰীমৃত্যুঞ্জয় ঠাকুৰীয়া | ( স্নাতক ৩য় বাৰ্ষিক ) |
| ২য় | শ্ৰীঅমিয় ঠাকুৰীয়া | ( ,, ১ম ,, ) |
| ৩য় | মিচ কৌশল্যা দাস | ( উঃ মাঃ ১ম বাৰ্ষিক, কলা ) |

## ভুপেন্দ্ৰ সঙ্গীত

| | | |
|---|---|---|
| ১ম | শ্ৰীমৃত্যুঞ্জয় ঠাকুৰীয়া | ( স্নাতক ৩য় বাৰ্ষিক ) |
| ২য় | মিচ ৰূপাঞ্জলী বৰকাকতি | ( ,, ২য় ,, ) |
| | শ্ৰীনৃপেন্দ্ৰ পাঠক | ( ,, ২য় ,, ) |
| ৩য় | শ্ৰীধৰ্ম নাৰায়ণ কলিতা | ( উঃ মাঃ ২য় বাৰ্ষিক ) |

## বৰগীত

| | | |
|---|---|---|
| ১ম | শ্ৰীনৃপেন্দ্ৰ পাঠক | ( স্নাতক ২য় বাৰ্ষিক ) |
| ২য় | মৃত্যুঞ্জয় ঠাকুৰীয়া | ( ,, ৩য় ,, ) |
| ৩য় | মোঃ আব্দুল হামিদ | ( ,, ২য় ,, ) |

## পাৰ্ব্বতীপ্ৰসাদৰ গীত

| | | |
|---|---|---|
| ১ম | বাছনিত নুঠিল। | |
| ২য় | মিচ ৰূপাঞ্জলী বৰকাকতী | ( স্নাতক ২য় বাৰ্ষিক ) |
| ৩য় | শ্ৰীমৃত্যুঞ্জয় ঠাকুৰীয়া | ( ,, ৩য় ,, ) |
| | উদগনি বঁটা মিচ মঞ্জুলা বেগম | ( ,, ২য় ,, ) |

## গোৱালপৰীয়া লোকগীত

| | | |
|---|---|---|
| ১ম | শ্ৰীমৃত্যুঞ্জয় ঠাকুৰীয়া | ( স্নাতক ৩য় বাৰ্ষিক ) |
| ২য় | মুছলিম উদ্দিন আহমেদ | ( ,, ২য় ,, ) |
| ৩য় | শ্ৰীঅমিয় ঠাকুৰীয়া | ( ,, ১ম ,, ) |

## ভজন

| | | |
|---|---|---|
| ১ম | শ্ৰীমৃত্যুঞ্জয় ঠাকুৰীয়া | ( স্নাতক ৩য় বাৰ্ষিক ) |
| ২য় | ,, ধৰ্ম নাৰায়ণ কলিতা | ( উঃ মাঃ ২য় ,, ) |
| ৩য় | ,, তীৰ্থ ৰয় | ( স্নানক ২য় ,, ) |

## গজল

| | | |
|---|---|---|
| ১ম | মিচ ৰূপাঞ্জলী বৰকাকতী | ( স্নাতক ২য় বাৰ্ষিক ) |
| ২য় | শ্ৰীউৎপল দাস | ( ,, ১ম ,, ) |
| ৩য় | ধৰ্ম নাৰায়ণ কলিতা | ( উঃ মাঃ ১ম বাৰ্ষিক ) |

## আধুনিক গীত

| | | |
|---|---|---|
| ১ম | শ্ৰীনৃপেন্দ্ৰ পাঠক | ( স্নাতক ২য় বাৰ্ষিক ) |

( স্নাতক ৩য় বাৰ্ষিক )

২য় „ মৃত্যুঞ্জয় ঠাকুৰীয়া (উঃ মাঃ ১ম বাৰ্ষিক কলা )

৩য় মিচ. চম্পাৰানী দাস

বিহুসুৰীয়া গীত

( উঃ মাঃ ২য় বাৰ্ষিক, কলা )

১ম মিচ লতিকা নাথ ( স্নাতক ২য় বাৰ্ষিক )

২য় শ্ৰীনৃপেন্দ্ৰ পাঠক ( „ ৩য় „ )

৩য় „ মৃত্যুঞ্জয় ঠাকুৰীয়া ( „ ২য় „ )

মিচ ৰূপাঞ্জলী বৰকাকতী

জিকিৰ

( স্নাতক ২য় বাৰ্ষিক )

১ম দল মিচ মঞ্জুলা বেগম ( „ ১ম „ )

„ প্ৰণীতা চৌধুৰী ( „ ২য় „ )

„ জ্যোতি কলিতা ( „ „ „ )

„ ৰূপাঞ্জলী বৰকাকতী

২য় দল মিচ. মফিদা আহমেদ ( উঃ মাঃ ১ম বাৰ্ষিক, কলা )

মহঃ অব্দুল হাফিজ ( স্নাতক ২য় বাৰ্ষিক )

শ্ৰীউত্তম কুমাৰ সাহা ( „ ১ম „ )

৩য় দল মহঃ ওমৰ আলী ( উঃ মাঃ ২য় বাৰ্ষিক কলা )

„ আব্দুল মতলেব ( „ „ „ „ )

এম. আবুল কালাম আজাদ ( স্নাতক ১ম বাৰ্ষিক )

ৰহমত আলী মণ্ডল ( „ ২য় „ )

হিন্দী গীত

১ম শ্ৰীউত্তম কুমাৰ সাহা ( স্নাতক ১ম বাৰ্ষিক )

২য় মিচ ৰূপাঞ্জলী বৰকাকতী ( „ ২য় „ )

৩য় শ্ৰীদীপেন মেধি ( উঃ মাঃ ১ম বাৰ্ষিক কলা )

## যন্ত্ৰ সঙ্গীত

মাউথ অৰ্গেন

১ম শ্ৰীউত্তম কুমাৰ সাহা ( স্নাতক ১ম বাৰ্ষিক )

২য় „ অমিয় ঠাকুৰীয়া ( „ „ „ )

৩য় „ টঙ্কেশ্বৰ ৰয় ( উঃ মাঃ ১ম বাৰ্ষিক কলা )

গীটাৰ বাদন

উপগনি বঁটা শ্ৰীমধুদেৱ দাস ( স্নাতক ১ম বাৰ্ষিক )

বাঁহী

উপগনি বঁটা শ্ৰীনিৰঞ্জন কলিতা ( উঃ মাঃ ১ম বাৰ্ষিক কলা )

### বছৰটোৰ শ্ৰেষ্ঠ সঙ্গীত প্ৰতিযোগী—

শ্ৰীমৃত্যুঞ্জয় ঠাকুৰীয়া ( স্নাতক ৩য় বাৰ্ষিক )

# গুৰুখেল বিভাগৰ প্ৰতিযোগিতাৰ ফলাফল

## ল'ৰাৰ বিভাগ

| | | | |
|---|---|---|---|
| ১০০ মিটাৰ দৌৰ | ১ম | মজিবৰ ৰহমান | স্নাতক ৩য় বাৰ্ষিক |
| | ২য় | অবনি কলিতা | ,, ১ম ,, |
| | ৩য় | সুমেজুদ্দিন আহমেদ | উঃ মাঃ ২য় বাৰ্ষিক A |
| ২০০ মিটাৰ দৌৰি | ১ম | মজিবৰ ৰহমান | স্নাতক ৩য় বাৰ্ষিক |
| | ২য় | সুমেজুদ্দিন আহমেদ | উঃ মাঃ ২য় ,, A |
| | ৩য় | স্বাহ চৰপত আলি | ,, ,, ২য় ,, |
| ৫০০ মিটাৰ দৌৰ | ১ম | সুমেজুদ্দিন আহমেদ | উঃ মাঃ ২য় বাৰ্ষিক A |
| | ২য় | হোমেন মেধি | উঃ মাঃ ,, ,, A |
| | ৩য় | আব্দুল বাৰিক | স্নাতক ২য় বাৰ্ষিক |
| | | আব্দুল কালাম আজাদ | উঃমাঃ ২য় বাৰ্ষিক A |
| ১০০০ মিটাৰ দৌৰ | ১ম | চাহাবুদ্দিন আহমেদ | উঃ মাঃ ১ম বাৰ্ষিক A |
| | ২য় | ফটিক কলিতা | উঃ মাঃ ২য় বাৰ্ষিক A |
| | ৩য় | আব্দুল কালাম আজাদ | উঃ মাঃ ২য় বাৰ্ষিক A |
| | ৪ৰ্থ | দিপক কলিতা | উঃ মাঃ ২য় বাৰ্ষিক A |
| | | সুমেজুদ্দিন আহমেদ | উঃ মাঃ ২য় ,, A |
| ৫০০ মিটাৰ বাধা দৌৰ | ১ম | অবনি কলিতা | স্নাতক ১ম বাৰ্ষিক |
| | ২য় | আব্দুল কালাম আজাদ | উঃ মাঃ ২য় ,, A |
| | ৩য় | হোমেন মেধি | উঃ মাঃ ২য় ,, A |
| তিনি ঠেঙীয়া দৌৰ Balance Race | ১ম | আব্দুল মজিদ | স্নাতক ২য় বাৰ্ষিক |
| | | আব্দুল বাৰিক | ,, ,, ,, |
| | ২য় | ফটিক কলিতা | উঃ মাঃ ২য় বাৰ্ষিক |
| | | নিৰোদ তালুকদাৰ | ,, ,, ,, ,, |
| কনাৰ কোব | যথাক্ৰমে | ৰহমত আলি | উঃ মাঃ ১ম বাৰ্ষিক A |
| | | আব্দুল কালাম আজাদ | ,, ,, ২য় ,, A |
| | | অবনি কলিতা | স্নাতক ১ম ,, A |
| ওজন দলিওৱা Shot put | ১ম | সুলেমান আলি আহমেদ | উঃ মাঃ ১ম বাৰ্ষিক A |
| | ২য় | আব্দুল গণি | ,, ,, ২য় ,, A |
| | ৩য় | ফজলুৰ ৰহমান | ,, ,, ,, ,, A |

| | | | | |
|---|---|---|---|---|
| যাঠি দলিওৱা Javellin Throw | ১ম | বিল্লাল হোচেইন | স্নাতক ২য় বাৰ্ষিক | |
| | ২য় | সুমেজুদ্দিন আহমেদ | উঃ মাঃ ২য় ,, | A |
| | ৩য় | নিৰঞ্জন কলিতা | ,, ,, ১ম ,, | A |
| ক্ৰীড়া চক্ৰকাহী দলিওৱা | ১ম | অবনি কলিতা | স্নাতক ১ম বাৰ্ষিক | |
| | ২য় | সুলেমান আলি | উঃ মাঃ ১ম ,, | A |
| | ৩য় | চাহাবুদ্দিন আহমেদ | ,, ,, ১ম ,, | A |
| ওখ জাপ | ১ম | ফজলুৰ ৰহমান | উঃ মাঃ ২য় বাৰ্ষিক | A |
| | ২য় | জয়ন্ত ঠাকুৰীয়া | স্নাতক ১ম ,, | |
| | ৩য় | আব্দুল বাৰিক | ,, ২য় ,, | |
| মাৰিৰে জপিওৱা | ১ম | জয়ন্ত ঠাকুৰীয়া | স্নাতক ১ম বাৰ্ষিক | |
| | ২য় | ফজলুৰ ৰহমান | উঃ মাঃ ২য় ,, | A |
| | ৩য় | আককাচ আলী | উঃ মাঃ ২য় ,, | A |
| লং জাম্প | ১ম | ফজলুৰ ৰহমান | উঃ মাঃ ২য় বাৰ্ষিক | A |
| | ২য় | আব্দুল বাৰিক | স্নাতক ২য় বাৰ্ষিক | |
| | ৩য় | আককাচ আলী | উঃ মাঃ ২য় বাৰ্ষিক | A |

## ছোৱালীৰ বিভাগ

| | | | | |
|---|---|---|---|---|
| ১০০ মিটাৰ দৌৰ | ১ম | সবিতা চৌধুৰী | উঃ মাঃ ১ম বাৰ্ষিক | A |
| | ২য় | কৌশল্যা দাস | ,, ,, ১ম ,, | A |
| | ৩য় | নমিতা দাস | স্নাতক ২য় ,, | |
| ২০০ মিটাৰ দৌৰ | ১ম | নমিতা দাস | স্নাতক ২য় বাৰ্ষিক | |
| | ২য় | সবিতা চোধুৰী | উঃ মাঃ ১ম ,, | A |
| | ৩য় | জয়মতি মেধি | উঃ মাঃ ১ম ,, | A |
| ভাৰসাম্য দৌৰ বেজিত সূতা ভৰোৱা | ১ম | নমিতা দাস | স্নাতক ২য় বাৰ্ষিক | |
| | ২য় | হিমানী বৰুৱা | উঃ মাঃ ১ম ,, | A |
| | ৩য় | ৰোহিলা বেগম | ,, ,, ১ম ,, | A |
| ভাৰসাম্য দৌৰ চামুচত মাৰ্বল লৈ দৌৰ | ১ম | ইন্দিৰা মেধি | উঃ মাঃ ১ম বাৰ্ষিক | Sc |
| | ২য় | জয়মতি মেধি | উঃ মাঃ ১ম ,, | A |
| | ৩য় | মনিকা মেধি | উঃ মাঃ ২য় ,, | A |

| | | | | |
|---|---|---|---|---|
| যাঠি দলিওৱা | ১ম | নন্দিতা তালুকদাৰ | উঃ মাঃ ১ম বাৰ্ষিক | A |
| | ২য় | সবিতা চৌধুৰী | উঃ মাঃ ১ম ,, | A |
| | ৩য় | জয়মতি মেধি | উঃ মাঃ ১ম ,, | A |
| শ্বট পুট | | | | |
| ওজন দলিওৱা | ১ম | নন্দিতা তালুকদাৰ | উঃ মাঃ ১ম বাৰ্ষিক | A |
| | ২য় | মণিকা মেধি | উঃ মাঃ ২য় ,, | A |
| | ৩য় | ৰোহিলা বেগম | উঃ মাঃ ১ম ,, | A |
| ক্ৰীড়া চক্ৰকাহী দলিওৱা | ১ম | ৰোহিলা বেগম | উঃ মাঃ ১ম বাৰ্ষিক | A |
| | ২য় | সবিতা চৌধুৰী | উঃ মাঃ ১ম ,, | A |
| | ৩য় | নিলিমা দাস | স্নাতক ২য় ,, | |
| দীঘলকৈ জপিওৱা | ১ম | সবিতা চৌধুৰী | উঃ মাঃ ১ম বাৰ্ষিক | A |
| | ২য় | জয়মতি মেধি | উঃ মাঃ ১ম ,, | A |
| | ৩য় | ইন্দিৰা মেধি | উঃ মাঃ ১ম ,, | Sc |
| সংগীত চকী | ১ম | নন্দিতা তালুকদাৰ | উঃ মাঃ ১ম বাৰ্ষিক | A |
| | ২য় | ইন্দিৰা মেধি | উঃ মাঃ ১ম ,, | Sc |
| শ্ৰেষ্ঠ মহিলা খেলুৱৈ যথাক্ৰমে | ১। | নন্দিতা তালুকদাৰ | উঃ মাঃ ১ম বাৰ্ষিক | A |
| | ২। | সবিতা চৌধুৰী | ,, ,, ,, ,, | A |

# লঘুখেল প্ৰতিযোগিতাৰ ফলাফল

## ( ল'ৰাৰ বিভাগ )

| | | | |
|---|---|---|---|
| কেৰম ( যুটীয়া ) | ১ম | মহানন্দ কলিতা | স্নাতক ২য় বাৰ্ষিক। |
| | | অশ্বীনি কলিতা | " " " |
| | ২য় | জয়ন্ত ঠাকুৰীয়া | স্নাতক ১ম বাৰ্ষিক। |
| | | নজ্ৰুল ইছ্লাম | " " " |
| কেৰম ( একক ) | ১ম | অশ্বীনি কলিতা | স্নাতক ২য় বাৰ্ষিক। |
| | ২য় | মহানন্দ কলিতা | " " " |
| বেডমিন্টন ( একক ) | ১ম | মনোজ বৈশ্য | উঃ মাঃ ১ম বাৰ্ষিক( Sc ) |
| | ২য় | ৰঘুদেৱ দাস (ৰূপম) | স্নাতক ১ম বাৰ্ষিক। |
| বেডমিন্টন ( যুটীয়া ) | ১ম | ধীৰাজ বৰ্মন | উঃ মাঃ ১ম বাৰ্ষিক ( Sc ) |
| | | ৰণদীপ তালুকদাৰ | " " " " |
| | ২য় | ৰঘুদেৱ দাস (ৰূপম) | স্নাতক ১ম বাৰ্ষিক। |
| | | জয়ন্ত ঠাকুৰীয়া | " " " |
| ডবা ( একক ) | ১ম | নজৰুল ইছলাম | স্নাতক ১ম বাৰ্ষিক |
| | ২য় | ভবেন কলিতা | " ২য় " |

## ( ছোৱালীৰ বিভাগ )

| | | | |
|---|---|---|---|
| কেৰম ( একক ) | ১ম | চম্পাৰাণী দাস | উঃ মাঃ ১ম বাৰ্ষিক |
| | ২য় | নন্দিতা তালুকদাৰ | " " " " |

# ১৯৮৫'৮৬ চনৰ বিঃ প্রঃ চঃ মহাবিদ্যালৰ ছাত্র একতা সভাৰ সদস্যসকল

| | | | |
|---|---|---|---|
| ১। | সভাপতি | শ্রীসুত দেৱপ্রসাদ শইকীয়া | |
| ২। | উপ সভাপতি | মঃ ৰফিকুল হাছান | |
| ৩। | সাধাৰণ সম্পাদক | শ্রীজয়ন্ত তালুকদাৰ<br>মঃ আব্দুল আজিজ | যুটীয়া |
| ৪। | গুৰু খেলবিভাগ | শ্রীভগৱান ঠাকুৰীয়া | |
| ৫। | লঘু খেলবিভাগ ( ল'ৰাৰ ) | মৃত্যুঞ্জয় ঠাকুৰীয়া | |
| ৬। | লঘু খেল বিভাগ ( ছোৱালীৰ | মিচ্ খাদিজা বেগম | |
| ৭। | এথলেটিক | শ্রীতীর্থলোচন তালুকদাৰ<br>শ্রীজয়ন্ত ঠাকুৰীয়া | যুটীয়া |
| ৮। | সাংস্কৃতিক আৰু আলোচনী সম্পাদক | শ্রীজনার্দন দাস<br>মঃ মজনুৰ ৰহমান | যুটীয়া |
| ৯। | তর্ক বিভাগ | মিজানুৰ ৰহমান | |
| ১০। | সঙ্গীত বিভাগ | শ্রীনৃপেন পাঠক | |
| ১১। | সমাজ সেৱা | মঃ আমিৰ হামজা | |
| ১২। | সহকাৰী সাধাৰণ সম্পাদক | মঃ আবেদ আলী আহমদ | |

B. P. Chaliha College Library
Estd 1972
Nagarbera